## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): Jolin Goswami | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Patarikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1976 | Edition: |
| Size: 23½ cms. 81+20+88+10+58+97+14+25 pages | Genre: Magazine |
| Volumes: 33 - 4 issues | Condition of the original: |
| Remarks: Ann.. 1st vol. was published in the year 1927 and has been contin. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰয়োত্ৰিংশ বছৰ
তৃতীয় সংখ্যা
। ডিচেম্বৰ, ১৯৭৬ ।

সম্পাদক
শ্ৰীযতীন গোস্বামী

# অসম সাহিত্য সভা পত্ৰিকা

৩৩শ বছৰ ॥ ৩য় সংখ্যা
॥ ডিচেম্বৰ, ১৯৭৬ ॥

সম্পাদক
শ্ৰীযতীন গোস্বামী

ASAM SĀHITYA SABHĀ PATRIKĀ (Vol. XXXIII, No. 3) A literary journal of Asam Sahitya Sabha Published by Dr. Hemantakumar Sarma M.A., Ph.D, General Secretary, printed at the Purbadesh Mudran, Gauhati-781008, and Edited by Shri Jatin Goswami, Gauhati-781003. Price Rs. 3·00 only.

অসম সাহিত্য সভা পত্ৰিকা
৩৩শ বছৰ ৩য় সংখ্যা
ডিচেম্বৰ, ১৯৭৬

●

সম্পাদক :
শ্ৰীযতীন গোস্বামী
গুৱাহাটী-৭৮১০০৩

●

প্ৰকাশক :
ড° হেমন্তকুমাৰ শৰ্মা
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

●

ছপাশাল :
পুৰ্বদেশ মুদ্ৰণ
ৰিহাবাৰী
গুৱাহাটী-৭৮১০০৮

●

বেচ খনে তিনি টকা

## ॥ সূচীপত্ৰ ॥


| | | | |
|---|---|---|---|
| ১। | সম্পাদকীয় | | |
| ২। | প্ৰকৃত দেশদ্ৰোহী কোন | ॥ ৭ ॥ | শ্ৰীৰামমল ঠাকুৰীয়া |
| ৩। | বাৰ্টোল্ট ব্ৰেখট্ৰ নাট্যনীতি | ॥ ১৩ ॥ | শ্ৰীকুতুবুদ্দিন আহমেদ |
| ৪। | মোছলেহ উদ্দিন আহমেদ আৰু তেখেতৰ সাহিত্যকৰ্ম | ॥ ১৭ ॥ | শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা |
| ৫। | বাসুদেৱীয় বিষ্ণু সম্প্ৰদায় আৰু অসমৰ দুখন বাসুদেৱীয় বিষ্ণুপীঠ | ॥ ২৪ ॥ | ড° সৰ্বেশ্বৰ ৰাজগুৰু |
| ৬। | ডিমাছা কছাৰীসকলৰ সামাজিক জীৱন | ॥ ৩২ ॥ | শ্ৰীএচ. আৰ. থাওচেন |
| ৭। | মানৱ জীৱন আৰু সনাতন ধৰ্ম | ॥ ৩৮ ॥ | শ্ৰীৰমণীকান্ত শৰ্মা |
| ৮। | কাৰ্বিসকলৰ বিহুগীত | ॥ ৪৫ ॥ | শ্ৰীপ্ৰিয়ৰাম দাস |
| ৯। | যজ্ঞেশ্বৰ শৰ্মা নেওগ আৰু তেওঁৰ এটা প্ৰবন্ধ | ॥ ৪৭ ॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| ১০। | আধুনিক গীতত অলঙ্কাৰ | ॥ ৪৯ ॥ | শ্ৰীসুৰেন গোস্বামী |
| ১১। | তুলাৰাম সেনাপতি ( পুৰণি আলোচনীৰ পৰা ) | ॥ ৫৪ ॥ | শ্ৰীৰ-মহন্ত |
| ১২। | পুথি পৰিচয় | ॥ ৫৭ ॥ | |

পত্রিকাৰ সম্পাদনা সমিতিৰ সদস্যসকল :

১। প্ৰধান সম্পাদক, অসম সাহিত্য সভা
২। পত্রিকা সম্পাদক— আহ্বায়ক
৩। শ্ৰীৰজনীকান্ত দেৱ শৰ্মা
৪। ড° উপেন্দ্ৰনাথ গোস্বামী
৫। শ্ৰীৰামচৰণ ঠাকুৰীয়া
৬। শ্ৰীইৰাণী সেন হাজৰিকা
৭। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা—সভাপতি, অসম সাহিত্য সভা

## সম্পাদকীয়

### প্ৰাচীন পুথি আৰু পাঠ

নিখিল ভাৰত প্ৰাচ্যবিদ্যা সন্মিলনৰ ২৮শ বাৰ্ষিক সন্মিলনৰ সভাপতিৰ ভাষণত শ্ৰীচি. শিৱৰামমূৰ্তিয়ে ভাৰত তথা বাহিৰৰ দেশৰ প্ৰাচীন পুথি সংগ্ৰহ আৰু পাঠ নিৰ্ণয়ৰ ওপৰত গুৰুত্ব দি কৈছে, "To-day the pace of collecting manuscripts has unfortunately slaked in direct proportion to the threat of indiscriminate scattering away of these valuable treasures as increasingly their owners have lost interest in the material the worth of which they have long ceased to acquaint themselves with. Unless this is remedied, it would indeed be an irrepairable loss to the country." অকল তুলাপাত, সাঁচিপাতত থকা পুথিসমূহেই নহয়—শিলালিপি, তাম্ৰলিপি আদিকো এই শ্ৰেণীভুক্ত কৰি ল'ব লাগে। শিলালিপি, তাম্ৰলিপি আদিৰ পৰা ঐতিহাসিক আৰু ভাষাতাত্ত্বিক সমল উদ্ধাৰৰ লগতে আৰু কিছুমান আপুৰুগীয়া বস্তু উদ্ধাৰ হ'ব পাৰে। আমাৰ সম্পাদনাতে ওলোৱা 'অসম সাহিত্য সভা পত্ৰিকা'ৰ ২৮শ বছৰ ১ম সংখ্যাত ডঃ সুকুমাৰ সেনৰ 'এখনি বিচিত্ৰ শিলালিপি' শীৰ্ষক প্ৰবন্ধটোত থকা মালৱৰ ধাৰ অঞ্চলৰ পৰা সংগৃহীত শিলালিপিখনৰ কথা ইয়াত উদাহৰণ হিচাপে দাঙি ধৰি ক'ব খুজিছোঁ যে শিলালিপি বা প্ৰাচীন পুথিসমূহ অকল যে আমি গতানুগতিকভাৱে পাই থকা খিনিতেই সীমাবদ্ধ হৈ আছে তেনে নহয়। দুখৰ কথা এয়ে যে এইজাতীয় সম্পদসমূহ আমাৰ এতিয়াও উদ্ধাৰ নোহোৱাকৈ আছে।

প্ৰাকৃতিক কাৰণত অসমৰ পুথিসম্পদ নষ্ট হোৱাটো স্বাভাৱিক। লৌকিক অন্ধ বিশ্বাসৰ ফলত বহুতো প্ৰাচীন পুথি মাটি-পানীয়ে গ্ৰাস কৰিছে। আনহাতে যিখিনি উদ্ধাৰ হ'ল, সেই খিনিৰো পাঠোদ্ধাৰৰ কাৰণে বৈজ্ঞানিক উপায় লোৱা হোৱা নাই। শিলালিপি আৰু তাম্ৰলিপিৰ পাঠোদ্ধাৰ যেয়ে যেনেকৈ পাৰে কৰিবলৈ চেষ্টা কৰোঁতে কেতিয়াবা কেতিয়াবা নিজেই একোটা বিশ্লেষণত আকোৰগোজ মনোভাৱ প্ৰদৰ্শন কৰি তাকেই গ্ৰহণীয় কৰাবলৈ কৰা প্ৰচেষ্টাৰ নিচিনা দুৰ্ভাগ্য আমিয়েই বহন কৰি আছোঁ। ভুলকৈ নিৰ্ণয় হোৱা এনেবোৰ পাঠকে ইতিমধ্যে কেবাখনো মূল্যবান কিতাপে স্থায়ী কৰি ল'লে বুলিও অভিযোগ ওলাইছে।

প্ৰাচীন পুথিৰ ভাষা আৰু লিপি সম্পৰ্কীয় (শিলালিপি আদিকো প্ৰাচীন পুথিৰ ভিতৰত ধৰি) বৈজ্ঞানিক শিক্ষাৰ আচুতীয়া বিভাগ আমাৰ কোনো এখনো বিশ্ববিদ্যালয়ত এতিয়াও হৈ উঠা নাই। 'বহু পণ্ডিত'ৰ পাণ্ডিত্যৰ যুদ্ধ আৰু কচৰতে ইতিহাসৰ গল্পক ভুলে-শুদ্ধই প্ৰতিষ্ঠা কৰিব খোজাটোকে আমি জানো আমাৰ দুৰ্দৈৱ বুলি নকম? আনহাতে আমাৰ পূৰ্বপুৰুষসকলে সযতনে সংৰক্ষণ কৰি ৰখা পুথি আৰু টোকা-সমূহৰ উদ্ধাৰ আৰু নিৰ্ভুল পাঠোদ্ধাৰৰ কাৰণে ক্ষিপ্ৰ ব্যৱস্থা ল'ব নোৱাৰিলে আমি আমাৰ ভাষা সংস্কৃতিৰ পূৰ্ণ ইতিহাস লিখাটোক সম্ভৱ কৰি তুলিম কেনেকৈ? অথবা আমাৰ সাংস্কৃতিক পটভূমিৰ প্ৰকৃত মূল্যাঙ্কন কৰাটো সম্ভৱ হয় কেনেকৈ? ●

# প্ৰকৃত দেশদ্ৰোহী কোন

শ্ৰীৰামমল ঠাকুৰীয়া

'দেশদ্ৰোহী কোন' প্ৰতিষ্ঠিতযশা বুৰঞ্জীবিদ শ্ৰদ্ধেয় শ্ৰীবেণুধৰ শৰ্মাদেৱৰ এটা বিশেষ তাৎপৰ্যপূৰ্ণ প্ৰবন্ধ। কিছে প্ৰবন্ধটোৰ গুৰুত্ব তাৰ ঐতিহাসিক তথ্যৰ ওপৰত নিৰ্ভৰ কৰা নাই, নিৰ্ভৰ কৰিছে লিখকৰ দৃষ্টিভঙ্গীৰ ওপৰতহে। অসম ধ্বংসৰ কাৰণে সাধা-ৰণতে বদন বৰফুকনকে দোষী কৰা হয় আৰু সেই হিচাপে ইমানদিনে বদন বৰফুকনকে দেশদ্ৰোহী আখ্যা দি অহা হৈছিল। আনহাতে পূৰ্ণানন্দ বুঢ়া-গোহাঁই অতি বিচক্ষণ, কূটনীতিবিদ, দেশপ্ৰেমীক বুলি অভিহিত হৈ আহিছিল। শ্ৰদ্ধেয় শৰ্মা ডাঙৰীয়াই যুক্তিসহকাৰে প্ৰমাণ কৰি দেখুৱাইছে যে আচলতে বদনৰ ভুলত অসম ধ্বংস হোৱা নাই, ধ্বংস হৈছে ক্ষমতালোভী পূৰ্ণানন্দৰ মন্ত্ৰাচাৰৰ ফলতহে। ইমান-দিনে প্ৰচলিত হৈ অহা বিশ্বাস এটাক যুক্তিসহকাৰে খণ্ডন কৰাত শ্ৰীশৰ্মাদেৱৰ ঐতিহাসিক দৃষ্টিভঙ্গীৰ বৈচিত্ৰ্য সুন্দৰভাৱে ফুটি ওলাইছে।

কিন্তু 'দেশদ্ৰোহী কোন' প্ৰবন্ধৰ দৃষ্টিভঙ্গীৰ বৈচিত্ৰ্য যি পৰিমাণে আছে, অনুসন্ধিৎসাৰ গভীৰতা সেই পৰিমাণে নাই। দেশদ্ৰোহীৰ বিচাৰ কৰিবলৈ গৈ লিখকৰ ঐতিহাসিক দৃষ্টিয়ে কেৱল ওপৰতে খপ-জপাই ফুৰিছে, গুৰি কথালৈ নামি যোৱাই নাই। এইটো ঠিক যে পূৰ্ণানন্দৰ ভুলৰ কাৰণেই বদনে গৈ মান মাতি আনি অসমক ধ্বংসৰ মুখত পেলালে। গতিকে সেই ক্ষেত্ৰত বদন যিমান দায়ী, পূৰ্ণানন্দও তাৰ তুলনাত কম দায়ী নহয়। দুই ম'হৰ যুঁজ লাগিল, মাজতে নল-খাগৰীৰ অবাবতে মৰণ মিলিল। কিন্তু অলপ গভীৰভাৱে ভাবি চালে দেখা যায়, অসম ধ্বংসৰ কাৰণে বদন বা পূৰ্ণানন্দ প্ৰকৃতপক্ষে কোনোজনেই দায়ী নহয়। অথবা, মানৰ তিনিবাৰৰ আক্ৰমণৰ ফলস্বৰূপেও অসম ধ্বংস হোৱা নাই।

তেতিয়া হ'লে অসম ধ্বংস হ'ল কেনেকৈ?

সেই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আগতে এটা কথা লক্ষ্য কৰিবলগীয়া যে মানে অসম আক্ৰমণ কৰিবলৈ সাহস পালে কেনেকৈ? বুৰঞ্জীয়ে কয়—অসমীয়া সৈন্যই প্ৰবল-প্ৰতাপী মোগল শক্তিৰ সোতৰটা আক্ৰমণ ব্যৰ্থ কৰি দিছিল। একোটা আক্ৰমণত মোগলৰ সৈন্য আহিছিল কিমান? ৰামসিংহই অসম আক্ৰমণ কৰোঁতে তেওঁৰ লগত আহিছিল ওঠৰ হাজাৰ অশ্বাৰোহী, ত্ৰিশ হাজাৰ পদাতিক আৰু পোন্ধৰ হাজাৰ কাঁড়ী। সৰ্বমুঠ ৬৩,০০০ হাজাৰ সৈন্যৰ আক্ৰমণ অসমীয়াই ব্যৰ্থ কৰি দিছিল। আৰু মানে অসম আক্ৰমণ কৰিছিল কিমান সৈন্য লৈ? মাত্ৰ চাৰি হাজাৰ। তেষষ্ঠী হাজাৰ সৈন্যই আক্ৰমণ কৰিয়ো যি দেশৰ গাৰ নোম লৰাব নোৱাৰিলে, মাত্ৰ চাৰি হাজাৰ মান সৈন্যই সেই দেশ ছেদেলী-ভেদেলী কৰিব পাৰিলে কেনেকৈ?

গতিকে দেখা যায়, মোগল আক্ৰমণৰ ফলত অসমীয়া জাতি যিমান শক্তিশালী আছিল, মানৰ আক্ৰমণৰ ফলত সেই শক্তিৰ একশ ভাগৰ এভাগো নাছিল। গতিকে মানৰ আক্ৰমণৰ আগতেই অসমীয়া জাতিৰ শক্তি লোপ পাইছিল। নতুবা মানে অসম দেশত সোমাবলৈ সাহসেই কৰিব নোৱাৰিলেহেঁতেন।

সেই অৱস্থাটো হৈছিল মোৱামৰীয়া বিদ্ৰোহৰ ফলস্বৰূপে। এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ সংঘটিত হোৱা মোৱামৰীয়া বিদ্ৰোহেই অসমীয়া জাতিৰ প্ৰকৃত শক্তি লোপ কৰি পেলাইছিল। 'অসমত ফিৰিঙ্গী' নামৰ প্ৰবন্ধত শ্ৰীশৰ্মাদেৱে নিজেই স্বীকাৰ কৰিছে—"ঘৰুৱা কন্দলৰ পৰা আমাৰ যিমান হানি হ'ল, মানৰ অত্যাচাৰত হোৱা হানি তাৰ লগত তুলনাই নহয়।" গতিকে অসম ধ্বংসৰ মূল কাৰণ হল—মোৱামৰীয়া বিদ্ৰোহহে, মানৰ আক্ৰমণ নহয়। গতিকে বদন বা পূৰ্ণানন্দও দেশদ্ৰোহী নহয়। প্ৰকৃত দেশদ্ৰোহী হ'ল সিবোৰ, যিবোৰৰ ষড়যন্ত্ৰৰ ফলস্বৰূপে মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হ'বলৈ পাইছিল।

মোৱামৰীয়া বিদ্ৰোহক যদিও এটা সম্প্ৰদায়ৰ বিদ্ৰোহ বুলি কোৱা হৈছে, আচলতে সি আছিল গণ-বিপ্লৱ। ডক্টৰ লক্ষ্মী দেৱীৰ মতেও "ৰজাৰ বিৰুদ্ধে প্ৰজাৰ বিদ্ৰোহ আহোম ৰাজত্বৰ এয়ে প্ৰথম।" সেই বিদ্ৰোহতে শক্তিশালী আহোম ৰাজত্ব সম্পূৰ্ণ বিধ্বস্ত হৈ যায়। ৰজাক বন্দী কৰি থৈ মোৱামৰীয়াবোৰে পাঁচমাহ দেশ শাসন কৰিছিল। ই কম গুৰুত্বপূৰ্ণ কথা নহয়। সেই কালৰ পৰা ফৰাচী বিপ্লৱতকৈও মোৱামৰীয়া বিদ্ৰোহত গুৰুত্ব অধিক। এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ সংঘটিত হোৱা সেই মোৱামৰীয়া বিদ্ৰোহৰ হাজাৰ হাজাৰ লোক নিহত হৈছিল; হাজাৰ হাজাৰ লোক খাবলৈ নাপাই মৰিছিল; অগণন লোকে অসম এৰি পৰ্বতে-কন্দৰে গৈ আশ্ৰয় লৈছিল, আনকি বঙ্গদেশলৈও পলাই গৈছিল। মুঠৰ ওপৰত মোৱামৰীয়া বিদ্ৰোহতে অসম সম্পূৰ্ণ উজাৰ হৈ গৈছিল।

মানৰ আক্ৰমণৰ পৰিণতি স্বৰূপে অসম ইংৰাজৰ হাতলৈ যায় আৰু অসমৰ স্বাধীনতাও চিৰকাললৈ লুপ্ত হয়। কিন্তু মানক খেদিবলৈহে যে ইংৰাজে পোনপ্ৰথম অসমলৈ আহিছিল, সেইটো নহয়। মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈহে ইংৰাজ সৈন্য পোনপ্ৰথম অসমলৈ আহিছিল। সেই মোৱামৰীয়াক দমন কৰিবলৈ অহা সৈন্যবোৰেই অসমত ভৱিষ্যত ইংৰাজ-শাসনৰ পাতনি তৰি থৈ যায়। অৰ্থাৎ মানৰ আক্ৰমণ নোহোৱা হ'লেও এনেই অন্তৰ্বিপ্লৱৰ ফলস্বৰূপেই অসম বৃটিছৰ অধীনলৈ গ'লহেঁতেন। আৰু বদন বৰফুকনেতো প্ৰথমে ইংৰাজৰহে সাহায্য বিচাৰিছিল। সেই সময়ত তেওঁলোকৰ পৰদেশত হস্তক্ষেপ নীতি নাছিল বুলিহে বদনক সহায় কৰিব নোৱাৰিলে। নতুবা মানৰ আক্ৰমণৰ পূৰ্বেই অসম বৃটিছৰ অধীনলৈ গ'লহেঁতেন। 'অসমত ফিৰিঙ্গী' নামৰ প্ৰবন্ধত শ্ৰীশৰ্মাদেৱেও লিখিছে, মোৱামৰীয়া বিদ্ৰোহৰ পিছত "দেখা দেখিকৈ কোম্পানীয়ে দেশখন হস্তগত কৰা নাছিল যদিও ৱেলেল, উড, হেমিল্টন, ছেচুন আদি ছাহাবে অসমৰ মানচিত্ৰ, ৰাজনৈতিক অৱস্থা আৰু আৰ্থিক সমৃদ্ধি সম্বন্ধে তলে তলে অসম দেশখন একপ্ৰকাৰ হস্তগত কৰি লৈছিলেই।"

গতিকে দেখা যায় মোৱামৰীয়া বিদ্ৰোহৰ ফলতেই অসমৰ প্ৰকৃত স্বাধীনতা লুপ্ত হৈ গৈছিল। অৰ্থাৎ অসম ধ্বংসৰ মূল কাৰণ মোৱামৰীয়া বিদ্ৰোহহে, মানৰ আক্ৰমণ নহয়। গতিকে বদন বা পূৰ্ণানন্দও প্ৰকৃত দেশদ্ৰোহী নহয়। প্ৰকৃত দেশদ্ৰোহী হ'ল সিবোৰ, যিবোৰৰ কাৰণে মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হ'ব পাৰিছিল। গতিকে এতিয়া বিচাৰ কৰিব লাগিল, মোৱামৰীয়া বিদ্ৰোহৰ গুৰি ক'ত আৰু তাৰ কাৰণে দোষী কোন?

'অসমত ফিৰিঙ্গী' নামৰ প্ৰবন্ধটোতে শ্ৰদ্ধেয় শৰ্মাদেৱে লিখিছে, মোৱামৰীয়া "বিদ্ৰোহ তোলাৰ গুৰি যিয়েই হওক, বিদ্ৰোহে কিন্তু আমাৰ দেশ দুৰ্বল কৰিলে।" —বিদ্ৰোহ তোলাৰ গুৰি যিয়েই হওক—ই কেতিয়াও ঐতিহাসিকৰ কথা হ'ব নোৱাৰে। ঐতিহাসিকে সকলো কথা মুক্ত আৰু স্পষ্টভাৱে কব পৰা উচিত। হয়তো শ্ৰীশৰ্মাদেৱে মোৱামৰীয়া বিদ্ৰোহৰ গুৰি কথা খুচৰিবলৈ যোৱা নাই এই কাৰণেই যে ইতিপূৰ্বে তেওঁ 'দেশদ্ৰোহী কোন' প্ৰবন্ধত বদনৰ লগনি পূৰ্ণানন্দক দেশদ্ৰোহী বুলি সাব্যস্ত কৰি থৈছে। এতিয়া মোৱামৰীয়া বিদ্ৰোহৰ গুৰিকথা খুচৰিবলৈ গ'লে যদি আন দেশদ্ৰোহী ওলায়, তেতিয়া হলে তেওঁ নিজৰ মত নিজেই খণ্ডন কৰাৰ দৰে হ'ব। কেচুঁলৈ গাঁত খান্দোতে সাপ ওলোৱাৰ ভয়তে হয়তো তেখেতে সেই কথা থাপিথুপি থৈছে।

কিন্তু শৰ্মাদেৱে যেনেকৈ ব্যক্তিগত স্বাৰ্থত মোৱামৰীয়া বিদ্ৰোহৰ গুৰি খুচৰিবলৈ যোৱা নাই, ঐতিহাসিক সত্যৰ স্বাৰ্থত আমি তেনেকৈ সেই কথা উদ্ঘাটন কৰিব লাগিব। নহ'লে প্ৰকৃত দেশদ্ৰোহী ধৰা নপৰিব।

এষাৰতে কবলৈ গলে, শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ বিদ্বেষেই হ'ল মোৱামৰীয়া বিদ্ৰোহৰ মূল কাৰণ। সেই বিদ্ৰোহৰ কাৰণে সাধাৰণতে ফুলেশ্বৰীৰ ওপৰতে সকলো দোষ জাপি দিয়া হয়। ফুলেশ্বৰীয়ে যদি শাক্ত ধৰ্মত বাউলী হৈ মোৱামৰীয়া মহন্তক বলিকটা তেজৰ ফোঁট নিদিলেহেঁতেন আৰু যদি অন্যান্য বৈষ্ণৱসকলৰ ওপৰতো পাশৱিক পীড়ন নচলালেহেঁতেন, তেতিয়া হয়তো মোৱামৰীয়া বিদ্ৰোহ সংঘটিত নহ'লহেঁতেন আৰু অসমো ধ্বংসৰ মুখত নপৰিলহেঁতেন। গতিকে মোৱামৰীয়া বিদ্ৰোহৰ কাৰণে প্ৰধান দোষী হ'ল ফুলেশ্বৰী।

কিন্তু মোৱামৰীয়া বিদ্ৰোহৰ কাৰণে সকলো দোষ ফুলেশ্বৰীৰ ওপৰত জাপি দিলেও ঐতিহাসিক কৌতুহল চৰিতাৰ্থ নহয়। তাৰ পিছতো প্ৰশ্ন জাগে, ফুলেশ্বৰী কুঁৱৰীয়ে সিমানখিনি প্ৰতাপ দেখুৱাবলৈ সুবিধা পালে কেনেকৈ? ফুলেশ্বৰী আছিল এজনী সাধাৰণ নটৰ জীয়ৰী। সেই ফুলেশ্বৰীৰৰ লগত আহোমৰজা শিৱসিংহৰ বিয়া হ'ল কেনেকৈ? তাৰ পিছত হঠাতে শিৱসিংহৰেবা ছত্ৰভঙ্গ যোগ মিলিল কেনেকৈ আৰু ফুলেশ্বৰীয়েবা বৰৰজা হ'ব পাৰিলে কেনেকৈ? এই আটাইবোৰ কথাৰ গুংসূত্ৰ অনুধাৱন কৰিলে এটা গভীৰ ষড়যন্ত্ৰৰ উমান পোৱা যায় আৰু শ্ৰদ্ধেয় শৰ্মাদেৱে যেনেকৈ নিৰপেক্ষভাৱে বুৰঞ্জীৰ পম খেদি গৈ অসমৰ অস্তগামী সূৰ্যৰ শেঁতা পোহৰত দুজন ৰাজপুৰুষৰ স্বভাৱ-চৰিত্ৰ, সন্ধি-অভিসন্ধি আৰু কাৰ্য-কলাপ দেখা পাইছে, তেনে নিৰপেক্ষভাৱে মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ অনুধাৱন কৰিলেও সেই গভীৰ ষড়যন্ত্ৰৰ অন্তৰালত কেইজনমান ধূৰ্ত, স্বাৰ্থপৰ, বৈষ্ণৱ-বিদ্বেষী শাক্ত ব্ৰাহ্মণৰ চৰিত্ৰ জিলিকি উঠে।

মোৱামৰীয়া বিদ্ৰোহৰ অন্তৰালৰ যি ষড়যন্ত্ৰ, অথবা বৈষ্ণৱ ধৰ্মবিৰোধী যি অপচেষ্টা, সি এদিনীয়া নহয়। সেই অপচেষ্টা বহুদিনৰ আগৰ পৰাই চলি আহিছিল। মহাপুৰুষ শঙ্কৰদেৱৰ দিনতে বৈষ্ণৱ-বিদ্বেষৰ সূত্ৰপাত হৈছিল। মহাপুৰুষে মাজুলীৰ ধুৱাহাটা-বেলগুৰিত ধৰ্মপ্ৰচাৰ কৰি থকাৰ সময়তে শাক্ত ব্ৰাহ্মণ কেইজনমানে শঙ্কৰদেৱৰ বিৰুদ্ধে তেতিয়াৰ আহোমৰজাৰ ওচৰত অভিযোগ তুলি কয় যে শঙ্কৰদেৱে শ্ৰাদ্ধ-পূজা বাৰণ কৰি দেশত অনাচাৰ চলাইছে। সৌভাগ্যক্ৰমে তেতিয়ালৈ আহোম ৰজাই হিন্দুধৰ্মৰ বিষয়ে সবিশেষ জনা নাছিল। দুৱৰীৰ পৰা যেতিয়া গম পালে যে শ্ৰাদ্ধৰ নাম কৰি বামুণবোৰে মৃতকলৈ আগবঢ়োৱা চাউল নি জীৱিকা নিৰ্বাহ কৰে, তেতিয়া আহোম ৰজাই ঘূৰি অভিযোগকাৰী ব্ৰাহ্মণ কেইজনৰ ওপৰতে কুপিত হ'ল আৰু তিৰস্কাৰ কৰি চাওৰ পৰা খেদাই পঠালে।

তেনে অপ্ৰত্যাশিতভাৱে ব্যৰ্থ হৈয়ো অভিযোগকাৰীসকল নিৰস্ত নহ'ল আৰু বেলেগ ধৰণে বৈষ্ণৱ-বিৰোধী অভিযানত প্ৰবৃত্ত হ'ল। সিইঁতে দেখিলে যে নানা ৰকমৰ বিৰোধিতা কৰা সত্ত্বেও সময়ৰ লগে লগে অসমৰ

ৰজাঘৰ-প্ৰজাঘৰ সকলোতে বৈষ্ণৱধৰ্ম গজ্ গজীয়া হৈ উঠিল। খোৰাৰজা জয়ধ্বজ সিংহকে আদি কৰি কেবাজনো আহোম ৰজাই বৈষ্ণৱধৰ্ম গ্ৰহণ কৰি বৈষ্ণৱ ধৰ্মক একপ্ৰকাৰ অসমৰ জাতীয় ধৰ্ম কৰি তুলিলে। গতিকে কেৱল অভিযোগৰ দ্বাৰা আৰু এতিয়া বৈষ্ণৱ ধৰ্মৰ এডাল নোমো লাৰিব পৰা নাযায়। সেইকাৰণে সিহঁতে অভিযোগৰ পন্থা এৰি ৰজাঘৰত প্ৰভাৱ বিস্তাৰৰ চেষ্টা কৰিবলৈ ধৰিলে। সিহঁতে চিন্তা কৰিলে, কিবা প্ৰকাৰে ৰজাক বৈষ্ণৱ-বিৰোধী কৰি তুলিব পাৰিলেই, প্ৰজাসকলো স্বাভাৱিকতে বৈষ্ণৱ-বিৰোধী হৈ উঠিব। সেইকাৰণে সিহঁতে অতি কৌশলেৰে ৰাজকীয় অনুগ্ৰহ লাভ কৰাৰ চেষ্টা কৰিবলৈ ধৰিলে।

স্বৰ্গদেৱ প্ৰতাপ সিংহৰ দিনৰ পৰাই আহোম ৰজাঘৰৰ ব্ৰাহ্মণ্য ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰে। প্ৰতাপ সিংহয়ে পোন প্ৰথমে আহোম কটকী গুচাই ব্ৰাহ্মণ কটকীৰ প্ৰৱৰ্তন কৰে। গদাধৰ সিংহৰ দিনত যি বৈষ্ণৱ-নিৰ্যাতন হৈছিল, তাৰ অন্তৰালত ষড়যন্ত্ৰকাৰীবোৰৰ কিব ৰৰঙণি আছিল নে নাই সেই কথা জনা নাযায়; কিন্তু গদাধৰ সিংহই যে বৈষ্ণৱ ধৰ্মতকৈ শাক্ত ধৰ্মৰ ওপৰত বেছি গুৰুত্ব দিছিল, সেই ক্ষেত্ৰত ষড়যন্ত্ৰকাৰীবোৰৰ অনেক ৰৰঙণি আছিল বুলি অনুমান কৰিব পাৰি। সিহঁতে গদাধৰক বুজাইছিল যে বৈষ্ণৱ ধৰ্ম লৈ মাছ-মঙহ খাবলৈ এৰিলে অসমীয়া লোক দুৰ্বল হৈ যাব আৰু অসম ধ্বংসৰ মুখত পৰিব। সেই ধাৰণাৰ বশৱৰ্তী হৈ গদাধৰে বৈষ্ণৱ ধৰ্মৰ বিৰোধ কৰি শাক্ত ধৰ্মক অনুপ্ৰেৰণা দিছিল। ষড়যন্ত্ৰকাৰীবোৰৰ প্ৰৰোচনা আৰু গদাধৰৰ ধাৰণা যে ভুল আছিল তাৰেই সুন্দৰ প্ৰমাণ দেখুৱাইছে মোৱামৰীয়া বিদ্ৰোহে। মাছ-মঙহ নোখোৱা এমুঠিমান মোৱামৰীয়াই মাছ-মঙহ খোৱা হাজাৰ হাজাৰ আহোম সৈন্যক কচুকটা দিলে।

ৰুদ্ৰসিংহৰ দিনত ব্ৰাহ্মণ্য-প্ৰভাৱ অধিক ঘনীভূত হৈ পৰে। ৰুদ্ৰসিংহই গদাধৰৰ দিনৰ বৈষ্ণৱ-নিৰ্যাতন বন্ধ কৰিলে যদিও, ষড়যন্ত্ৰকাৰীবোৰৰ প্ৰৰোচনাত তেওঁ ব্ৰাহ্মণসকলে শূদ্ৰ মেধিবোৰক সেৱা কৰাটো নিষেধ কৰি দিয়ে। ধৰ্মৰ ক্ষেত্ৰত ৰাজকীয় প্ৰভাৱৰ সেয়ে প্ৰথম পদক্ষেপ। ষড়যন্ত্ৰকাৰীবোৰৰ প্ৰচেষ্টাতে ৰুদ্ৰসিংহই হিন্দুধৰ্ম গ্ৰহণ কৰিবলৈও সন্মত হয়। কিন্তু হিন্দুধৰ্ম গ্ৰহণ কৰে কাৰ পৰা? খোৰাৰজা, জয়ধ্বজকে আদি কৰি কেবাজনো আহোম ৰজাই বৈষ্ণৱ মহন্তৰ পৰাই ধৰ্ম গ্ৰহণ কৰিছিল যদিও, ষড়যন্ত্ৰকাৰীবোৰৰ হস্তক্ষেপত, ৰুদ্ৰসিংহৰ কাৰণে সিয়ে এটা ডাঙৰ সমস্যাত পৰিণত হ'ল। ষড়যন্ত্ৰকাৰীহঁতে বুজালে যে দেশী গোসাঁই-মহন্তৰ ওচৰত শৰণ ল'লে ৰজাৰ মৰ্যাদা লাঘৱ হব; বিদেশী গোসাঁইৰ ওচৰত দীক্ষা ল'লেহে ৰজাৰ গৌৰৱ চতুৰ্গুণে বৃদ্ধি পাব। ৰুদ্ৰসিংহই ইতিমধ্যে ষড়যন্ত্ৰকাৰীবোৰৰ হাতৰ মুঠিত সোমাই পৰিছিল। গতিকে দিলে সিহঁতৰ কথাতে হয়ভৰ। ব্যৱস্থা হ'ল, বিদেশৰ পৰা ঘোৰ শাক্ত গোসাঁই এজন সৰবৰাহ কৰাৰ।

ষড়যন্ত্ৰকাৰীবোৰে পূৰ্বতেই সকলো ব্যৱস্থা কৰি ৰাখিছিল। সেইমতে বঙ্গদেশৰ নদীয়া জিলাৰ কৃষ্ণৰাম ভট্টাচাৰ্য ন্যায়বাগীশ নামৰ ঘোৰ শাক্ত গোসাঁই এজনক অতি আড়ম্বৰেৰে মাতি অনা হ'ল। কিন্তু কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ কৃশ আৰু বিকৃত মূৰ্তি দেখি ৰুদ্ৰসিংহৰ চুতি হেৰাল আৰু তেনেহেন অদ্ভুত প্ৰকৃতিৰ লোক এজনৰ পৰা ধৰ্ম ল'ব নুখুজি কৃষ্ণৰামক ওভোতাই পঠালে। সেই কথাত কৃষ্ণৰাম হ'ল ঘোৰ অপমানিত আৰু ষড়যন্ত্ৰকাৰীবোৰ হ'ল সম্পূৰ্ণ হতবাক। সিহঁতৰ ষড়যন্ত্ৰৰ জালখন যে এনে আকস্মিকভাৱে বিচ্ছিন্ন হৈ যাব, সেইকথা সিহঁতে ভাবিবই পৰা নাছিল। সেই দুৰ্যোৰ অপমানৰ প্ৰতিশোধ ল'বলৈ সিহঁত বদ্ধপৰিকৰ হ'ল। অসমৰ দুৰ্ভাগ্য হেতুকে তেনেতে এটা প্ৰচণ্ড ভূমিকম্প হৈ অসমৰ বিস্তৰ ক্ষতি সাধন কৰিলে। হতাশাগ্ৰস্ত ষড়যন্ত্ৰকাৰীৰ দল আনন্দত জপিয়াই উঠিল আৰু ৰজাৰ ওচৰলৈ গৈ বুজালে যে বঙ্গদেশীয় গোসাঁইক ঘিৰাই পঠিওৱাৰ পৰিণামেই হ'ল সেই প্ৰবল ভূমিকম্প। ৰুদ্ৰসিংহ ৰজা হিচাপে যিমান ডাঙৰ আছিল সাহসটো তেওঁৰ সিমান সৰু আছিল। ষড়যন্ত্ৰকাৰীবোৰৰ কথাত ভয় খাই, কৃষ্ণৰামক ওভোতাই আনিবৰ কাৰণে পুনৰ মানুহ পঠালে।

কৃষ্ণৰাম উভতি আহিল, আগতকৈ একশ গুণ বেছি দম্ভ সহকাৰে। ৰুদ্ৰসিংহই তেওঁৰ মনৰ ইচ্ছা পূৰণ কৰি মাটি-বাৰী দি তেওঁক কামাখ্যাত স্থাপন কৰে। ষড়যন্ত্ৰকাৰীবোৰৰ প্ৰচেষ্টাৰ ফল ফলিল। সফলতাৰ আনন্দত সিহঁত মতলীয়া হ'ল। কিন্তু ষড়যন্ত্ৰকাৰীবোৰে সিহঁতৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ কাৰণে অসমৰ বুকুত যি জোপা বিষগছৰ পুলি কলে, সিয়েই শাখা-প্ৰশাখা মেলি সময়ত গোটেই অসম ধ্বংস কৰি পেলালে।

ৰুদ্ৰসিংহৰ অৱশেষ কৃষ্ণৰামৰ ওচৰত দীক্ষা লোৱা নহ'ল। তেওঁৰ নিৰ্দেশক্ৰমে শিৱসিংহইহে কৃষ্ণৰামৰ ওচৰত দীক্ষা গ্ৰহণ কৰিলে। তেতিয়া ষড়যন্ত্ৰকাৰীবোৰক আৰু পায় কোনে? সিহঁতবেই এদনীয়া ৰাজত্ব আৰম্ভ হ'ল। তাতে শিৱসিংহ আছিল আকৌ দুৰ্বল, ঠেক আৰু কামুক প্ৰকৃতিৰ লোক। ৰজাৰ সেই কামুকতাৰ সুবিধাকে লৈ ষড়যন্ত্ৰকাৰীবোৰে চিনাতলী নটৰ জীয়ৰী ফুলমতী নাচনীৰ লগত শিৱসিংহৰ সংযোগ ঘটাই দিলে। ফুলমতী আছিল ৰূপে-গুণে অতুলনীয়া। ৰূপক দেখিয়ে ৰজাই ভোমোৰাৰ দৰে উন্মত্ত হৈ উঠিল। ষড়যন্ত্ৰকাৰীবোৰৰ চেষ্টাত অলপ দিনৰ ভিতৰতে নটৰ জীয়ৰীয়ে আহি আহোমৰ পাটৰাণী হ'ল।

কিন্তু শিৱসিংহলৈ ফুলেশ্বৰীক বিয়া কৰাই অনাৰ পিছতো ষড়যন্ত্ৰকাৰীবোৰৰ চেষ্টা ইতি পৰা নাছিল। তাতকৈয়ো গভীৰ ষড়যন্ত্ৰত সিহঁত লিপ্ত হৈছিল। সিহঁতে দেখিলে যে শাক্ত ধৰ্ম লোৱাৰ পিছতো শিৱসিংহ বৈষ্ণৱ-বিদ্বেষী হৈ নুঠিল। বৰং অনেক বৈষ্ণৱ সত্ৰলৈ তেওঁ মাটি-বৃত্তি দান দিবলৈহে ধৰিলে। সেই কথাটোৱে ষড়যন্ত্ৰকাৰীৰ চকু পুৰিবলৈ ধৰিলে।

সিপিনে ৰাজগুৰু কৃষ্ণৰামো শিৱসিংহৰ ওপৰত কিছু পৰিমাণে বিতুষ্ট হয়। তাৰ কাৰণ হ'ল ৰজাৰ গুৰু হৈয়ে কৃষ্ণৰামে বঙ্গদেশৰ প্ৰচলিত নব্যস্মৃতিৰ মত অসমতো চলাবৰ চেষ্টা কৰিছিল। সেই কামত তেওঁক সহায় কৰিছিল উক্ত ষড়যন্ত্ৰকাৰীৰ দলে। সেই কথালৈ কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ লগত অসমীয়া পণ্ডিতসকলৰ বাদ হয়। বাদত কৃষ্ণৰাম সম্পূৰ্ণ ৰকমে পৰাস্ত হয়। তেতিয়া ষড়যন্ত্ৰকাৰীবোৰৰ বুদ্ধিমতে কৃষ্ণৰামে ৰাজ আজ্ঞাৰ দ্বাৰা অসমত বঙালী মত চলাবলৈ ৰজাক নিৰ্দেশ দিলে। কিন্তু ৰজাঘৰৰ পৰা আজ্ঞা হ'ল যে কেৱল কৃষ্ণৰামৰ শিষ্যবোৰেহে বঙালী মতে চলিব; বাকী অসমৰ লোকবোৰে প্ৰাচীন কামৰূপীয় স্মৃতিমতে চলিব। সেই কথাটোৰ পৰাই শিৱসিংহ কৃষ্ণৰামৰ বিৰাগ-ভাজন হয়। গতিকে ষড়যন্ত্ৰকাৰীবোৰৰ লগত কৃষ্ণৰামে ৰজাক সিংহাসনৰ পৰা আঁতৰোৱাৰ কথা চিন্তা কৰিবলৈ ধৰিলে।

কিন্তু কেনেকৈ? বলৰ দ্বাৰাতো সেই কাম কৰা সম্ভৱ নহয়। গতিকে কৰিব লাগিব বুদ্ধিৰ দ্বাৰা, আৰু ততালিকে ষড়যন্ত্ৰকাৰীবোৰৰ উৰ্বৰ মস্তিষ্কত এটা বুদ্ধিৰ সঞ্চাৰ হ'ল। তেওঁলোকে গাণ-পিটি পালে যে ৰজাৰ ছত্ৰভঙ্গ যোগ মিলিছে। সৰ্বনাশ!

'সৰ্বনাশ'—ভয়াতুৰ শিৱসিংহয়ো কথা শুনি চমকি উঠিল আৰু ভয়তে কোচ-মোচ খাই গ'ল। থৰ্ কাচুটি হেৰুৱাই উপায়ৰ কথা চিন্তা কৰিব ধৰিলে। কিন্তু ৰজাই বেছি সময় চিন্তা কৰি কষ্ট কৰিবলগীয়া নহ'ল। কাৰণ ষড়যন্ত্ৰকাৰীবোৰে পূৰ্বতেই উপায়ৰ কথা চিন্তা কৰি থৈছিল। তেওঁলোকে গহীনভাৱে ক'লে যে সেই দুৰ্যোগ নিবাৰণৰ উপায় মাত্ৰ একেটা—ৰজাই সিংহাসন এৰি দি ৰাণীৰ হাতত ৰাজ্যভাৰ গটাই দিব লাগে। সেই নিৰ্দেশ অনুসাৰেই ভীক-শঙ্কিত শিৱসিংহই ১৭২২ খৃষ্টাব্দত সিংহাসন এৰি দি ফুলেশ্বৰীক কেৱল ৰজা নহয়, বৰৰজা পাতে। ৰুদ্ৰসিংহৰ দিনত আহোম ৰাজশক্তিয়ে যি সমুচ্ছ্ৰয়তা লাভ কৰিছিল, ফুলেশ্বৰীয়ে সিংহাসনত বহাৰ লগে লগে সি অনেকখিনি হ্ৰাস কি

পৰিল। তেতিয়াৰ পৰাই আহোম ৰাজশক্তিৰ বি অধোগতি আৰম্ভ হয়, সি লৈ লৈ লক্ষ্মীসিংহৰ দিনত মোৱামৰীয়াৰ হাতত একেবাৰে অৱলুপ্ত হয়।

ৰজা লৈ ফুলেশ্বৰীয়ে শাক্ত ধৰ্ম গ্ৰহণ কৰিলে আৰু প্ৰমথেশ্বৰী নাম লৈ শাক্ত ধৰ্ম প্ৰচাৰৰ কাৰণে যথেচ্ছাচাৰ চলাব ধৰিলে। এই সম্পৰ্কে গেইট চাহাবে সুন্দৰকৈ লিখি গৈছে : To make matter worse Phuleswari's authority was far from nominal. She was even more under the influence of the Brahmans than her husband, and, in her consuming zeal for Sakta Hinduism, such as so often distinguishes neophytes, she committed an act of oppression which was destined to have far-reaching and disastrous consequences. Hearing that the Sudra Mahantas of the Vaishnava personation refused to worship Durga, she ordered the Moamoria and several other Gosains to be brought to a Sakta shrine where sacrifices were being offered, and caused the distinguisting mark of the Sakta sect to be smeared with the blood of the victims upon their foreheads. The Moamarias never forgave this insult to their spiritual leader, and, ultimately, they broke out into open rebellion.

সেই মোৱামৰীয়া বিদ্ৰোহৰ ফলতে আহোম ৰাজশক্তি থানবান হ'ল, অসমীয়া জাতিৰ বল-বীৰ্য সকলো বিলুপ্ত হৈ গ'ল। মানে আহি যিখন অসম ধ্বংস কৰিছিল, সি আছিল অসমৰ ছাঁয়াহে—কায়া নহয়। মোৱামৰীয়া বিদ্ৰোহতেই অসমৰ প্ৰকৃত কায়া নিঃশেষ হৈ গৈছে। গতিকে দেশদ্ৰোহী বদন বা পূৰ্ণানন্দ নহয়, প্ৰকৃত দেশদ্ৰোহী হ'ল সিবোৰ, যিবোৰৰ কৌশলত কৃষ্ণৰাম ভট্টাচাৰ্যই আহি অসমৰ বুকুত খিতাপি ল'ব পাৰিছিল, যিবোৰৰ চক্ৰান্তত শিৱসিংহৰ লগত ফুলেশ্বৰীৰ বিয়া হ'ব পাৰিছিল, যিবোৰৰ ষড়যন্ত্ৰত শিৱসিংহৰ ছত্ৰভঙ্গ যোগ মিলিছিল আৰু যিবোৰৰ প্ৰৰোচনাত ফুলেশ্বৰীয়ে মোৱামৰীয়া মহন্তক বলিকটা তেজৰ ফোঁট পিন্ধাই খোলা-খুলিভাৱে বৈষ্ণৱ ধৰ্মক প্ৰত্যাহ্বান জনাইছিল।

● ● ●

# 'বাৰ্টোল্ট ব্ৰেখট্‌ৰ নাট্যৰীতি'

শ্ৰীকুতুবুদ্দিন আহমেদ

ইবচেন আৰু ষ্ট্ৰীণ্ডবাৰ্গৰ পাছতেই ইউৰোপীয় মঞ্চলৈ আটাইতকৈ উল্লেখযোগ্য মৌলিক অৱদান আগবঢ়োৱা নাট্যকাৰজনেই হ'ল বাৰ্টোল্ট ব্ৰেখট্। জাৰ্মানীৰ অগচ্‌বাৰ্গত জন্মগ্ৰহণ কৰা এইজনা মহান নাট্যকাৰে প্ৰাথমিক অৱস্থাত ইউৰোপীয় নাট্য-সাহিত্যত এক পৰম বিস্ময়ৰূপে ধৰা দিছিল। কুৰি শতিকাৰ প্ৰথম চাৰিটা দশকত ব্ৰেখটে সমগ্ৰ পৃথিৱীতে স্বকীয় নাট্যৰীতিৰ উদ্ভাৱন কৌশলেৰে সাহিত্য-জগতত এক নিগাজী আসন দখল কৰিবলৈ সক্ষম হয়। গোটেই জীৱন জুৰি ব্ৰেখটে ভালেমান সুন্দৰ কবিতা আৰু একুৰি উনৈশখন নাটক ৰচনা কৰে। তেওঁৰ অতি উল্লেখযোগ্য নাটক কেইখনমানৰ নাম হল : দা থ্ৰিপেনি অপেৰা, দা লাইফ অৱ গ্যালিলিও, মাদাৰ কাৰেজ, দা গুদ ৱ'মেন অৱ চেণ্টজুৱান, দা ককেচিয়ান খক চাৰকল্।

শেক্সপীয়েৰ বা এৰিষ্টট্‌লৰ নাট্য নিৰ্মাণ পদ্ধতিৰ পৰা নিলগাই ব্ৰেখটে এক অভিনৱ 'এপিক পদ্ধতি'ৰ প্ৰতিষ্ঠা কৰিলে। তদুপৰি, ১৯৩৭ চনৰ পৰা ১৯৪৫ লৈকে ৰচিত হোৱা তেওঁৰ প্ৰখ্যাত নাটকেইখনত উল্লেখ থকা বিষয়বস্তুৰ ওপৰত বিশ্লেষণীমূলক ভাৱধাৰা আৰু নাটকীয় অৱস্থাৰ লগত শিবিলাকৰ যোগসূত্ৰ স্থাপন কৰা অভিনৱ কৌশলসমূহে আজিৰ নাটকত বিস্তৰ প্ৰভাৱ পেলাইছে।

ব্ৰেখটৰ এপিক নাট্যৰীতি, মঞ্চকৌশল আৰু লগতে তেওঁৰ প্ৰখ্যাত নাটকেইখনমানত শিবিলাকৰ কেনেধৰণৰ প্ৰয়োগ ঘটিছে তাৰ বিষয়ে পাঠকক দুই এটা কথাৰ সম্ভেদ দিয়াই আমাৰ এই আলচটিৰ উদ্দেশ্য। ব্ৰেখটে তেওঁৰ নাট্যৰীতিক 'এপিক ৰীতি' ( Epic Form ) বুলি কৈছে। বহু সমালোচকে ইয়াক সহজভাৱে ল'বলৈ টান পাই ইয়াৰ বিৰুদ্ধাচৰণ কৰা দেখা গৈছে। পাশ্চাত্য নাট্যৰীতিক সম্পূৰ্ণ উলংঘা কৰিছে বুলি ব্ৰেখটৰ ওপৰত অভিযোগ অনা হৈছে। কিন্তু ব্ৰেখটৰ আদৰ্শৰ অনুগামী গৰলিক ( Gorelik ) য়ে ব্ৰেখটৰ এপিক ৰিয়েলিজিমক সহজভাৱেৰে নেৰেটিভ ৰিয়েলিজিম্ বা বৰ্ণনাত্মক বস্তুবাদ বুলি অভিহিত কৰিছে।

ব্ৰেখটৰ পূৰ্বে শেক্সপীয়েৰৰ নাটকসমূহ অতি জাকজমকভাৱে ইউৰোপীয় মঞ্চত অভিনীত হৈছিল। লগতে এৰিষ্টফেনিচ, এস্কাইলাচ আদিৰ ট্ৰেজেদিসমূহো বেহু আড়ম্বৰেৰে মঞ্চৰ ওপৰত অশেষ ৰং, প্ৰলেপ আৰু প্ৰয়োজনাধিক সংগীতৰ কোলাহলেৰে মঞ্চস্থ কৰা হৈছিল। ব্ৰেখটে এই সকলোৰে অৱ-

সান ঘটাই বাস্তৱসন্মতভাৱে এপিক নাট্যৰীতি আৰু সমালোচকৰ ভাষাৰে কোৱা নেৰেটিভ ৰিয়েলিজিম্ উদ্ভাৱন কৰি পৃথিৱীৰ নাটঘৰত এক নতুন মঞ্চৰীতি আৰু নতুন নাট্য কৌশল উপহাৰ দিলে।

ব্ৰেখটে অতি-নাটকীয়তাক স্বীকাৰ কৰা নাই। বস্তুক ঠিক বস্তুটোৰ সমগ্ৰ সত্তাৰে প্ৰদৰ্শন কৰাৰহে তেওঁ পক্ষপাতী। ব্ৰেখট আৰু তেওঁৰ অনুগামীসকল অৰ্থাৎ নেৰেটিভ ৰিয়েলিষ্টসকলে বস্তু আৰু থিয়েটাৰৰ মাজত এক পাৰ্থক্য ধৰা পেলায়। মঞ্চৰ ওপৰত বস্তুৰ ভ্ৰমাত্মক উপস্থাপনৰ প্ৰয়োজন ব্ৰেখটে নেদেখে। প্ৰখ্যাত চিত্ৰকৰ ব্ৰুগল ( Brueghal ) এ যিদৰে বস্তুৰ বস্তুত্ব ৰক্ষা কৰিহে ছবি আঁকিছিল তেনেদৰে ব্ৰেখটেও ব্যৱহাৰিক জগতৰ বস্তুক মঞ্চত হুবহু উপস্থাপনৰ চেষ্টা কৰে। ব্ৰেখটৰ সহযোগী আৰু ৰচনাৰ অনুবাদক এৰিক বেণ্ট্‌লীয়ে এই কথা আমাক বৰ পৰিস্কাৰকৈ বুজাই দিছে। উদাহৰণ-স্বৰূপে কব পাৰি যে কিছুমান দৃশ্যত নেচাৰিলিজিম্ প্ৰয়োগ কৰিব নোৱাৰি। ধৰিলোৱা হ'ল যে সূৰ্যক মঞ্চত দেখুৱাব লাগে। কিন্তু সূৰ্যক মঞ্চত দেখুৱাব নোৱাৰি। ইয়াত প্ৰতীকৰ সহায় লবলগীয়াত পৰে। ব্ৰেখটে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে তাৰৈ আমি লক্ষ্য কৰিলে দেখিম যে এটা চক্ৰৰ প্ৰতীকেৰে সূৰ্যটোক বুজোৱা হৈছে। গতিকে চক্ৰটোৰ সৈতে অদৃশ্যভাৱে গাথি দিয়া ৰছিডাল মঞ্চত প্ৰদৰ্শন কৰিবলৈ তেওঁ কেতিয়াও ৰাজী নহয়। যিহেতু চক্ৰটো সূৰ্যৰ প্ৰতীকহে গতিকে সন্নিৱিষ্ট হৈ থকা ৰছিডালো দৰ্শকৰ সম্পূৰ্ণ দৃষ্টিগোচৰ হোৱাকৈ মঞ্চত থাকিব লাগিব। 'থ্ৰিপেনি অপেৰা'ত এনে বাস্তৱসন্মত দৃশ্য আমি পাওঁ।

এৰিক বেণ্ট্‌লীয়ে কোৱাৰ দৰে দৰ্শক আৰু অভিনেতাৰ পোনপতীয়া সম্বন্ধও ব্ৰেখটীয় নাট্যৰীতিত নাই। দৰ্শক আৰু মঞ্চৰ মাজত কোনো ইলিউছন সৃষ্টি নকৰি এক বিশেষ কৌশলৰে দৰ্শকৰ লগত মঞ্চৰ একাত্মীয়তা স্থাপন কৰা হয়। এই কৌশলক বেণ্ট্‌লীয়ে বিভাজন কৌশল ( alienation ) বুলিছে। 'মাদাৰ কাৰেজ' নাটকত বৃদ্ধা মাদাৰ গৰাকীয়ে আৰম্ভণিতে গোৱা গীতটিকে নাটকৰ শেষত গাই দৰ্শকৰ অন্তৰত কৰুণ ৰসৰ উদ্ৰেক কৰি অৰ্থাৎ সংগীত আৰু কবিতাৰ জৰিয়তে উক্ত নাটকত এই বিভাজন কৌশলক সুন্দৰভাৱে প্ৰয়োগ কৰা হৈছে। পুনৰ, 'ককেচিয়ান খৰু চাৰকল'ত গ্ৰুশা ( Grusha) ই গায়কে গোৱা গীতৰ লগে লগে ওঠ মিলাই যোৱা কাৰ্যতো বিভাজন কৌশল ৰীতিৰ প্ৰয়োগ হৈছে। ব্ৰেখটৰ প্ৰকৃত উদ্দেশ্য আছিল জনগণৰ মনত চিন্তা শক্তিৰ উদ্ৰেক কৰি উত্থাপিত বিষয়-বস্তুৰ ওপৰত তেওঁলোকে যাতে গভীৰভাৱে অনুধ্যান কৰে তাৰ বাবে চেষ্টা কৰা। সেইফালৰ পৰা চালে এই বিভাজন ৰীতিয়ে দৰ্শকক গভীৰভাৱে ভাবিবলৈ বাধ্য কৰি নাট্যকাৰৰ উদ্দেশ্য সফল কৰি তোলাত সহায় কৰিছে।

ব্ৰেখটৰ নাট্যৰীতিত আলোক নিয়ন্ত্ৰণৰ কথাটোও এক বিশেষ লক্ষণীয় বিষয়। তেওঁৰ নাটকত আলোক নিয়ন্ত্ৰণ সাধাৰণ দৃশ্যগ্ৰাহ্যতাৰে গভীৰ ব্যঞ্জনাময়ী (suggestiveness) হৈ উঠে। মঞ্চ আন্ধাৰ ৰাখি বা চিমিক চামাক পোহৰেৰে ইলিউছন সৃষ্টি কৰিবলৈ তেওঁ নিবিচাৰে। অৱশ্যে ৰহস্যঘন পৰিৱেশ সৃষ্টিৰ বাবে মঞ্চ ফটফটীয়াকৈ পোহৰাই ৰাখি প্ৰতীকৰ সহায়েৰে বুজোৱা হয়। এই ক্ষেত্ৰত ব্ৰেখটে খেক্সপীয়েৰৰ নাটকৰ বাবে প্ৰয়োজনীয় আলোক নিয়ন্ত্ৰণ পদ্ধতি বৰ্জন কৰিছে।

ৰেমণ্ড উইলিয়ামচে ব্ৰেখটৰ সফলতাৰ ৰহস্য বিচাৰি 'থ্ৰিপেনি অপেৰা'ৰ প্ৰযোজনাৰ পিছত কোৱা 'Complex Seeing' নামৰ কথাষাৰিলৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে! উক্ত নাটকৰে পিশ্চম (Peachum)ৰ মুখত দিয়া সংলাপৰ ধৰণ আৰু নাট্য-কৌশল পিছলৈ ল'কেল কনডেনশ্যন হিচাপে জালেমান



নাট্যকাৰৰ ক্ষেত্ৰত ব্যৱহৃত হোৱা দেখা গৈছে। উল্লেখযোগ্য যে 'দি গুদ ৱমেন অব চেণ্টজুৱান' নাটকত শেন টি নামৰ সৎ মহিলা গৰাকীৰ অন্তৰ্দ্বন্দ্ব বুজাবৰ বাবে অন্য নাট্যকাৰে যত হয়তো গতানুগতিক পদ্ধতি গ্ৰহণ কৰিলেহেঁতেন তেনে ক্ষেত্ৰত ব্ৰেখটে এটা ৰিফ্লেকটিভ একখনহে সৃষ্টি কৰিছে।

ব্ৰেখট আছিল ৰাজনৈতিকভাৱে এগৰাকী সচেতন শিল্পী। সমসাময়িক বিশ্বৰাজনীতিৰ লগত বুৰঞ্জী আৰু ৰূপকথাৰ তেওঁ এক অভিনৱ সংমিশ্ৰণ সাধন কৰিছিল। তেওঁৰ ক্ষেত্ৰত এইয়া সম্ভৱ হৈ উঠিছিল পূৰ্বতে ৰেমণ্ডে কোৱা জটিল অৱলোকন (Complex Seeing)ৰ সফল অনুশীলনৰ দ্বাৰা। সামাজিক সকলো সমস্যাৰ প্ৰতি তেওঁৰ তীক্ষ্ণ নজৰ আছিল যদিও বিশেষ বিশেষ একোটা সমস্যাকহে অতি গুচৰৰ পৰা বুজাৰ চেষ্টা কৰিছিল।

বস্তুতঃ আধুনিক মঞ্চলৈ ব্ৰেখটৰ দান হিচাপে আমি কি পালোঁ? জনতাৰে পূৰ্ণ পৃথিৱীত মানুহ কিয় নিৰ্জন হ'বলগীয়া হয়? জীৱন যুদ্ধত কিয় পৰাজয় বৰণ কৰা হয়? কিয় পুৰাণ পৃথিৱীৰ অন্যভাৱে মূল্যায়ন হয়? এনে প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ কৰা সজ আৰু আন্তৰিক প্ৰচেষ্টা আমি নাট্যকাৰজনাৰ পৰা পাওঁ। পৰাজয়, হতাশা, লাঞ্চনা-অপমান আদিৰে ভৰপূৰ ইবচেন আৰু ষ্ট্ৰীণ্ডবাৰ্গৰ পৃথিৱীখনক পৰিশোধন (Purge) কৰি নিয়ত আৰু সুসংহত শৈল্পিকৰূপ দান কৰা হ'ল।

ব্ৰেখটৰ নাটকত শূন্য মঞ্চয়ো কথা কয়। অতি ন্যূনতম সাজসজ্জাৰে একোখন নাটকক গভীৰ ব্যঞ্জনা-ধৰ্মী কৰি তোলা, গম্ভীৰ ৰাজনীতিৰ বিষয়কো ৰূপকথাৰ তুলিকাৰে সানি সহজকৈ জনগনৰ বোধগম্য কৰি তোলা, সৰু সৰু মানুহৰ সমস্যাৱলীৰ ওপৰত সহানুভূতিশীল দৃষ্টিসহ তীব্ৰ ব্যঙ্গ বিদ্ৰুপবানেৰে অথচ মনোৰমকৈ নাট্য কৌশলৰে সজাই তুলি আৰু সহজ প্ৰতীকক কাব্য-ধৰ্মীতা দান কৰি ব্ৰেখটে আধুনিক মঞ্চ আন্দোলনক এনে এটা পৈনতসিদ্ধ অৱস্থা (accomplishment) আনি দিলে যাৰ বাবে ব্ৰেখট হৈ ৰ'ল প্ৰগতিশীল নাট্য-ৰীতিৰ এজন প্ৰধান বাটকটীয়া।

---

**সহায়ক প্ৰবন্ধ আৰু গ্ৰন্থ :**

১। 'প্ৰকাশ'ত প্ৰকাশিত মূল এৰিক বেণ্টলীৰ পৰা অৰুণ শৰ্মাৰ দ্বাৰা অনূদিত প্ৰবন্ধ—'বাৰ্টোল্ড ব্ৰেখটৰ নাট্য আৰু মঞ্চৰীতি'।

২। 'Bertolt Brecht, Parables for the Theatre'—by Eric Beutley (Penguin Plays).

৩। 'Drama from lbsen to Eliot'—by Raymond Williams.

★ ★ ★

## অসম সাহিত্য সভা পত্ৰিকা ঃ ত্ৰয়োত্ৰিংশ বছৰ

### নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা' সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণা-মূলক প্ৰবন্ধাদিয়ে ঘাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হব।

৪। অসম সাহিত্য সভা পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-প্ৰতি "শ্ৰীযতীন গোস্বামী, কল্যাচল ৰোড, গুৱাহাটী-৭৮১০০৩" এই ঠিকনালৈ অথবা 'সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১" এই ঠিকনালৈ পঠাব লাগিব। প্ৰবন্ধপাতি ফট্‌ফটীয়াকৈ ফুলচ্‌কেপ্‌ কাকতৰ এপিঠিত লিখা হ'ব লাগিব। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি পত্ৰাদি প্ৰধান সম্পাদক, অসম সাহিত্য সভা, ভগৱতী প্ৰসাদ বৰুৱা ভৱন গুৱাহাটী-৭৮১০০১-এই ঠিকনালৈ পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য ৩.০০ ( তিনি টকা ) হ'ব আৰু বছৰেকীয়া বৰঙনি ১২.০০ (বাৰ টকা) হ'ব।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখা সভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব। শাখাসমূহলৈ বছৰেকৰ বৰঙনি ( ৬.০০ ) ধৰি প্ৰথম সংখ্যা কাকত ভিঃ পিঃ কৰি পঠোৱা হ'ব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই ২০ টকা হাৰত কমিচন পাব।

১০। ডাকযোগে কোনো এজেন্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

# মোছলেহ উদ্দিন আহমদ আৰু তেখেতৰ সাহিত্য কৰ্ম

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভুঞা

যিসকল অসমীয়া লিখকে আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত নিজস্ব আসন একোখন লাভ কৰিব পৰা নাই, অথচ যিসকলৰ নীৰৱ আৰু অক্লান্ত সেৱা-সাধনাৰে আধুনিক অসমীয়া সাহিত্য সৌধৰ ভেটিটো নিৰ্মিত ; 'কবিযশপ্ৰাৰ্থী' নহৈ, নিঃস্বাৰ্থ-ভাৱে মাতৃভাষা আৰু সাহিত্যৰ সেৱা কৰা আৰু বিজাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ অন্ধ মোহৰ পৰা আঁতৰত থাকি নিজা ভাষা-সাহিত্য-সংস্কৃতিক ভাল পাবলৈ শিকাটো আছিল যিসকলৰ অভিপ্ৰেত লক্ষ্য ; নাতিখ্যাত সেইসকল অসমীয়া লিখকৰ ভিতৰৰে এম. মোছলেহ উদ্দিন আহমদো এজন।

গোৱালপাৰা জিলাৰ মহমুদ নামৰ এজন ব্যক্তি বহুত দিনত ভগনীয়া হৈ গোৱালপাৰা এৰি নগাওঁ জিলাৰ পুৰণিগুদামত আশ্ৰয় লয়হি। মহমুদৰ পুত্ৰ চুজাউদ্দিন আহমদৰ তুগৰাকী কন্যা আৰু পাঁচোটা পুত্ৰসন্তান; মুহিবুদ্দিন, মুজিবুদ্দিন, কুতুবুদ্দিন, আমিনুদ্দিন আৰু মোছলেহ উদ্দিন ( চমুকৈ মছল )। মোছলেহ উদ্দিন বা মছলৰ জন্ম হয় ১৮৯৩ চনত নগাওঁৰ পুৰণিগুদামত। শৈশৱতে সান্নিপাত জ্বৰত পৰি মোছলেহ উদ্দিনৰ ভৰি দুখন চিৰকালৰ বাবে বিকল হৈ যায়। মহামাৰী ক'লাজ্বৰত মোছলেহ উদ্দিনৰ বুঢ়ীমাক, মাক, বাপেক, দুজন ককায়েক আৰু বায়েক দুগৰাকীৰ মৃত্যু হয়। নগাঁৱত ওকালতী কৰি থকা মাজু ককায়েক কুতুবুদ্দিনৰ লগত থাকি মোছলেহ উদ্দিনে পঢ়া-শুনা কৰে। তেতিয়াৰ হাইস্কুলৰ থাৰ্ড ক্লাচলৈকে পঢ়াৰ পাচতেই তেওঁৰ ছাত্ৰজীৱনৰ সমাপ্তি ঘটে ; কিন্তু আনফালে ৰবীন্দ্ৰনাথ, ডি এল ৰায়, বঙ্কিমচন্দ্ৰ আৰু শৰৎচন্দ্ৰই তেওঁৰ মন অধিকাৰ কৰে।

মোছলেহ উদ্দিনৰ ববককায়েক মুহিউদ্দিন তেতিয়া ঢাকাত বোৰ্ড অব্ ৰেভিনিউত আণ্ডাৰ চেক্ৰেটাৰী। ককায়েকৰ বন্ধু, তেতিয়াৰ ঢাকা কলেজৰ এজন অধ্যাপক সত্যেন্দ্ৰনাথ ভদ্ৰৰ সহায়ত মোছলেহ উদ্দিনে ঢাকাৰ তাঁতী বজাৰৰ হোমিও স্কুলত নাম ভৰ্তি কৰিলে। কিন্তু শিক্ষা সম্পূৰ্ণ হ'বলৈ নৌপাওঁতেই ( দুবছৰ পঢ়াৰ পাচতেই ) মুহিউদ্দিন ছিলঙলৈ বদলি হৈ অহা বাবে পুনৰ মোছলেহ উদ্দিন নগাঁৱত মাজু ককায়েকৰ লগত থাকেহি।

ঢাকাত পোৱা হোমিও স্কুলৰ জ্ঞানেৰেই মোছলেহ উদ্দিন আহমদে চিকিৎসকৰ জীৱন আৰম্ভ কৰিলে। নগাঁৱৰ শুকানজুৰি চাহবাগিচাত সাময়িকভাৱে তেখেত এচিষ্টেণ্ট মেনেজাৰো হৈছিল, সাময়িকভাৱে নগাঁৱৰ কাছাৰীত ষ্টাম্প ভেণ্ডৰৰ কামো কৰিছিল। কিন্তু হোমিও চিকিৎসক ('লেঙেৰা ডাক্তৰ') ৰূপেহে মোছলেহ উদ্দিন আহমদ জীৱনৰ শেষ দিনটোলৈকে (১৯৭২ চনৰ ২৬ মে') নগাঁৱৰ ৰাইজৰ মাজত পৰিচিত হৈ ৰ'ল আৰু এই চিকিৎসা-বৃত্তিৰ লগতে তেখেতে সামৰ্থ্য অনুযায়ী মাতৃভাষা আৰু সাহিত্যৰ সেৱা কৰি গ'ল। চিকিৎসা-বৃত্তিটো যে আহমদে বৰ আন্তৰিকতাৰে গ্ৰহণ কৰিছিল, আৰু তেখেত যে এজন 'হাতুৰে চিকিৎসক' নাছিল, সেই কথাৰ সাক্ষ্য দিয়ে ৬ষ্ঠ বছৰৰ ৩য় সংখ্যা বাঁহীত প্ৰকাশিত আহমদৰ 'মহাত্মা চেমুৱেল হানিমেন' শীৰ্ষক দীঘলীয়া প্ৰবন্ধটোৱেই।

ব্যক্তিগত ক্ষেত্ৰত যেনেকৈ নগাঁৱৰ ৺মহেন্দ্ৰনাথ বৰুৱা আছিল আহমদৰ অন্তৰঙ্গ বন্ধু, সাহিত্য ক্ষেত্ৰত তেনেকৈ আহমদে অন্তৰঙ্গতা লাভ কৰিছিল শেৱালি কবি ৰত্নকান্ত বৰকাকতী আৰু বাউলি কবি কমলানন্দ ভট্টাচাৰ্য্যৰ। বৰকাকতী, ভট্টাচাৰ্য্য আদিৰ উদ্যোগত নগাঁৱত তেতিয়া সক্ৰিয় হৈ থকা এ. এচ. এল. ক্লাব বা অ. ভা, উ, সা, সভাৰ মোছলেহ উদ্দিনো এজন সক্ৰিয় সদস্য আছিল। এ. এচ. এল. ক্লাবত গাব বা পঢ়িবৰ বাবেই মোছলেহ উদ্দিনে গান নাইবা গল্প প্ৰবন্ধ আদি ৰচনা কৰিছিল। এই ক্ষেত্ৰত তেখেতক প্ৰেৰণা যোগাইছিল বৰকাকতী আৰু ভট্টাচাৰ্য্য দুয়োজনেই। তেখেতে লেখা গীতসমূহ "সামৰি থব নজনাৰ ফলত লোপ পালে।" 'সৰাফুল' নামৰ গীতৰ সংকলন এটা এনেকৈয়ে লুপ্ত হ'ল।

তথাপি অসমীয়া সাহিত্যলৈ মোছলেহ উদ্দিন আহমদৰ অৱদান বৰ কম নহয়। আহমদৰ সাহিত্য-প্ৰতিভা আজিৰ অসমীয়া পঢ়ুৱৈসকলৰ গুচৰত বৰকৈ পৰিচিত নোহোৱাৰ কাৰণ গ্ৰন্থাকাৰে তেখেতৰ ৰচনাসমূহ সংকলিত হৈ এতিয়ালৈকে নোলোৱাটো। গ্ৰন্থাকাৰে প্ৰকাশিত তেখেতৰ একমাত্ৰ ৰচনা হ'ল 'মজাৰ গল্প', আৰু মোছলেহ উদ্দিন আহমদৰ নাম ল'লেই এচাম পুৰণি পঢ়ুৱৈয়ে 'মজাৰ গল্প'ৰ নাম উল্লেখ কৰে। কিন্তু আমাৰ বোধেৰে 'মজাৰ গল্প' আহমদৰ সকলো ৰচনাৰ ভিতৰত উৎকৃষ্ট বুলি বিবেচিত হ'বৰ যোগ্য নহয়।

অসমীয়া পঢ়ুৱৈক হাস্যৰসৰ যোগান ধৰাৰ উদ্দেশ্যে 'বাঁহী, গাওঁৰ কথা' আদি সমসাময়িক আলোচনীত মাজে সময়ে লিখা খণ্ড চিত্ৰ কিছুমানৰ সমষ্টিয়েই হ'ল 'মজাৰ গল্প'। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'বাঁহী'ত আহমদৰ এনেধৰণৰ সৰহ সংখ্যক হাস্যৰসাত্মক চিত্ৰ প্ৰকাশ হৈছিল। এইবোৰৰ সৰহভাগতে স্থূল হাস্যৰস প্ৰকাশ পাইছে যদিও বেজবৰুৱাই তেখেতৰ বাঁহীত এইবোৰক স্থান দিয়াৰ প্ৰধান কাৰণ নিশ্চয় হাস্যৰসৰ প্ৰতি থকা বেজবৰুৱাৰ সহজাত দুৰ্বলতা আৰু সেই সময়ত এনেজাতীয় ৰচনাৰ প্ৰকাশ বিৰলতা। মন কৰিবলগীয়া যে আহমদৰ এই খণ্ডচিত্ৰবোৰ প্ৰকাশ পোৱা সময়ত কৃপাবৰ বৰুৱাৰ বাহিৰে আন কাৰো এনেজাতীয় ৰচনা 'বাঁহী'ত ওলোৱা নাছিল। গতিকেই কৃপাবৰী হাঁহিৰ পাছতে মোছলেহ উদ্দিনৰ হাঁহিয়ে সমসাময়িক অসমীয়া পঢ়ুৱৈৰ মনৰ খোৰাক যোগাব পাৰিছিল বুলি অনুমান কৰাত বিশেষ বাধা একো নাই।

গুণগত বিচাৰত 'মজাৰ গল্প'ৰ হাঁহি কৃপাবৰী হাঁহিৰ চাৰি চাপৰ বাহিৰত, সেই কথা বিনা দ্বিধাই কব পাৰি। ব্যঙ্গ বা বুদ্ধিদীপ্ত হাস্যৰ লগত মোছলেহ উদ্দিনৰ বৰ পৰিচয় আছিল বুলি আমাৰ ধাৰণা নহয়। বেজবৰুৱাৰ হাঁহিয়ে নিশ্চয় তেতিয়া আহমদক প্ৰেৰণা যোগাইছিল; কিন্তু আহমদৰ হাঁহিত বেজবৰুৱাৰ হাঁহিৰ চিটিকনি পৰিছে বুলিও কব নোৱাৰি। সমাজ-সংস্কাৰ প্ৰৱণতাই বেজবৰুৱাৰ হাঁহিক যি



বিশেষত্ব আৰোপ কৰিছে, হাস্য আৰু ব্যঙ্গৰ মণিকাঞ্চন সংযোগে কৃপাবৰৰ হাঁহিক যি অনবদ্যতা দান কৰিছে আৰু হাঁহিৰ মাজেদিয়েই বেজবৰুৱাৰ যি আত্মপ্ৰকাশ ঘটিছে, বেজবৰুৱা সম্পাদিত 'বাঁহী'ৰ অনুগ্ৰহ-ধন্য হৈও মোছলেহ উদ্দিনে এই দিশত প্ৰতিভাৰ স্বাক্ষৰ ৰাখি যাব নোৱাৰাটো দুৰ্ভাগ্যজনক। মোছলেহ উদ্দিনৰ সমসাময়িক মহীচন্দ্ৰ বৰাই হাস্যৰস সৃষ্টিত যথেষ্ট সফলতা লাভ কৰি যোৱাটো প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য। আহমদৰ অধ্যয়নৰ সীমাবদ্ধতাই এই ক্ষেত্ৰত দায়ী বুলি আমাৰ ধাৰণা হয়। যি নহওক, বেজবৰুৱাৰ ভাষাত, যি সময়ত অসমীয়া মানুহে হাঁহিবই নাজানিছিল আৰু "হাঁহিৰ নামত ফেকুন্দা হাতকেইটা দেখুৱাকেই হাঁহি বুলি সন্তোষ" লভিছিল, "দোলাৰ নামে শিকিয়াত যোৱা" আৰু "গাখীৰৰ নামে পানীকে খোৱা" "অপৰ্জল" অসমীয়া মানুহক হাঁহিৰ যোগান ধৰা মোছলেহ উদ্দিনৰ এই প্ৰচেষ্টাক বেজবৰুৱাই আদৰ কৰাত বিচিত্ৰতা একো নাই। কিন্তু মোজলেহ উদ্দিনৰ প্ৰতি বেজবৰুৱাই আগবঢ়োৱা হাস্যধনত ধৰি পিছৰজন আগুৱাই আহিব নোৱাৰিলে। পৰিণতি স্বৰূপে, 'মজাৰ গল্প'ৰ হাস্যৰ স্থূলতাই অসমীয়া সাহিত্যত হাস্যৰসৰ প্ৰবাহটোক প্ৰকাৰান্তৰে বাধাগ্ৰস্তহে কৰিলে বুলি কব পাৰি। তথাপি, 'মজাৰ গল্প' সমসাময়িক অসমীয়া সাহিত্যত এটা উল্লেখযোগ্য সংযোজন এই বাবেই যে সেই সময়ত তেনেধৰণৰ সংকলন অসমীয়া ভাষাত বৰ বেছি নাছিল। ১৯১৬ চনতে প্ৰকাশ হোৱা গ্ৰন্থখনৰ দুই এটা চিত্ৰত যে আজিৰ পঢ়ুৱৈয়েও হাঁহিৰ পৰা সমল আছে, সেই কথা আমি অস্বীকাৰ নকৰোঁ; আৰু এই কথাও অনস্বীকাৰ্য যে এনে ধৰণৰ প্ৰচেষ্টাৰ আদৰ্শও মোছলেহ উদ্দিনৰ সন্মুখত তেতিয়া নাছিল। আকৃতিতেই হওক বা প্ৰকৃতিতেই হওক, কৃপাবৰী ৰচনাৰ লগত 'মজাৰ গল্প'ৰ দিন-ৰাতিৰ পাৰ্থক্য। গতিকে মোছলেহ উদ্দিনৰ এই প্ৰচেষ্টাৰ ঐতিহাসিক মূল্য দলিয়াই পেলাব পৰা বিধৰ নহয়, আৰু সেইবাবেই বোধহয় আজিও বহুতো পুৰণি পঢ়ুৱৈৰ মনত 'মজাৰ গল্প'ই হেন্দোলনি তুলি আছে আৰু এই গ্ৰন্থখনেই মোছলেহ উদ্দিন আহমদৰ স্মৃতি সেই চাম পাঠকৰ মনত সজীৱ কৰি ৰাখিছে। গ্ৰন্থখনৰ এইটোৱেই ডাঙৰ বিশেষত্ব।

পদ্মনাথ গোহাঞি বৰুৱা সম্পাদিত 'উষা'ৰ পাতত প্ৰথমে ভুমুকি মৰা মোছলেহ উদ্দিন আহমদৰ সাহিত্য-প্ৰতিভাই 'বাঁহী'ৰ পাততে গঢ় ল'লে। বাঁহীৰ উপৰি 'সাধনা', 'জয়ন্তী', 'গাওঁৰ কথা', 'আসাম বান্ধৱ', 'গণতন্ত্ৰ' আদিৰ পাতত আহমদৰ বিভিন্ন ৰচনা প্ৰকাশ হয়। অসমীয়া ভাষা-সাহিত্যৰ উন্নতি, অসমীয়া জাতিৰ উন্নতি, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অসমীয়া মুছলমান সমাজৰ অনুৰক্তি, মুছলমান সমাজৰ প্ৰগতি আদিয়েই আহমদৰ ৰচনাসমূহৰ বক্তব্য বিষয়। ধৰ্মীয় চিন্তাধাৰাৰ ক্ষেত্ৰত তেখেতৰ দৃষ্টিভঙ্গী যে উদাৰ আছিল, সেই বিষয়ে সন্দেহ নাই। ধৰ্মৰ অৰ্থ তেখেতে মানৱধৰ্ম বুলিয়েই বুজিছিল।

আগতেই কোৱা হৈছে যে মজাৰ গল্পৰ বাহিৰে মোছলেহ উদ্দিন আহমদৰ আন কোনো ৰচনা একত্ৰ সংকলিত হোৱা নাই। বিভিন্ন আলোচনীৰ পাতত সিচৰতি হৈ থকা সকলোবোৰ ৰচনা এতিয়া পোৱাটোও সম্ভৱ নহয়। আহমদৰ সাহিত্য-কৰ্মৰ মূল্যায়ণ কৰাত এইখিনিতে ডাঙৰ বাধা এটাই দেখা দিয়ে। তেখেতৰ যিখিনি ৰচনা আমি পাইছোঁ, সেইখিনিৰ থূলমূল পৰিচয় এটিহে এই প্ৰবন্ধৰ মাজেদি দাঙি ধৰিব খুজিছোঁ। 'মজাৰ গল্প'ক একাষৰীয়াকৈ থলে, অন্য তিনিটা ৰূপত মোছলেহ উদ্দিনৰ সাহিত্য-কৰ্ম বিভক্ত। কবিতা, গল্প আৰু আলোচনা—এই তিনিটাৰ মাধ্যমেৰেই তেখেতৰ অভিব্যক্তি ঘটিছে।

'আসাম মুছলমান ছাত্ৰ সন্মিলন'ৰ মুখপত্ৰ 'সাধনা'ৰ এটা সংখ্যাত (২য় বছৰ : ১ম সংখ্যা) ড° সূৰ্যকুমাৰ ভূঞাই 'অসমীয়া মুছলমান সম্প্ৰদায়ৰ সাহিত্য-সাধনা'

সম্পৰ্কে আলোচনা কৰোঁতে প্ৰাসঙ্গিকভাৱে মৌলবী মোহাম্মদ ছুলেমান খাঁৰ 'কবিতা পুথি' আৰু মৌলবী মফিজুদ্দিন আহমেদ চাহেবৰ 'জ্ঞান-মালিনী'ৰ লগতে মৌলবী মোছলেহ উদ্দিন আহমদৰ 'বাছকবনীয়া পদ্য' সমূহৰ প্ৰশংসা কৰিছে। পদ্মনাথ গোহাঞিবৰুৱাৰ 'উষা'ত প্ৰকাশিত 'ভোমোৰা'ই মোছলেহ উদ্দিনৰ প্ৰথম প্ৰকাশিত কবিতা। কবিতাটোৰ কেইশাৰীমান এনে ধৰণৰ :—

"গুণ গুণ কৰি গাই
ঈশ্বৰৰ প্ৰেম-গান
শূন্যে শূন্যে উৰি ফুৰে
ভোমোৰা বলিয়া ;
ফুলৰ আশাত নিতে
উৰি ফুৰে এইদৰে
ফুল-গোন্ধ পালে হয়
তেনেই বলিয়া।"

'বাঁহী'ত প্ৰকাশিত 'মোছলেম জাতীয় সঙ্গীত' কবিতাত মুছলমানৰ জাতীয় জীৱন গঠন কৰিবলৈ লিখকে এক উদাত্ত আহ্বান জনাইছে। কিন্তু এই জাতীয়-জীৱন অসমীয়া তথা ভাৰতীয় জীৱন-প্ৰৱাহৰ পৰা বিচ্ছিন্ন নহয়। বৃহত্তৰ সৰ্বভাৰতীয় জাতি গঠনত মুছলমানৰ অনগ্ৰসৰতাই প্ৰতিবন্ধক সৃষ্টি কৰিব পাৰে ; সেইবাবে মুছলমানসকল 'ৰাতি-দিনে এলাহ-মগন' হৈ থকাটো তেখেতে নিবিচাৰে। ভাৰতবৰ্ষৰ বিভিন্ন জাতি-উপজাতিৰ নিজা নিজা বিশেষত্ব ৰক্ষা কৰিহে মহাভাৰতীয় জাতি এটা গঠিত হোৱাটোত আহমদে বিশ্বাস কৰিছিল। ভাৰতৰ বিভিন্ন প্ৰান্তত থকা বিভিন্ন জাতি-উপজাতিৰ নিজা নিজা কৃষ্টি-সংস্কৃতিৰ অৱলুপ্তি সাধনেৰে নহয়, সেই সেই কৃষ্টি-সংস্কৃতি-সমূহৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ দ্বাৰাহে এই মহা-ভাৰতীয় জাতিটোৰ প্ৰকৃত মহিমা প্ৰকাশ পাব পাৰে। অসমত বসবাস কৰা মুছলমানসকলে নিজৰ ধৰ্মীয় বা সাংস্কৃতিক বৈশিষ্ট্য ৰক্ষা কৰিও পোনতে অসমীয়া হৈহে ভাৰতীয় জীৱন-প্ৰৱাহৰ লগত মিলি যোৱাটো তেখেতে বাঞ্ছা কৰিছিল। সেইবাবেই আহমদে মুছলমানসকলক সাৱধান-বাণী শুনাইছে 'পাহৰিলা নিজ কাজ, পাহৰিলা নিজ সাজ' বুলি। মুছলমানৰ এই তথাকথিত অধঃপতনত কিন্তু আহমদ সম্পূৰ্ণ হতাশ হোৱা নাই। সেই বাবেই তেখেতে মুছলমানসকলক আহ্বান জনাইছে এই বুলি—"এতিয়াও মৰা নাই, আছা কত শত ভাই, সকলোৱে কৰা পুনু জাতিটি গঠন"। 'ঈদ মোবাৰক', 'হজৰত মোহাম্মদ' আদি কবিতাত মুছলমান সমাজক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যেই ৰচিত যেন লাগে। 'সাধনা' নামৰ এটি কবিতাত আহমদে কৈছে,

"মই নকৰোঁ ব্যৰ্থ
লক্ষ্য তোমাৰ
নকৰোঁ অন্য কামনা,
মই নাজানো ধৰ্ম
কৰ্ম একোকে
পূৰোৱা গুপ্ত বাসনা।
মোৰ সুপ্ত জীৱনে
তোমাৰ কাৰণে
লভোক অশেষ বেদনা,
মেলি সজাগ থাউতি
বিচাৰি সত্য
সিদ্ধি কৰোক সাধনা"।

কবিতাটোত শেৱালি কবি ৰবকাকতিৰ ছন্দৰ অনুৰণন শুনিবলৈ পোৱা যায়। ৰবকাকতী আহমদৰ অন্তৰঙ্গ বন্ধু আছিল আৰু তেখেতৰ প্ৰেৰণাতেই আহমদে সাহিত্য-চৰ্চা কৰিছিল বুলি পূৰ্বতে উল্লেখ কৰা হৈছে। 'বিষাদ' নামৰ আন এটি গহীন ভাবৰ কবিতাত তেখেতে কৈছে যে পৰিদৃশ্যমান জগতৰ সকলোৱেই খস্তেকীয়া। খন্তেকীয়া সুখৰ পাছত সকলোতে বিষাদে দেখা দিয়ে, আৰু 'আমাৰ জীৱনো নিচেই চনকা হায়'। 'প্ৰাৰ্থনা' কবিতাত ভগৱানৰ



কৰাবে লিখকৰ 'নিচেই এখানি হিয়া'খনি যেন ডাঙৰ হয়, 'লোকৰ দুঃখত দুখী হবলৈ' যেন ভগৱানে তেওঁৰ হিয়াখন পমাই দিয়ে আৰু কুচ্‌ট-কপট আঁতৰি ভগৱানৰ জেউতি যেন হিয়াত জ্বলি উঠে, তাকে কামনা কৰিছে।

গহীন ভাবৰ কবিতাতকৈ হাস্য ৰসাত্মক কবিতা সৃষ্টিত আহমদৰ দক্ষতা আপেক্ষিকভাৱে বেছি প্ৰকাশ পালেহেঁতেন বুলি ক'ব পাৰি। এই ক্ষেত্ৰত আমি 'অদ্ভুত জাতি' আৰু 'ওস্তাদী গান' নামৰ কবিতা দুটালৈ আঙুলিয়াব পাৰোঁ। 'মজাৰ গল্প'ৰ হাঁহিৰ দৰে এই কবিতা দুটাৰ হাঁহিত স্থূলতা নাই। এনে ধৰণৰ কবিতা তেখেতে বেছি সংখ্যক ৰচনা নকৰাৰ কাৰণহে জনা নাযায়। 'অদ্ভুত জাতি' কবিতাত অসমীয়া মুছলমানসকলৰ প্ৰতি শাণিত ব্যঙ্গৰ বাণ নিক্ষেপ কৰা হৈছে। লিখকৰ দৃষ্টিত ধৰা পৰা এই লোকসকলৰ অলসতা, অকৰ্মণ্যতা, বিলাসিতা, আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অহেতুক উদাসীনতা এই কবিতাত আক্ৰান্ত হৈছে এনেদৰে :—

"আমি হেনো কাহানিবাৰে 'বাদচাহ'ৰ নাতি,
অসমতে আছোঁ হই অসমীয়া জাতি।
*　　　　*
দুপৰ হলেহে বেলি আমি সাৰ পাওঁ,
লৰালৰিকৈ উঠি অলপ 'চা নাস্তা' খাওঁ ;
তাৰ পাছত সেওঁতা ফালি থুৰিয়াওঁ ধুতি,
দেখিছানে আমি কেনে অসমীয়া জাতি।
*　　　　*
জাতিত আমি অসমীয়া, কিন্তু মাতহে খিচিৰি,
উৰ্দু ফাৰ্চি অসমীয়াৰে পুৰাওঁ কথাবাৰি।
*　　　　*
উৰ্দু আমাৰ মাতৃভাষা, 'এ ক্যায়চা বাট,'—
উপজিয়েই শুনো দেখোন অসমীয়া মাত।
*　　　　*
অসমীয়া পঢ়োঁ, কিন্তু চৰ্চাহে নকৰোঁ।
*　　　　*
সেইহে আমি দোধোৰ-মোধোৰ অসমীয়া জাতি।"

কবিতাটোত অকল মুছলমান সমাজৰে নহয়, আহমদৰ সমসাময়িক সমগ্ৰ অসমীয়া সমাজৰে চিত্ৰ এটা প্ৰকাশ পাইছে বুলিব পাৰি। ৰচনা ৰীতিত চন্দ্ৰধৰ বৰুৱাৰ ব্যঙ্গ কবিতাৰ প্ৰভাৱ-স্পৰ্শ অনুভূত হয়। অৱশ্যে বঙলা সাহিত্যৰ যশস্বী কবি ডি, এল, ৰায়ৰ কবিতায়ো আহমদক প্ৰেৰণা যোগাব পাৰে। 'ওস্তাদী গান' শীৰ্ষক ধেমেলীয়া কবিতাটো ৰচনা কৰি ১৮৪২ শকৰ আহিন মাহত অনুষ্ঠিত নগাঁৱৰ অ, ভা, উ, সা, সভাত তেখেতে নিজে গাইছিল। কবিতাটোত আছে যে লিখকৰ হাৰমনিয়ম শিকিবৰ মন গ'ল। বন্ধুক কোৱাত বন্ধুৱে ক'লে "নন্দ ঘোষক আনা মাতি, শিকাই দিব তেৱেঁ, তেওঁৰ সমান থৰকৈ বজাব নোৱাৰে যে কেৱেঁ।" ওস্তাদ নন্দ ঘোষ আহি শিক্ষা দিবলৈ ধৰিলে ; কিন্তু "বাস্তৱ মাতে তেওঁৰ গলাই নহল একে ৰাহি"। লিখকৰ হাঁহি উঠিল। ওস্তাদে ক'লে, "মশাই হেসনা, ওস্তাদেৰ গলা বুঝতে পাচ্ছ না, এই ৰকমেই হয়।" পোনতেই ওস্তাদে তেওঁক তাৰাগ্ৰামত শিকালে আৰু যিটো ওস্তাদী গানৰ শিক্ষা দিলে, অ, ভা, উ, সা, সভাত গাবৰ বাবে লিখকৰ সেইটো মনঃপূত হোৱা নাই বুলি কোৱাত ওস্তাদে ক'লে, "যান যান মশাই, বুঝে কেবা গান, যাৰা বলে বুঝি বুঝি, ওসব তাদেৰ ভান"। যি নহওক, ওস্তাদৰ শিক্ষাত লিখকৰ "ডিঙিৰ মাতেও ললে ভাঁজ নন্দ ঘোষৰ প্ৰায়।" অবিমিশ্ৰ হাস্যই কবিতাটোক সৌন্দৰ্য দান কৰিছে।

'জয়ন্তী'ৰ বুকুত গল্পকাৰ ৰূপে প্ৰকাশ লাভ কৰা সৰহ সংখ্যক লিখকৰে গল্প-প্ৰতিভা জয়ন্তীৰ বুকুতে সোমাই থাকিল। যিসকলৰ গল্প-প্ৰতিভা অবিকশিত ৰূপত ৰৈ গ'ল, সেইসকলৰ ভিতৰতে মোছলেহ উদ্দিন আহমদো এজন বুলি ক'ব পাৰি। বৰ বেছি সংখ্যক গল্প ৰচনা কৰা নাছিল যদিও ধেমেলীয়া কবিতাৰ দৰেই গল্প ৰচনাতো আহমদে সিদ্ধহস্ততা

অৰ্জন কৰিব পাৰিলেহেঁতেন। ‘জাহানাৰা’, ‘দুখনি অচিন হিয়া’, ‘ব্যৱধান’, ‘পৰিচিতা’, ‘কাল পৰিণয়’ আদি গল্প কেইটাই এই কথা প্ৰতীয়মান কৰে। ‘জাহানাৰা’ এটা সুখ পাঠ্য গল্প। গল্পটোত জাহানাৰা নামৰ এটি আদৰ্শ নাৰী চৰিত্ৰ অঙ্কিত হৈছে। পৱিত্ৰ জাহানাৰাৰ অশ্ৰুৱে কেনেকৈ বিপথগামী স্বামী মুজিদক ধুই-পখালি নিকা কৰি তুলিছে, সেয়ে গল্পটোৰ বক্তব্য। ‘দুখনি অচিন হিয়া’ত থস্তেকীয়া মোহৰ পৰিণতি দেখুওৱা হৈছে। উৎকণ্ঠা-প্ৰধান ‘কাল পৰিণয়’ গল্পটোত কথা-কবিতাৰ ৰচনা ৰীতি বিদ্যমান। ‘ব্যৱধান’-গল্পৰ গাঁথনি শিথিল আৰু ইয়াত আবেগ প্ৰৱণতাৰ আতিশয্য প্ৰকাশ পাইছে। ‘পৰিচিতা’ গল্পত লিখকৰ ৰোমাণ্টিক ভাবানুভূতিয়ে মনোৰম প্ৰকাশ লাভ কৰিছে। গল্পকেইটাত আহমদৰ ভাষা বৰ আবেগিক। উদাহৰণ স্বৰূপে ‘জাহানাৰা’ গল্পৰ দুটি বাক্যলৈ আঙুলিয়াব পাৰি ; “আজি শৰতৰ উজল পোহৰ নাই, মায়াবিনী জাঁউসীৰ কুহক জালত মুগ্ধ হৈ সমস্ত পৃথিৱীকে নীৰৱ-নিস্তব্ধ কৰি তুলিছে। গভীৰ দুপৰ নিশা প্ৰকৃতি দেৱী গভীৰ নিদ্ৰাত অভিভূত”—ইত্যাদি।

মোছলেহ উদ্দিনৰ কৱিতা আৰু গল্পকেইটাৰ আলোচনাত প্ৰবৃত্ত হোৱাৰ পাছত আৰু আলোচনা মূলক প্ৰবন্ধ কেইটাত দৃষ্টি ৰাখি এটা সিদ্ধান্তত সহজে উপনীত হব পাৰি যে তেখেতৰ প্ৰতিভা সিমান সৃষ্টিধৰ্মী নাছিল, যিমান আছিল আৱিষ্কাৰ ধৰ্মী। সৃষ্টিধৰ্মী প্ৰতিভাই বয়স, পৰিৱেশৰ অনুকূলতা আদিৰ অপেক্ষা নাৰাখে। জীৱনৰ শেষৰ ফালে আহমদৰ সাহিত্য সৃষ্টিত যতি পৰিল ; অৱশ্যে এজন হোমিওপ্যাথ হিচাপে তেখেতে ডাক্তৰী জীৱনত লাভ কৰা কিছুমান বেমেলীয়া অভিজ্ঞতা ‘গণতন্ত্ৰ’ কাকতত চেগাচোৰোকাকৈ প্ৰকাশ কৰিছিল। যোৱা পঞ্চম দশকলৈকে আহমদৰ সাহিত্য সৃষ্টি অব্যাহত আছিল আৰু আৰম্ভণিৰে পৰা সেই সময়লৈকে ৰচিত আলোচনামূলক প্ৰবন্ধসমূহৰ মাজতে লিখক হিচাপে আহমদৰ কীৰ্তিৰ স্থিতি ঘটিছে।

আহমদৰ আলোচনামূলক প্ৰবন্ধসমূহ বিভিন্ন বিষয়ক। কেইবাটাও প্ৰবন্ধৰ সাহিত্যিক মূল্য অৱশ্যে নাই। ‘জয়ন্তী’ৰ ‘ৰংঘৰ’ শিতানত প্ৰায় নিয়মীয়াকৈ লিখা ‘শৰীৰ চৰ্চা’, ‘ব্যায়াম সাধনা’, ‘আমাৰ জাতীয় শক্তি সাধনা’, ‘আধুনিক ব্যায়াম আন্দোলন’, ‘মাল যুঁজ আৰু মল্লবীৰ গামা’ আদি প্ৰবন্ধ এই শ্ৰেণীৰ। সেয়ে হ’লেও এই প্ৰবন্ধলানিয়ে লিখকৰ স্বদেশ আৰু স্বজাতি-প্ৰীতিৰ গভীৰতা প্ৰকাশ কৰিছে “অসম আইৰ প্ৰত্যেক সন্তান স্বাস্থ্যবান হওক, শক্তিশালী হওক, সাহসী হওক”—এই মনোভাবেই প্ৰতিটো প্ৰবন্ধৰ মাজত ব্যক্ত হৈছে। শাৰীৰিক বলৰ লগত যে নৈতিক বলৰ ওতঃপ্ৰোত সম্পৰ্ক আছে, আৰু এই নৈতিক বলৰ অভাৱতেই যে আমি অসমীয়া-সকল সমূলি হীন হৈ পৰিছোঁ, তাকে দেখুৱাবৰ বাবেই কুস্তিগীৰ গামা, ইমাম বক্স, হামিদা গোঙা, গোলাম মহিউদ্দিন আদিৰ পৰিচয় দানেৰে অসমীয়া ডেকাসকলক উদ্বুদ্ধ কৰিব বিচাৰিছে। ‘বহুস্ত্ৰী নাৰী’, ‘ছোভিয়েট ৰাষ্ট্ৰত নাৰীৰ মুক্তি’, ‘মুছলিম জগতত নাৰী জাগৰণ’, ‘জোবেদা খাতুন’ আদি প্ৰবন্ধৰ অৱশ্যে সাহিত্যিক মূল্য নোহোৱা নহয়। আমাৰ নাৰীসকলৰ, বিশেষকৈ মুছলমান নাৰীৰ শিক্ষা-দীক্ষাত অনগ্ৰসৰতাই আহমদক বাৰুকৈয়ে আঘাত দিছিল, আৰু সেই বাবেই নাৰী জাতিৰ চেতনা উদ্ৰেক কৰাই এই প্ৰবন্ধ কেইটাৰ মূল উদ্দেশ্য।

‘বাহী’ত প্ৰকাশিত ‘জিজিয়া’ শীৰ্ষক প্ৰবন্ধটোত সম্ৰাট আওৰংজেবে প্ৰবৰ্তন কৰা জিজিয়া কৰৰ সপক্ষে মত প্ৰকাশ কৰা হৈছে। কিন্তু প্ৰবন্ধটোৰ পাদটীকাত ‘ভাৰতে মুছলমান সভ্যতা’ৰ পৰা বুলি উল্লেখ কৰা বাবে প্ৰবন্ধটো লিখকৰ মৌলিক সৃষ্টি নে অনুবাদ জানিব পৰা নগ’ল। ‘সাহিত্য আৰু মুছলমান’ প্ৰবন্ধত ইংৰাজ আমোলত ভাৰতৰ প্ৰাদেশিক ভাষাবোৰৰ সাহিত্যত মুছলমান চৰিত্ৰ বিকৃতভাৱে দেখুওৱা কাৰ্যৰ প্ৰতিবাদ কৰা হৈছে। প্ৰবন্ধটোৰ সামৰণিত লিখকে কৈছে, “ভগৱান, মোৰ মাতৃভাষা অসমীয়াক যেন এনেবোৰ কলঙ্কৰ পৰা আঁতৰাই ৰাখা।” ‘হজৰত মহম্মদ’—“ইছলাম-নাৱৰ গুৰিয়াল হজৰত মহম্মদ”ৰ জীৱনী। ‘ইছলাম-সোপান’ নামৰ প্ৰবন্ধত মৌলবী আজিজুৰ ৰহমান ছাহৰ দ্বাৰা প্ৰণীত একে নামৰ গ্ৰন্থৰ প্ৰসঙ্গত মুছলমান সমাজৰ সম্পৰ্কে দাঙি ধৰা আহমদৰ বক্তব্য প্ৰকাশ পাইছে। মোছলেহ উদ্দিনৰ ব্যক্তিত্ব আৰু চিন্তাধাৰা বুজিবলৈ হ’লে এই প্ৰবন্ধৰ কথাখিনি ডাঙৰ সহায়ক। প্ৰবন্ধটোত আহমদে কৈছে, “আমি মুছলমান, কিন্তু অসমীয়া। আমি এই ভাষাৰ চৰ্চা আৰু উন্নতিলৈ কামনা কৰি জাতীয়তাৰ গুৰিত যে কিমান পৰিমাণে হাবিবন গজিবলৈ আৰু সুবিধা দিছোঁ, তাক সেই নেদেখা জনেহে দেখিছে।” ✱✱✱ “অসমত আমি এটা স্বতন্ত্ৰ অসমীয়া জাতি হৈ প্ৰকাশ হ’ব নোখোজোঁ। হিন্দু মুছলমান দুয়ো মিলিহে এটা জাতি হোৱা সুবিধা।” কোৱা বাহুল্য যে আহমদৰ এই কথাখিনিৰ লক্ষ্য আছিল তেখেতৰ সমসাময়িক সমাজ-গনহে। ‘আমাৰ অৱস্থাৰ একাংশ’ত অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি লিখকৰ সমসাময়িক অসমীয়া মুছলমান সমাজৰ উদাসীনতা, মুছলমান নাৰীৰ মাজত শিক্ষাৰ অভাৱ হেতু সেই সমাজৰ অনগ্ৰসৰতা আৰু পশ্চিমীয়া শিক্ষা-সভ্যতাত ভোল গৈ হোৱা মুছলমান পুৰুষসকলৰ আত্মবিস্মৃতিত তেখেতে আক্ষেপ কৰিছে। ঐতিহাসিকসকলে সত্যৰ অপলাপ কৰা বা বিকৃত তথ্য পৰিৱেশন কৰা কাৰ্যই হিন্দু-মুছলমানৰ বিদ্বেষ ভাৱত তেতিয়া কেনেকৈ ইন্ধন যোগাইছিল, সেই কথা ‘হিন্দু-মুছলমানৰ বিদ্বেষ-ভাব’ প্ৰবন্ধত কোৱা হৈছে। ‘খ্ৰীষ্টিয়ান আৰু মুছলমান’, ‘যৱন’, ‘মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ’, ‘শ্ৰীমাধৱদেৱ আৰু মহাপুৰুষীয়া ধৰ্ম’ আদিৰ পৰিচয় প্ৰবন্ধকেইটাৰ নামতে আছে। আহমদে ‘মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ’ প্ৰবন্ধত “অসমৰ বুকুত জন্ম নোপোৱাহেঁতেন হয়তো শ্ৰীমন্ত শঙ্কৰক জগতৰ প্ৰত্যেকে জানিলেহেঁতেন” বুলি কোৱা কথাষাৰ নিশ্চয় প্ৰণিধানযোগ্য। তেখেতৰ ‘সঙ্গীত’ শীৰ্ষক প্ৰবন্ধটোত ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ জন্ম আৰু ক্ৰমবিকাশৰ ঐতিহাসিক পৰিচয় দাঙি ধৰা হৈছে। অনুশীলনীৰ অভাৱত, অৱহেলাৰ ফলত প্ৰাচীন অসমীয়া নৃত্য-গীতৰ মৃতপ্ৰায় অৱস্থা দেখি তেখেতে আক্ষেপ প্ৰকাশ কৰিছে। তেখেতৰ মতে “বঙলুৱা গানৰ প্ৰভাৱত মেৰ খাই অসমীয়াৰ সম্পত্তি বিজতৰীয়া”। অসমীয়া ভাষাত সঙ্গীত সম্পৰ্কীয় আলোচনাত এই প্ৰবন্ধটো এটা উল্লেখযোগ্য সংযোজন বুলি কব পাৰি। ‘গাওঁৰ কথা’ নামৰ আলোচনীত প্ৰকাশিত ‘অদ্ভুত ৰোগী’ শীৰ্ষক ৰচনা আত্মবিবৃতিমূলক অথচ ডিটেক্‌টিভ উপন্যাসোপম কাহিনী। আহমদৰ ব্যক্তিগত জীৱনৰ বহুতো কথাৰ আঁত উলিয়াব পাৰি—এই কাহিনীটোৰ পৰা।

এইবিলাকৰ উপৰি ‘মোৰ জীৱন-স্মৃতি’ নামেৰে মোছলেহউদ্দিনৰ আত্মজীৱনীমূলক গ্ৰন্থ এখন এতিয়াও অপ্ৰকাশিত অৱস্থাত আছে। কোনোবা সদাশয় ব্যক্তিয়ে বা কোনোবা প্ৰকাশন প্ৰতিষ্ঠানে এখেতৰ ৰচনাসমূহ পোহৰলৈ অনাৰ কথা ভাবিব নোৱাৰেনে ?

★ ★ ★

# বাসুদেৱীয় বিষ্ণু সম্প্ৰদায় আৰু অসমৰ দুখন বাসুদেৱীয় বিষ্ণুপীঠ

—ড° সৰ্বেশ্বৰ ৰাজগুৰু

( ২ )

**চতুৰ্দ্দশ পঞ্চদশ শতিকাৰ তামৰ শাসন আৰু লক্ষীমপুৰৰ চাওপৰা নৈৰ দাঁতিৰ বাসুদেৱৰ থান।**

উত্তৰ লক্ষীমপুৰৰ শ্ৰদ্ধেয় ৺সৰ্বেশ্বৰ বকৰাদেৱে "আসাম ৰিচাৰ্চ চ'চাইটীৰ মুখপত্ৰৰ ৩য় খণ্ডত (Journal of the Assam Research Society, Vol. III) "Some ancient Relics found in North Lakhimpur" (উত্তৰ লক্ষীমপুৰত পোৱা কিছুমান প্ৰাচীন ভগ্নাৱশেষ) নাম দি দুখন তামৰ ফলিৰ মূল পাঠসহ এটা প্ৰবন্ধ লিখিছিল। বকৰাদেৱে এই ভগ্নাৱশেষৰ বিষয়ে 'আৱাহন'তো এটা প্ৰবন্ধ লিখিছিল। ৰিচাৰ্চ চ'চাইটীৰ মুখপত্ৰত প্ৰকাশ হোৱা প্ৰবন্ধটোত বকৰাদেৱে তামৰ ফলি দুখনৰ উপৰিও ১৯ সেৰীয়া এটা ডাঙৰ ঘণ্টা, দুটা তাতেকৈ সৰু ঘণ্টাৰ বিষয়েও লিখিছিল। ইয়াত আমি তামৰ শাসন দুখনৰ কথাৰ লগতহে জৰিত।

বকৰাদেৱৰ উক্ত প্ৰবন্ধৰপৰা জনা যায় যে তামৰ শাসন দুখনৰ * প্ৰথমখন ঢকুৱাখানাৰ খিলামৰাৰ ওচৰৰ এখন বিলত পোৱা হৈছিল আৰু সেই ফলিখন ঘাৰমৰা গোসাঁয়ে কৰ্ণেল গৰ্ডন চাহাবক দিছিল। গৰ্ডন চাহাবে বহুত পণ্ডিতক ইয়াৰ পাঠ উদ্ধাৰ কৰিবলৈ দিয়ে; কিন্তু কোনোৱেই ইয়াৰ পাঠ উদ্ধাৰ কৰিবলৈ সক্ষম নহয়। ইয়াৰ কিছুকালৰ পাছত খিলামৰাত দ্বিতীয়খন তামৰ ফলি উদ্ধাৰ হয়। বকৰাদেৱে প্ৰথম আৰু দ্বিতীয় দুয়োখন তামৰ ফলি সংগ্ৰহ কৰি অশেষ কষ্ট আৰু অধ্যৱসায়েৰে তাৰ পাঠ উদ্ধাৰ কৰি "আসাম ৰিচাৰ্চ চ'চাইটী"ৰ মুখপত্ৰত উক্ত প্ৰবন্ধটো লিখে। প্ৰথমখন ফলিৰ পাঠ বহুত ঠাইত উদ্ধাৰ কৰিব নোৱাৰাকৈ ম্লান আৰু বিনষ্ট হৈ গৈছে; দ্বিতীয়খন তামৰ ফলি প্ৰথমখনতকৈ কিছু ভাল। উক্ত শাসন দুখনৰ পাঠৰ পৰা জনা গৈছে যে প্ৰথমখন তামৰ ফলি (শাসন) মধ্যাপুৰীত ৰজা নন্দীৰ পুত্ৰ ৰজা সত্যনাৰায়ণে ১৩১৪ শকত, অৰ্থাৎ

* একে অঞ্চলৰ পৰাই ৰজা সত্যনাৰায়ণে দান কৰা আৰু এখন তামৰ ফলি উদ্ধাৰ হোৱাৰ কথা বকৰাদেৱে পঞ্চম বছৰৰ 'মণিদীপ'ৰ ১ম সংখ্যাত উল্লেখ কৰিছিল।





১৩৯২ খৃষ্টাব্দত, ধৱলি নদীৰ তীৰত নাৰায়ণ নামৰ ব্ৰাহ্মণৰ পুত্ৰক ৬০০ পুটি (পুৰা ?) মাটি দান দিয়াৰ প্ৰসঙ্গ দিছিল আৰু দ্বিতীয়খন তামৰ শাসন ৰজা সত্যনাৰায়ণৰ পুত্ৰ ৰজা লক্ষ্মীনাৰায়ণে বাসুদেৱৰ পূজা কৰ্তাৰ বত শাণ্ডিল্য গোত্ৰীয় হৰিদেৱ নামৰ ব্ৰাহ্মণৰ পুত্ৰ ৰবিদেৱক ১৩২৩ শকত, অৰ্থাৎ ১৪০১ খ্ৰীষ্টাব্দত মাটি দান দিয়া প্ৰসঙ্গতে দিছিল। বকৰাদেৱৰ ওচৰত অসমবাসী কৃতজ্ঞ; কাৰণ তেখেতে উদ্ধাৰ কৰা পাঠেই অসমৰ হেৰাই যাবলৈ উপক্ৰম হোৱা সাংস্কৃতিক বুৰঞ্জীৰ এটা অতুলনীয় অধ্যায় উদ্ধাৰ কৰি ৰাইজৰ আগত মুকলি কৰি দিলে। যি কি নহওক, এই ফলি দুখনৰ পাঠেই প্ৰতিপন্ন কৰিছে যে কালিকা পুৰাণত উল্লেখ কৰা দিক্কৰবাসিনী অঞ্চলত থকা বাসুদেৱ বিষ্ণু, উক্ত তামৰ শাসনত উল্লেখ কৰা বাসুদেৱ বিষ্ণু আৰু বৰ্তমান লক্ষীমপুৰৰ চাওপৰা নৈৰ দাঁতিত থকা বাসুদেৱ বিষ্ণু একেখনেই বা নৱম-দশম শতাব্দীৰ কালিকা পুৰাণৰ যুগৰ পৰা বাসুদেৱ পীঠ বা বাসুদেৱ থানখন প্ৰায় একে অঞ্চলতেই আছে। এই বিষয়ে জানিবলৈ হ'লে আমি প্ৰথমেই তামৰ ফলি দুখনৰ মূল পাঠলৈ যাব লাগিব। আগতে কৈ অহা হৈছে যে প্ৰথমখন ফলিৰ পাঠ সম্পূৰ্ণৰূপে উদ্ধাৰ কৰিব পৰা হোৱা নাই। দ্বিতীয়খনতো দুই-এঠাইত পাঠ উদ্ধাৰ কৰিব পৰা নাই। উদ্ধাৰ কৰিব নোৱাৰা কিন্তু অনুমান কৰিব পৰা শব্দবোৰ বকৰাদেৱে বন্ধনীৰ ভিতৰত (আসাম ৰিচাৰ্চ চ'চাইটীৰ মুখপত্ৰৰ প্ৰবন্ধত) দিছে আৰু যিবোৰ শব্দ উদ্ধাৰ কৰিব পৰা নাই তাৰ ঠাইত তৰা (*) চিন দি থৈ গৈছে।

**ভৌগোলিক অৱস্থান আৰু দেৱ-দেৱীৰ কালৰ পৰা কালিকা পুৰাণ, তামৰ শাসন আৰু বৰ্তমানৰ বাসুদেৱৰ থান একেখনেই**

তামৰ ফলি দুখনত দান কৰা মাটিৰ সীমাৰ প্ৰসঙ্গত যি বৰ্ণনা দিছে তাৰ লগত কালিকা পুৰাণৰ দিক্কৰবাসিনী অঞ্চলৰ বাসুদেৱ পীঠৰ বৰ্ণনাৰ প্ৰসঙ্গত দিয়া বৰ্ণনাৰ মিল আছে। তদুপৰি ফলিৰ পাঠত দিয়া বৰ্ণনাই বৰ্তমানৰ বাসুদেৱৰ থানৰ ভৌগোলিক অৱস্থানৰেই এখন চিত্ৰ দাঙি ধৰিছে।

প্ৰথমখন তামৰ শাসনৰ মতে মধ্যাপুৰীৰ ৰজা নন্দীৰ পুত্ৰ ৰজা সত্যনাৰায়ণে ধৱলি নদীৰ তীৰত নাৰায়ণ নামৰ ব্ৰাহ্মণৰ পুত্ৰক (১৩১৪ শকত) ৬০০ পুৰা (পুটি) মাটি দান দিয়ে—"শতষট্পুটি সমিত ভূবম্ ×× দদৌ ভূপতি তস্মৈ নাৰায়ণ দ্বিজাত্মজে × × ধৱলি তীৰতঃ॥ (শাৰী ১৫।১৬) আকৌ ৰজাৰ আদেশত লুডুমিমাৰিত (পথাৰ) নাও ৰাখিবৰ কাৰণে দুই কুণ্ডাৱল (সম্ভৱ তেতিয়াৰ এটা মাটিৰ জোখ) নাও ৰখা ঠাই দান কৰে—"....নৃপাদেশাত্ দদৌ তেন লুডুমিমাৰীতি নামতঃ। ××× দ্বি কুণ্ডাৱল নৌ স্থলীম্" (৯ আৰু ২০ নং শাৰী)। এই একেখন শাসনতে ৩১ৰ পৰা ৩৪ নং শাৰীৰ ভিতৰত কোৱা হৈছে যে গোটাপৰা নামৰ প্ৰধান গাওঁখন পানীৰে (বিলেৰে ?) সৈতে আৰু নাও ৰাখিবৰ কাৰণে দুই কুণ্ডাৱল ভূমি সলনি হিচাপে দিয়া হ'ল। ৰজা প্ৰতাপ নাৰায়ণৰ আদেশত ব্যাঘ্ৰমাৰীত (পথাৰ) ৬০০ পুটি (পুৰা) মাটি দান কৰা হ'ল—"গোটাপৰা ইতি খ্যাতা গ্ৰামাগ্ৰণী ××× পৰিৱৰ্তা দদৌ তেন ব্যাঘ্ৰমাৰীতি নামতঃ শতষট্পুটিমিতৈৰ্ভূমিং প্ৰতাপ নাৰায়নো নৃপঃ॥" এই প্ৰথম ফলিখনত উল্লেখ কৰা দেৱ-দেৱীৰ কথা পাছলৈ থৈ ভৌগোলিক বৰ্ণনালৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে ইয়াত উল্লেখ কৰা ধৱলি নৈ উত্তৰ লক্ষীমপুৰৰ বৰ্তমানত ধল বা ধলা আৰু কালিকা পুৰাণৰ সিতগঙ্গা একেখনেই। ধলাৰ পাৰৰ 'ঘটাপৰা' গাৱেঁই ফলিত উল্লেখ কৰা 'গোটাপৰা'। ধ্বনিমূলক পৰিৱৰ্তন ঘটিয়েই যে 'গোটাপৰা' 'ঘটাপৰা' হৈছে সেইটো সহজেই অনুমেয় ফলিত উল্লেখ কৰা 'ব্যাঘ্ৰমাৰী' বৰ্তমানৰ 'বাঘমূৰি গাওঁ। দ্বিতীয়খন তামৰ শাসনত উল্লেখ কৰা দান

কৰা মাটিৰ সীমাৰ বৰ্ণনাই বৰ্তমানৰ বাসুদেৱৰ থানৰ ভৌগোলিক অৱস্থানৰ লগত সাদৃশ্য বিশেষভাৱে ৰক্ষা কৰিছে। এই মাটি ৰজা লক্ষ্মীনাৰায়ণে বিষুৱ সংক্ৰান্তিৰ দিনা, বাসুদেৱৰ পূজা অৰ্চনাত ৰত শাণ্ডিল্য গোত্ৰীয় * হৰিদেৱৰ পুত্ৰ বাসুদেৱক দিছিল। ফলি-থনৰ ৭ৰ পৰা ১২ নং শাৰীত কোৱা হৈছে ঃ "আশীত্ শাণ্ডিল্য বংশীয় সত্কৰ্মা পান্তকিল্বষঃ ধীমান্ কমল নাভীক্ষঃ মহাবাদী জিতেন্দ্ৰিয়ঃ॥ তস্যাত্মজো হৰিনাম্না বাসুদেৱাৰ্চনেৰতঃ তত্ মুহ্য ৰবি দেৱাখ্যঃ সোঽপি লোকপুৰস্কৃতঃ। এতস্মৈ শাসনপ্ৰদা লক্ষ্মী নাৰায়ণো নৃপঃ। উমৃক্ত বিষুৱে পুণ্যে ৰবিদেৱ দ্বিজন্মনে। ৰথানা গ্ৰাম মহিতং শতদ্বয়ং পুটিংমিদং॥" ইত্যাদি। ইয়াৰ পিছত এই মাটিৰ সীমাৰ সম্পৰ্কত কোৱা হৈছে যে ইয়াৰ পূৱত স্বৰ্ণদী; দক্ষিণে পকামাৰী, পশ্চিমত আঁহত গছ আৰু উত্তৰত চম্পাৱতী— "স্বৰ্ণদী পূৰ্বতঃ সীমো যাভ্যাং পোকামাৰী শ্ৰুতা॥ অশ্বথঃ পশ্চিমে চৈৱ চম্পাৱতী তথোত্তৰে।" ইয়াত উল্লেখ কৰা ৰথানা গাওঁ বৰ্তমানৰ ৰথামুখ, স্বৰ্ণদী সুৱণশিৰি, পোকামাৰী পকিমূৰী বিল আৰু চম্পাৱতী চাম্পৰা বা চাওঁপৰা নৈ বুলি সৰ্বেশ্বৰ বকৰাদেৱেও উল্লেখ কৰিছে। এইবোৰে স্পষ্টভাৱেই দেখুৱাই দিছে যে তামৰ শাসনত দান কৰা মাটিৰ বৰ্তমানৰ বাসুদেৱৰ থানকেই কেন্দ্ৰ কৰি দিয়া হৈছিল; গতিকে তামৰ শাসনৰ বাসুদেৱপীঠ বা বাসুদেৱ আৰু বৰ্তমানৰ বসুদেৱ থান একেখনেই। সৰ্বেশ্বৰ বকৰাদেৱে বৰ্তমানৰ বাসুদেৱৰ থানখনকে তামৰ শাসনৰ বাসুদেৱপীঠ বুলি স্পষ্টভাৱে উল্লেখ কৰি কৈছে: "গোহাঁই মৌজাত চাম্পৰা নৈৰ কাষত বাসুদেৱ বিষ্ণুৰ প্ৰখ্যাত থানখন আছে। ইয়াতে বাসুদেৱৰ এখন বিৰাট মূৰ্তি আছে। সুন্দৰ কলীয়া শিলত বিতোপন দক্ষতাৰে নিৰ্মিত এখন লেখতলবলগীয়া প্ৰতিমূৰ্তি। এই বিগ্ৰহৰ পূজাৰ উল্লেখ ১৩২৩ শকত লক্ষ্মীনাৰায়ণ ৰজাই শাণ্ডিল্য গোত্ৰী বাসুদেৱৰ পূজাত ৰত ৰবিদেৱ ব্ৰাহ্মণক সোৱণশিৰিৰ পশ্চিমে ব্ৰহ্মোত্তৰ মাটি দিয়া তামৰ ফলিত পোৱা যায়।" পবিত্ৰ অসম, ১৯৬০, পৃষ্ঠা-১৩।) এই বাসুদেৱৰ পীঠ আৰু বাসুদেৱপীঠৰ সম্পৰ্কত দান দিয়া ব্ৰহ্মোত্তৰ মাটিৰ ওপৰতেই ভিত্তি কৰি প্ৰত্নতত্ত্ববিদ পণ্ডিত সৰ্বেশ্বৰ বকৰাদেৱে এই মাটি দিয়া ৰজা সত্যনাৰায়ণ, লক্ষ্মীনাৰায়ণ আদিৰ ৰাজ্য বৰ্তমানৰ গোঁহাই গাওঁ মৌজাকে সামৰি উত্তৰ লক্ষীমপুৰলৈকে বিয়পি আছিল বুলি অনুমান কৰিছে। যেনে:—"মাটি দান দিয়া ঠাইৰ নাম আৰু ভৌগোলিক পৰিস্থিতিলৈ চাই,—বিশেষকৈ ফলিকেইখন ওলোৱা ঠাইলৈ মন কৰি আমি সহজে অনুমান কৰিব পাৰোঁ যে সেই ৰজাসকলৰ ৰাজ্যই বৰ্তমান ধেমাজী মাছখোৱা আৰু গোহাঁই গাওঁ মৌজাৰ অঞ্চল সামৰি আছিল আৰু সোৱণশিৰিৰ পশ্চিমেও উত্তৰ লক্ষীমপুৰ নগৰৰ ৬চৰলৈকে বিস্তাৰ লাভ কৰিছিল।" ("মণিদীপ, পঞ্চম বছৰ, তৃতীয় সংখ্যা, পৃষ্ঠা-২১২।) বকৰাদেৱে 'মণিদীপ'ৰ উক্ত প্ৰবন্ধত মাটি দান কৰা ৰজা সত্যনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণৰ 'চুতীয়া' ৰাজবংশৰ বুলি ঠাৱৰ কৰিবলৈ চেষ্টা কৰিছে; আমি অৱশ্যে সত্যনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণক চুতীয়া ৰাজবংশৰ বুলি ভাবিব পৰা নাই। অৱশ্যে ই এটা বেলেগ বিষয়।

প্ৰথম ফলিখনত উল্লেখ কৰা দেৱ-দেৱীসকলৰ পৰাও অনুমান কৰিব পৰা যায় যে এই বাসুদেৱ বিষ্ণুৰ পূজা কালিকাপুৰাণৰ মতেই তামৰ শাসন প্ৰদান কৰা যুগতো চলিছিল। প্ৰথম ফলিখনৰ আৰম্ভণিতে বিঘ্ননাশক গণেশক নমস্কাৰ কৰি দৈত্যাৰি (দিতিসুত নিবহং) বাসুদেৱ, ঈশান আৰু অম্বাৰ (তুহিনগিৰিসুতাং সুৰ্বন্দ্যামম্বাং) বন্দনা কৰা হৈছে।

* অসমৰ বাসুদেৱৰ থানৰ পূজাৰীজন শাণ্ডিল্য গোত্ৰীয় হোৱাটোও এটা মন কৰিবলগীয়া কথা; কাৰণ পঞ্চৰাত্ৰ সংহিতাত বাসুদেৱৰ স্বৰূপৰ বিষয়ে ব্যাখ্যা কৰোঁতাসকলৰ এজন শাণ্ডিল্য মুনি নিজেই।



এই শাৰীকেইটাৰ মাজত কেইবা ঠাইতো পাঠ উদ্ধাৰ কৰিব নোৱাৰা হৈছে। কালিকা পুৰাণত উল্লেখ কৰা বাসুদেৱ পূজাৰ লগত জড়িত পাঁচজন দেৱতাৰ ভিতৰত তামৰ ফলিত উল্লেখ কৰা বাসুদেৱ, ঈশান আৰু অম্বা এই তিনিজন দেৱ-দেৱীও আছে। গতিকে অনুমান কৰা হৈছে যে পাঠ উদ্ধাৰ কৰিব নোৱাৰা ঠাইত পঞ্চ দেৱতাৰ বাকী দুজন দেৱতা ব্ৰহ্মা আৰু ৰামৰ (সঙ্কৰ্ষণ) নাম আছিল। তদুপৰি তামৰ শাসনত উল্লেখ কৰা পূজাৰীও পঞ্চৰাত্ৰ সংহিতাৰ লগত জড়িত শাণ্ডিল্য গোত্ৰসম্ভূত।

কালিকা পুৰাণ আৰু তামৰ শাসনত দেখা আন এটা কথাৰ লগতো বৰ্তমানৰ বাসুদেৱ থানত প্ৰচলিত এটা কথাৰ সাদৃশ্য আছে। কালিকা পুৰাণত কোৱা হৈছে যে বাসুদেৱ বিষ্ণুৰপূজাৰ কাৰণে বসন্তকাল আৰু দ্বাদশী তিথি প্ৰশস্ত। তামৰ শাসনত দেখা গৈছে যে ৰজা লক্ষ্মীনাৰায়ণে বিষুৱ সংক্ৰান্তিৰ দিনা মাটি দান কৰি তামৰ শাসন দান কৰিছে। সম্ভৱতঃ সেইদিনা বাসুদেৱৰ থানত পূজা-পাৰ্বন বা মেলা উৎসৱ হৈছিল। বাসুদেৱৰ থানত বৰ্তমানেও চৈত্ৰ সংক্ৰান্তিৰ সময়ত ডাঙৰ মেলা বা উৎসৱ হয় আৰু তালৈ অসমৰ উপৰিও অসমৰ ওচৰ চুবুৰীয়া দেশৰ যাত্ৰী আহে। এই উৎসৱ বা মেলা কালিকা পুৰাণ যুগৰ বা তাতোকৈ আগৰ পৰাই নিশ্চয় পৰম্পৰাগতভাৱে চলি আহিছে। দৰং জিলাৰ বিভিন্ন ঠাইত থকা বাসুদেৱৰ থানবোৰতো বসন্তকালত বা চৈত্ৰ সংক্ৰান্তিৰ আগে-পাছে উৎসৱ আৰু বিষ্ণুপূজা হয়।

লক্ষীমপুৰৰ এই বাসুদেৱৰ থানত বাসুদেৱ বিষ্ণুৰ পূজা কিৰকমে হয় সেই বিষয়ে সবিশেষ জানিব পৰা নাযায়। কাৰণ প্ৰাকৃতিক বিপৰ্যয়, মানৱ আক্ৰমণ আদিৰ ফলত এই থান বিধ্বস্ত হোৱাত, বছৰৰ সৰহভাগ প্ৰায় পৰিত্যক্ত হৈ থাকে; মাত্ৰ চৈত্ৰ সংক্ৰান্তিৰ আগে-পাছে তালৈ তীৰ্থযাত্ৰীৰ আহ-যাহ বৃদ্ধি পায়। এনে অৱস্থাত থকা অৱস্থাতেই নৰোৱা সত্ৰৰ গোসাঁইসকলৰ এটা পৰিয়ালে ইয়াত থিতাপি লৈছিল বুলি সৰ্বেশ্বৰ বকৰাদেৱৰ পৰা জনা যায়। কিন্তু নৰোৱা সত্ৰৰ গোঁসাইসকল কায়স্থ মানুহ। গতিকে আগৰ পূজা-পদ্ধতি ইয়াত চলি থকা নাই। কিন্তু পৰম্পৰাগতভাৱে কালিকা পুৰাণৰ যুগৰ পৰা চলি অহা মেলা বা উৎসৱ চৈত্ৰ সংক্ৰান্তিৰ সময়ত বৰ্তমানেও হয়। তদুপৰি এই মূৰ্তিৰ আগত বৰ্তমানেও পায়স নৈবদ্য হিচাপে আগবঢ়োৱা হয় বুলি জানিব পৰা গৈছে। আমি আগতেই আলোচনা কৰি আহিছোঁ যে বাসুদেৱীয় সম্প্ৰদায়ে বলি বিধান প্ৰথাৰ বিৰোধিতা কৰিছিল আৰু দেৱতাৰ আগত নিৰামিষ জাতীয় শস্যৰ নৈবদ্যহে আগবঢ়াইছিল। কালিকাপুৰাণতো কোৱা হৈছে যে শালিধানৰ চাউলৰ নিৰামিষ ভোগ, পায়স, হবিষ্যান্ন আদি বাসুদেৱ বিষ্ণুৰ প্ৰিয় নৈবদ্য। অসমৰ আন আন বাসুদেৱৰ থানতো এনে ধৰণৰ নিৰামিষ শস্যজাতীয় পায়স, ভোগ আদি নৈবদ্য আগবঢ়োৱাৰ নিয়ম আছে। গতিকে এইটো নিঃসন্দেহ যে লক্ষীমপুৰৰ বাসুদেৱৰ থানত পৰমান্ন নৈবদ্য হিচাপে আগবঢ়োৱাৰ যি প্ৰথা চলি আহিছে সি কালিকাপুৰাণৰ যুগৰ পৰাই পৰম্পৰাগতভাৱে চলি অহা প্ৰথা। এইদৰেই ভৌগলিক অৱস্থান, দেৱ-দেৱী, পূজা-পাতল আৰু চলিত প্ৰথায়ো প্ৰমাণ কৰিছে যে কালিকাপুৰাণৰ যুগৰ দিক্কৰবাসিনী অঞ্চলৰ, তামৰ শাসনৰ যুগৰ আৰু বৰ্তমানৰ চামপৰা নৈৰ কাষত থকা বাসুদেৱৰ থান মূলতে একেখনেই।

### বিপৰ্যয়ৰ কবলত
### লক্ষীমপুৰৰ বাসুদেৱৰ থান

লক্ষীমপুৰ জিলাৰ এই ঐতিহ্যপূৰ্ণ বাসুদেৱৰ পীঠখনি কালিকাপুৰাণৰ যুগৰ পৰা, অৰ্থাৎ নৱম-দশম শতিকাৰ পৰা অষ্টাদশ শতাব্দীৰ শেষ ভাগলৈকে যথাবিহিতভাৱে চলি আহিছিল বুলি জানিব পাৰি। কাৰণ চতুৰ্দশ-পঞ্চদশ শতাব্দীৰ পিছত আমি এই বাসুদেৱ থানখনিৰ কথা আকৌ জানিবলৈ পাওঁ ১৮০০ খৃষ্টাব্দৰ

জন পেটাৰ ৰেড চাহাবৰ "An account of Assam" নামৰ গ্ৰন্থৰ পৰা। জন পেটাৰ ৰেড চাহাবৰ উক্ত গ্ৰন্থত উত্তৰ লক্ষীমপুৰৰ নবোৱা অঞ্চলৰ যিখন ঠাকুৰবাৰীৰ কথা কৈছে, সেইখনকেই চতুৰ্দশ-পঞ্চদশ শতিকাৰ বাসুদেৱৰ থানৰ তামৰ শাসনৰ পাঠ নিৰ্ণয় কৰা সৰ্ব্বেশ্বৰ বৰুৱাদেৱকে প্ৰমুখ্য কৰি ভালেমান পণ্ডিতে কালিকাপুৰাণ আৰু তামৰ শাসনৰ যুগৰ বাসুদেৱৰ পীঠ বুলি সিদ্ধান্ত কৰিছে। ৰেড চাহাবে অসমৰ ভৌগলিক বিবৰণৰ প্ৰসঙ্গত এই ঠাকুৰবাৰী বা বাসুদেৱ থানৰ বিষয়ে লিখিছে: "Naroa is a much smaller district, which does not exceed eight miles in length, and six in breadth. It is chiefly noted for a temple or Takoorbari ( Thakurbari )." গতিকে জন পেটাৰ ৰেড চাহাবে "An Account of Assam" লিখাৰ দিনলৈকে বা অষ্টাদশ শতাব্দীৰ শেষলৈকে বাসুদেৱৰ থানখন পুৰ্ণ পয়োভৰেৰে চলি আছিল।

কিন্তু অষ্টাদশ শতাব্দীৰ পাচত প্ৰাকৃতিক বিপৰ্যয়ৰ ফলত বা সম্ভৱতঃ মানৱ আক্ৰমণৰ ফলত বাসুদেৱৰ মঠ-মন্দিৰ ধ্বংস হয় আৰু বাসুদেৱ থানৰ সেই অঞ্চলটো পৰিত্যক্ত হয়। কালক্ৰমত বাসুদেৱৰ থানৰ চাৰিওফালে অগাধ অৰণ্য আৰু বেতনি হৈ পৰাত বাসুদেৱৰ থান দুৰ্গম হৈ পৰে। তথাপিও বাসুদেৱ থানৰ মাহাত্ম্য আৰু অলৌকিক প্ৰভাৱ অসমৰ জনসাধাৰণৰ অন্তৰৰ পৰা অন্তৰ্হিত হৈ যোৱা নাছিল। কোনো বিপদ-আপদত পৰিলে অসমৰ মানুহৰ বাসুদেৱৰ থানলৈ সোণৰ ফুল, ৰূপৰ ফুল আদি আগবঢ়োৱাৰ অভ্যাস। বাৰিষা বাসুদেৱৰ থানলৈ যাত্ৰী যাব নোৱাৰে; বাটত বনৰীয়া হাতীৰ ভয়। খৰালি যাত্ৰী বাসুদেৱৰ থানলৈ গৈ আগবঢ়োৱা বস্তু থানত দি থৈ আহেগৈ। বিষুৱ সংক্ৰান্তিৰ সময়ত বাসুদেৱৰ থানত মেলাও হৈছিল আৰু তালৈ অসমৰ বিভিন্ন অঞ্চলৰ আৰু ওচৰ-চুবুৰীয়া নেপাল, ভূটান আদি দেশৰ পৰাও যাত্ৰী আহিছিল। অসমৰ জনসাধাৰণৰ ওপৰত বাসুদেৱৰ থানৰ প্ৰভাৱ ইমান পৰিছিল যে বাসুদেৱৰ থানক লৈ পটন্তৰ যোজনা আদিও ৰচনা হৈছিল। যেনে: "বেতনিত ঔ পৰিল বাসুদেৱায় নমঃ।" বেতনিৰ মাজত পৰা ঔ টেঙা উদ্ধাৰ কৰি অনা সম্ভৱ নহয়, গতিকে তাক বাসুদেৱলৈ উচৰ্গা কৰাৰ বাহিৰে গত্যন্তৰ নাই। কিন্তু পটন্তৰটিয়ে লগতে বাসুদেৱ থানৰ চিত্ৰ এটিও দাঙি ধৰিছে। বাসুদেৱৰ থানলৈ যোৱা বাটত অগাধ বেতনি আৰু দাঁতিয়ে দাঁতিয়ে ঔ টেঙাৰ গছ। ফাগুন-চ'ত মহীয়া পকা ঔ টেঙা লুভীয়া যাত্ৰীয়ে ঔ টেঙা পাৰিলে বেতনিত পৰা ঔ টেঙাটি বাসুদেৱলৈকে উচৰ্গা কৰাৰ বাহিৰে তাক উদ্ধাৰ কৰাৰ উপায় নাই। আকৌ বিতৰলীয়া অসমীয়া ডেকাযো বাসুদেৱক লৈ যোজনা ৰচনা কৰিছে:

"উজাই নবোৱা ভটিয়াই বৰদোৱা
মাজত বাসুদেৱৰ থান।
লাগনী বিৰিখ ঐ লাগিবলৈ নাপালে
মুচুকাই ভাগিলে ডাল।"

যোজনাটিৰ পৰা এইটোও জনা গৈছে যে নবোৱা, বৰদোৱা আৰু বাসুদেৱৰ থান এই তিনিটা সম্পূৰ্ণ বেলেগ বেলেগ অনুষ্ঠান। উজনিত নবোৱা (লক্ষীমপুৰত), ভটিয়াই নগাঁৱত বৰদোৱা আৰু তাৰ মাজতে (লক্ষীমপুৰতে) বাসুদেৱৰ থান। যিকি নহওক, মধ্যযুগীয় জাক-জমকতা আৰু পয়োভৰৰ পৰা বঞ্চিত হৈ থকা এই বাসুদেৱৰ থানতে ঊনবিংশ শতাব্দীৰ আৰম্ভণিত, সম্ভৱতঃ দ্বিতীয়-তৃতীয় দশকত নবোৱা সত্ৰৰ অচ্যুতানন্দ গোস্বামী নামৰ জনৈক গোসাঁই (মহন্ত) গৈ থাকিবলৈ লয় আৰু তেওঁলোকৰ বংশৰ লোকেই বৰ্তমানেও চলাই মেলি আছে। কিন্তু বাসুদেৱৰ থানখন বা বাসুদেৱৰ মূৰ্তিখন নবোৱা সত্ৰৰ নহয়। তদুপৰি মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ লগত তান্ত্ৰিক পদ্ধতিৰ



চলা পঞ্চৰাত্ৰীয় বাসুদেৱীয় সম্প্ৰদায় এই বাসুদেৱ থানখনৰ লগত বা ইয়াৰ কলীয়া শিলৰ চতুৰ্ভুজ প্ৰকাণ্ড (প্ৰায় ১৬ জন মানুহে কঢ়িয়াই নিব পৰা) মূৰ্তিখনৰ কোনো সম্বন্ধ নাই। এই প্ৰসংগত এইটোও মনত ৰাখিবলগীয়া কথা যে এই মূৰ্তিখনৰ লগত দৌল, দেৱালয় বা প্ৰাচীন থানৰ পৰম্পৰাৰ লগতহে সম্বন্ধ আছে; সত্ৰৰ লগত বা সত্ৰৰ উপাস্য কঁহৰ, পিতলৰ ৰূপৰ বা সোণৰ বিগ্ৰহৰ লগন সম্বন্ধ নাই। অধিকন্তু মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ সত্ৰত চতুৰ্ভুজ বিষ্ণুমূৰ্তি থাকিলেও উপাস্য বিগ্ৰহ চতুৰ্ভুজ বিষ্ণু নহয়, দ্বিভুজ কৃষ্ণহে আৰু নৱ-বৈষ্ণৱ আন্দোলনৰ দ্বাৰাই প্ৰৱৰ্তিত বৈষ্ণৱ সত্ৰত এনে দ্বিভুজ কৃষ্ণমূৰ্তিহে 'যাদৱ ৰায়', বংশীবদন, 'গোবিন্দ' আদি নামত উপাস্য বিগ্ৰহ হিচাপে আছে। অৱশ্যে দ্বিভুজ কৃষ্ণক চতুৰ্ভুজ বিষ্ণু ৰূপেও চিন্তা কৰা হয়। গতিকে উত্তৰ লক্ষীমপুৰ এই বাসুদেৱৰ থানখন অসমৰ এখন অতি লেখত লবলগীয়া প্ৰাচীন বাসুদেৱৰ থান। ইয়াৰ ইতিহাস অতি কমেও কালিকা পুৰাণৰ, অৰ্থাৎ নৱম-দশম শতাব্দীৰ পৰা পোৱা হৈছে। এই বাসুদেৱৰ মূৰ্তিখন অসমৰ এখন অতি মূল্যবান মূৰ্তি আৰু ঐতিহাসিক সম্পদ। এই বাসুদেৱৰ থানৰ ইতিহাসক অৱলম্বন কৰি গৱেষণা কাৰ্য চলালে অসমৰ আৰু প্ৰাচীন তথ্য, বিশেষকৈ কিম্বদন্তীৰ নিচিনা হৈ থকা অসমৰ প্ৰাচীন কলিতা ৰাজ্যৰ কিছু তথ্য উদ্ঘাটন হ'ব পাৰে বুলি আমাৰ পুৰা বিশ্বাস।

**গনককুছি আৰু**
**পাটবাউসী সত্ৰৰ মাজৰ বাসুদেৱৰ থান**

ৰজাঘৰৰ পৰা পৃষ্ঠপোষকতা কৰি পূজা-সেৱা চলোৱাৰ সম্পৰ্কত মাটি-বাৰী সেৱকীয়া আদি দি তামৰ ফলি দান কৰা দুখন বাসুদেৱৰ থানৰ কথা আগত উল্লেখ কৰি অহা হৈছে। তাৰে প্ৰথমখনৰ কথা আলোচনা কৰা হৈ গৈছে। এতিয়া আমি দ্বিতীয়খনৰ, অৰ্থাৎ সুন্দৰী দিয়াৰ ওচৰৰ গনককুছি আৰু পাটবাউসী সত্ৰৰ মাজত থকা বাসুদেৱৰ থানখনৰ কথা আলোচনা কৰিব খোজোঁ।। এই বাসুদেৱৰ থানখনৰ সম্বন্ধে আৰু সমল ডঃ মহেশ্বৰ নেওগদেৱে সম্পাদনা কৰা আৰু অসম সাহিত্য সভাই প্ৰকাশ কৰা "পৱিত্ৰ অসম"ৰ ( ১৯৬০, প্ৰথম প্ৰকাশ, পৃষ্ঠা ২২৮-২৯ দ্ৰষ্টব্য ) পৰাই পোৱা হৈছে। "পৱিত্ৰ অসম"ত এই বাসুদেৱৰ থানখনৰ শীৰ্ষক "ন সত্ৰ ( বাসুদেৱৰ থান )"—এনেদৰে দিয়া হৈছে, ভিতৰৰ বৰ্ণনাতো বাসুদেৱৰ থানখনক নৱ-বৈষ্ণৱ যুগৰ এখন সত্ৰ বুলি প্ৰতিপন্ন কৰিবলৈকে বিশেষভাৱে চেষ্টা কৰা যেন পৰিলক্ষিত হৈছে। সন্নিৱিষ্ট তথ্যখিনি ইতিহাসসম্মতভাৱে বিচাৰ-বিশ্লেষণ কৰি চালে এইখন মূলতে এখন প্ৰাচীন বাসুদেৱীয় সম্প্ৰদায়ৰ বাসুদেৱ বিষ্ণুৰ পীঠ বা বাসুদেৱৰ থান বুলিহে বিবেচিত হয়। অৱশ্যে ইয়াৰ দলৈসকলে বা পূজাৰীসকলে পৰৱৰ্তীকালত গোসাঁই হৈ শিষ্য ভজাবলৈও লব পাৰে আৰু সেইটো যদি হয় তেনেহ'লে সি অৰ্বাচীন কাৰ্য হ'ব। তদুপৰি "পৱিত্ৰ অসম"ত যিখন তামৰ শাসনৰ কথা উল্লেখ কৰা হৈছে সেইখন সত্ৰৰ সম্পৰ্কত সত্ৰৰ মেধি বা অধিকাৰক দিয়া তামৰ শাসন নহয়—বাসুদেৱ পীঠ বা বাসুদেৱ থানৰ সম্পৰ্কত থানৰ দলৈক বাসুদেৱৰ পূজা-সেৱা চলোৱাৰ সম্পৰ্কত দিয়া তামৰ শাসনহে। সন্নিৱিষ্ট তথ্যখিনিৰ ভিতৰত ইতিহাস বিৰুদ্ধ, ভুল আৰু অযুক্তিসংগত তথ্যও আছে।

উক্ত বাসুদেৱৰ থান বা "ন সত্ৰ"ৰ সম্পৰ্কত "পৱিত্ৰ অসম"ত সন্নিৱিষ্ট প্ৰণিধান যোগ্য কথাখিনি তলত উদ্ধৃত কৰা হল:

(১) 'বৰপেটা সত্ৰৰ পৰা দুমাইল দক্ষিণ-পুবে, গনককুচি আৰু পাটবাউসী সত্ৰৰ মাজত 'ন সত্ৰ' বুলি এখনি সত্ৰ (?) আছে।* *। কীৰ্তন ঘৰৰ পূৱ মুখত থকা ভঁাজ ঘৰত এখন ক'লা শিলৰ ডাঙৰ চতুৰ্ভুজ বাসুদেৱ মূৰ্তি আছে।** (২) সত্ৰৰ

**বৰ্তমান মালিক মেধিয়নীৰ ( ? ) হাতত পূৰ্বৰ পেৰা কাকতৰ ( ? ) এটা নকল ( ? ) পোৱা যায়। তাৰ পৰা তলত লিখা কথাবিলাক জানিব পাৰি। * * স্বৰ্গদেউ শিৱসিংহৰ দিনত সকজনা দুৱৰা বৰফুকনে ৰঘুনন্দন চক্ৰৱৰ্তীক সেই সত্ৰৰ মেধি পাতি ( ? ) নাম ধৰ্ম প্ৰবৰ্তাই থাকিবলৈ দিয়ে। * * (৩) মেধিয়নীৰ হাতত সকজনা দুৱৰা বৰফুকনে ১৬৩৯ শকত বাসুদেৱ গোসাঁইৰ সেৱা-পূজা চলাবৰ কাৰণে দিয়া ব্ৰাহ্মণ, কলিতা, কৈৱৰ্ত, কোচ, বৈশ্য, কায়স্থ, সাও, চণ্ডাল, হাৰি, পাইকৰ নাম থকা ( ১০৬ গোট ) ৮$\frac{৩}{৪}$×১৮$\frac{১}{২}$ বৰ্গ ইঞ্চিৰ এখন তামৰ ফলি আছে। সেই ফলিত ৰঘুনন্দন চক্ৰৱৰ্তীক দলৈ আৰু বনমালী জয়াক ( কলিতা ) ভাণ্ডাৰী বুলি লিখিছে। স্বৰ্গদেউ শিৱসিংহই দান কৰা বহুত মাটি এই সত্ৰত ( ? ) আছে। এই সত্ৰত ( ? ) পকা ভোগ চৰোৱাৰ নিয়ম আছে আৰু ভঁৰাল ঘৰৰ উত্তৰ ফালৰ কোঠাত ভোগ বান্ধে।"** পবিত্ৰ অসম— ৯৬০, পৃষ্ঠা ২২৮-২৯ )

ওপৰত উদ্ধৃত ১নং আৰু ৩নং উদ্ধৃতিয়ে এইখন এখন প্ৰাচীন বাসুদেৱীয় সম্প্ৰদায়ৰ বাসুদেৱ পীঠ বুলিয়েই প্ৰতিপন্ন কৰিছে। অৱশ্যে ইয়াৰ পূজাৰী বা দলৈয়ে যদি আগত উল্লেখ কৰি অহাৰ দৰে গোসাঁইৰ দায়িত্ব গ্ৰহণ কৰি শিষ্য ভকোৱাৰ কামো হাতত লৈছে, তেনেহলে সেয়া অৰ্বাচীন বা পৰৱৰ্তী কালৰ কথা। মূলতে যে এইখন বাসুদেৱীয় বিষ্ণু পীঠ সেই কথা ৩নং উদ্ধৃতিত উল্লেখ কৰা ইয়াৰ মালিকসকলৰ হাতত থকা তামৰ ফলিখনে প্ৰমাণ কৰিছে; কাৰণ ফলিখনৰ মতে এই তামৰ ফলি মালিক দলৈয়ে ( ৰঘুনন্দন চক্ৰৱৰ্তীয়ে ) আহোম ৰজা শিৱসিংহৰ তৰফৰ পৰা বাসুদেৱ গোসাঁইৰ পূজা-সেৱা চলোৱাৰ কাৰণে মাটি-বাৰী আদি দান কৰা প্ৰসংগত পোৱা। ২নং উদ্ধৃতিত উল্লেখ কৰা কথাখিনিয়ে এই থানখনক মূলতে নৱ-বৈষ্ণৱীয় সত্ৰ বুলি কবলৈ চেষ্টা কৰিছে; কিন্তু কথাখিনি ইতিহাস বিৰুদ্ধ, জোৰা তাপলি দিয়া আৰু ৩নং উদ্ধৃতিৰ বিৰুদ্ধাচৰণ (Contradict) কৰিছে। ৩নং উদ্ধৃতিৰ কথাখিনি ইতিহাসসন্মত আৰু যুক্তিসংগত। দৰাচলতে ৩নং উদ্ধৃতিত উল্লেখ কৰা ৮$\frac{৩}{৪}$×১৮$\frac{১}{২}$ বৰ্গ ইঞ্চিৰ তামৰ শাসনখনৰ কথা থকাটো উক্ত ইতিহাসসন্মত কথাৰ বিৰোধী ২নং উদ্ধৃতিত উল্লেখ কৰা নকল পেৰা কাকতৰ ( মূল original পেৰা কাকত নহয় ) যুক্তিহীন ইতিহাস বিৰোধী কথাখিনি অসম সাহিত্য সভাই প্ৰকাশ কৰা "পবিত্ৰ অসম"ৰ নিচিনা এখন গ্ৰন্থত ঠাই পোৱাৰ কোনো যুক্তি নাছিল বুলিও আমি বিবেচনা কৰোঁ।

২নং উদ্ধৃতিৰ কথাখিনি কিয় ইতিহাস বিৰুদ্ধ, জোৰা-তাপলি দিয়া আৰু অযুক্তিসংগত বুলি আমি কব খুজিছোঁ, সেই বিষয়ে আমাৰ প্ৰথম যুক্তি হ'ল (১) এই কথাখিনি প্ৰামাণ্য ঐতিহাসিক তথ্য নহয়; কাৰণ মেধিয়নীৰ হাতত থকা বুলি কোৱা পেৰা কাকতৰ এই কথাখিনি এখন নকল পেৰা কাকতৰহে, ৰজাঘৰৰ ছাব-মোহৰ থকা original পেৰা কাকতৰ নহয়। গতিকে ৮$\frac{৩}{৪}$×১৮$\frac{১}{২}$ বৰ্গ ইঞ্চিৰ তামৰ শাসনত কথাৰ বিৰোধী এই নকল পেৰা কাকতখনৰ কথা মূল্যহীন, (২) ২নং উদ্ধৃতিৰ নকল পেৰাকাকতৰ এই কথাখিনিত সত্ৰৰ বৰ্তমান মালিক মেধিয়নী (?) বুলি অভিহিত কৰিছে। এইষাৰ কথাও সন্দেহযুক্ত; কাৰণ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তিত সত্ৰৰ মালিক মেধিয়নী বা সত্ৰাধিকাৰিণীৰ পৰম্পৰা এটা বিশেষ দেখা নাযায়। (৩) তৃতীয়তে ২নং উদ্ধৃতিত শেষৰ ফাঁকীত কোৱা হৈছে যে "স্বৰ্গদেউ শিৱসিংহৰ দিনত সকজনা দুৱৰা বৰফুকনে ৰঘুনন্দন চক্ৰৱৰ্তীক সেই সত্ৰৰ মেধি পাতি নাম ধৰ্ম প্ৰবৰ্তাই থাকিবলৈ দিয়ে।" এই ফাঁকী







কথাও ইতিহাস বিৰুদ্ধ আৰু যুক্তিহীন যেন লাগিছে; কাৰণ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তিত সত্ৰবোৰত মেধি বা সত্ৰাধিকাৰ ৰজা বা ৰজাৰ বিষয়াই পতাৰ কোনো পৰম্পৰা বা নীতি নাই বুলিয়েই আমি এতিয়ালৈকে জানো। অৱশ্যে ৰজা বা ৰজাৰ আদেশত ৰজাৰ বিষয়াই দল, দেৱালয়, থান (পীঠ) আদিৰ বিষয়া নিয়োগ কৰাৰ কথা আমি জানো বা তেনে ঐতিহাসিক তথ্য আছে। সত্ৰৰ অধিকাৰ বা মেধি, সত্ৰৰ অধিকাৰ, ভকত-বৈষ্ণৱ শিষ্যৰ প্ৰতিনিধিয়ে পাতে আৰু ৰজাঘৰৰ পৰা তাত অনুমোদন জনোৱা হয়। কিন্তু ৰজা বা ৰজাঘৰৰ বিষয়াই প্ৰত্যক্ষভাৱে কোনো সত্ৰৰ অধিকাৰ বা মেধি পতাৰ নিদৰ্শন নাই। গতিকে ২নং উদ্ধৃতিত উল্লেখ কৰা নকল পেৰা কাকতৰ এই কথাখিনি ইতিহাস বিৰুদ্ধ; এই কথাখিনিয়ে ঐতিহাসিক তথ্য উদ্ধাৰ কৰাত সহায় কৰাৰ পৰিবৰ্তে সত্যক ঢাকিবৰ কাৰণেহে, বিশেষকৈ ৩নং উদ্ধৃতিত উল্লেখ কৰা ৮$\frac{৩}{৪}$×১৮$\frac{১}{২}$ বৰ্গ ইঞ্চিৰ তামৰ ফলিৰ ইতিহাসসন্মত সত্য কথাখিনিক ঢাকি ৰাখিবৰ কাৰণেহে অপচেষ্টা কৰিছে। গতিকে আমাৰ ধাৰণা যে ২নং উদ্ধৃতিত উল্লেখ কৰা নকল পেৰাকাকতখন আৰু তাৰ কথাখিনি 'নকলী'। ৩নং উদ্ধৃতিৰ তামৰ ফলিখন আৰু তাৰ কথাখিনিহে 'আচলী' আৰু সেয়ে এইখন প্ৰাচীন বাসুদেৱীয় সম্প্ৰদায়ৰ বাসুদেৱৰ পীঠ। ইয়াৰ দলৈ বংশৰ লোকসকলে যদি গোসাঁই হৈ ধৰ্ম প্ৰচাৰকৰ ভূমিকা গ্ৰহণ কৰিছে, তেনেহ'লে সেয়া অৰ্বাচীন কথা। মূঠতে গণককুছি আৰু পাটবাউসীৰ মাজত থকা এই বাসুদেৱৰ থানখন এখন প্ৰাচীন বাসুদেৱীয় সম্প্ৰদায়ৰ বাসুদেৱৰ থান। ইয়াত ভোগ চৰোৱাৰ যি পৰম্পৰা আছে সিও ইয়াক মূলতে নৱ-বৈষ্ণৱ যুগৰ এখন সত্ৰতকৈ প্ৰাচীন পঞ্চৰাত্ৰীয় সম্প্ৰদায়ৰ লগত জড়িত বাসুদেৱ পীঠ বুলিহে প্ৰতিপন্ন কৰিছে।

তামৰ শাসন থকা এই দুয়োখন বাসুদেৱৰ থানকে আমি যেনেকে প্ৰাচীন বাসুদেৱীয় সম্প্ৰদায়ৰ বাসুদেৱ পীঠ বুলি প্ৰতিপন্ন কৰিছোঁ, সেইদৰে এই দুয়োখন থানকে নৱ বৈষ্ণৱ আন্দোলনৰ সত্ৰ বুলিও 'দুই একে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰাৰ কথা আমাৰ ওপৰত কৰা আলোচনাত ইংগিত দিয়া হৈছে। যিসকলে এই বাসুদেৱ পীঠ দুখনক সত্ৰ বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে তেখেতসকলে কেনে যুক্তি আৰু তথ্যৰ ওপৰত ভিত্তি কৰি সেই চেষ্টা কৰিছে সেয়াও বাইজে বিচাৰ কৰি চোৱা উচিত; তেখেতসকলৰ সেই যুক্তি, তথ্য আৰু চেষ্টাৰ পৰা বাইজে অসমত বৰ্তমান পুৰাতত্ত্ব আৰু বুৰঞ্জীৰ চৰ্চাত কেনে চিন্তাধাৰাই প্ৰবেশ লাভ কৰিছে তাৰো ইংগিত পাব।

# ডিমাছা কছাৰীসকলৰ সামাজিক জীৱন

(অতীত আৰু বৰ্তমান)

শ্ৰীএচ. আৰ. থাওচেন

ডিমাছা কছাৰী, অসম তথা পূৰ্ব ভাৰতৰ আদিম অধিবাসীসকলৰ ভিতৰত অন্যতম। বৰ্তমান তেওঁলোকে প্ৰধানকৈ উত্তৰ কাছাৰ পাহাৰ জিলা, কাছাৰ জিলা, নগাওঁ, মিকিৰ পাহাৰ আৰু নগাভূমিৰ ডিমাপুৰ অঞ্চলত বাস কৰে। সৰ্বমুঠ ডিমাছাসকলৰ বৰ্তমান জনসংখ্যা প্ৰায় লক্ষৰ ওচৰা-ওচৰি। ইয়াৰ বাহিৰেও পূৰ্ব ভাৰতৰ বড়ো, মেছ, গাৰো, হাজং, ত্ৰিপুৰী, ৰাভা, দেউৰী, টেঙ্গাল আৰু সোনোৱাল প্ৰভৃতি উপজাতিবিলাকৰ লগত ডিমাছাসকলৰ আকৃতি, প্ৰকৃতি আৰু ভাষাগত যথেষ্ট সাদৃশ্য আছে। নৃতাত্ত্বিক-সকলে স্থিৰ কৰিছে যে সুদূৰ অতীতত এওঁলোক সকলোৱেই তিব্বত আৰু মঙ্গোলীয় জাতিৰ অন্তৰ্ভুক্ত আছিল।

এই ডিমাছা কছাৰী জাতিৰ অতীত ঐতিহ্য গৌৰৱময় আছিল। ঐতিহাসিকসকলে স্বীকাৰ কৰিছে যে তেওঁলোকে এসময়ত অসমৰ সকলোতে আনকি বৰ্তমান বাংলা দেশৰ কৰতোৱা নদীলৈকে নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। পৰৱৰ্তী কালৰ ডিমাপুৰ, মাইবং, খাচপুৰ প্ৰভৃতি ৰাজধানীত নিৰ্মিত ৰাজ-প্ৰাসাদৰ কাৰুকাৰ্য, স্বৰ্ণ, ৰৌপ্য মুদ্ৰা ইত্যাদিত তেওঁলোকৰ শিল্প দক্ষতা আৰু যুগ সভ্যতাৰ সাক্ষী বহন কৰিছে। কিন্তু এই জাতিৰ সামাজিক তথা ধৰ্মীয় জীৱন সম্পৰ্কে কোনো তথ্যমূলক আলোচনা আজিলৈকে ক'তো হোৱা নাই।

### উপাস্য দেৱ-দেৱীৰ আৱিৰ্ভাৱ (সৃষ্টি তত্ত্ব)

ডিমাছাসকলৰ প্ৰচলিত কাহিনীমতে ডিমাছা জাতিৰ প্ৰথম সৃষ্টি হৈছিল ডিলাওব্ৰা সাংগীব্ৰতত অৰ্থাৎ ডিলাও আৰু সাংগী নদীৰ সঙ্গম স্থলত। ভৌগলিক বিৱৰণমতে উক্ত স্থানটো নিঃসন্দেহে ব্ৰহ্মপুত্ৰ আৰু তাৰ আশে পাশে থকা সাংষি বা সাংগী নদীৰ সঙ্গম স্থল, বৰ্তমান শিৱসাগৰ চহৰৰ পৰা প্ৰায় ১২ মাইল উত্তৰত। ডিমাছাসকলে ব্ৰহ্মপুত্ৰ নদীক "ডিলাও" অৰ্থাৎ "দীঘল" নদী বুলি কৈছিল। পুৰাণৰ মতে "তিলাও," ডিলাও শব্দৰ অপভ্ৰংশ হ'ব পাৰে। উপাখ্যানৰ মতে এই ডিলাওব্ৰা, সাংগী-ব্ৰততেই "বাংলা ৰজা" আৰু তাৰিখীমা নামৰ এজন জনপুৰুষ আৰু অন্যজন স্ত্ৰীৰ প্ৰথম সৃষ্টি হৈছিল। বঙালী ৰজা তাৰিখীমা, সেই খিনিতেই ৭টা ডিম্ব প্ৰসৱ কৰে। এই ডিম্ববোৰৰ প্ৰথমৰ পৰা ষষ্ঠলৈকে ফুটিয়ে জ্যেষ্ঠ শিব্ৰাঈ (শিৱ) সহ যথাক্ৰমে ছজন





মনুষ্য বা দেৱতাৰ জন্ম হয়। অৱশিষ্ট সপ্তম ডিম্বৰ পৰা মাত্ৰ এজনেই নহয় আন বহু অপদেৱতা-দেৱীৰ আৱিৰ্ভাৱ হৈছিল।

উপৰোক্ত প্ৰথমৰ পৰা ষষ্ঠলৈকে ডিম্বজাত দেৱতা-সকলেই ডিমাছাসকলৰ আদি পুৰুষ আৰু তেওঁলোকৰ পূৰ্বপুৰুষ পুত্ৰ আৰু কন্যাসকলেই এতিয়া ডিমাছা-সকলৰ উপাস্য দেৱতা—দেৱী। প্ৰত্যেক ডিমাছাসকলৰ ঘৰত তেওঁলোকক এতিয়াও পূজা কৰা হয়। সপ্তম ডিম্বজাত অপদেৱতা-দেৱীসকলেই ৰোগ শোকৰ কাৰণ। পাৰিবাৰিক অথবা সামাজিক জীৱনত তেওঁ-লোককো বেলেগভাবে পূজা কৰা হয়।

কিন্তু এই কিংবদন্তীৰ মৰ্মাৰ্থ এয়ে নহয় যে ডিলাওব্ৰা সাংগীব্ৰাততে ডিমাছাসকলৰ সৃষ্টি হৈছিল। ই সংস্কাৰগত সামাজিক ক্ৰমবিকাশৰ কাহিনী মাত্ৰ। আদিম সংস্কাৰবিহীন জীৱনৰ পৰা অধিক সংস্কাৰযুক্ত তান্ত্ৰিক সভ্যতাৰ ৰূপান্তৰেই আছিল এই যুগ। ডিমাছাসকলৰ পুৰোহিতসকলে উচ্চাৰণ কৰা মন্ত্ৰৰ পৰা এই যুক্তিৰ সমৰ্থন পোৱা যায়। যেনে—"ডিলাওব্ৰা সাংগীব্ৰাহা মেলমা কামৃহি মেলসা কামৃহি মাডাঙ্গগিৰি মাডাঙ্গ সাংসাইবা সাংগাঙ্গিগিৰি সাগাঙ্গি সাংসাঙ্গিবা। জঠাই-গিৰি জঠাই সাংসাঙ্গিবা বাৰোৱাগিৰি বাৰোৱা সাংসাঙ্গিবা।" অৰ্থাৎ "ডিলাওব্ৰা সাংগীব্ৰাতৰ অৱস্থান কালত যেতিয়া ডিমাছসকলৰ মাজত কোনো দেৱ-দেৱীৰ বা পুৰোহিতৰ অস্তিত্ব নাছিল তেতিয়া সক-লোৰে সভা-সমিতি বহি এই সকলোবোৰৰ সৃষ্টি কৰা হৈছিল। অকল মাত্ৰ দেৱ-দেৱীয়েই নহয়, সামাজিক বহু ৰীতি-নীতিৰ উন্মেষ ঘটিছিল এই ডিলাওব্ৰা সাংগীব্ৰততেই। ডিমাছাসকলৰ পূজা পদ্ধতি সম্পূৰ্ণ তান্ত্ৰিক—বৈষ্ণৱসকলৰ কীৰ্তন নহয়। বৈদিক-সকলৰ হোম্ আৰু যজ্ঞতো নহয়েই। এই সম্বন্ধে পিছত আলোচনা কৰিম।

### পিতৃ-মাতৃ বংশ

ডিমাছা সমাজত পিতৃ-মাতৃ উভয়ৰেই বংশ বা clan আছে। বিবাহাদি সামাজিক সম্পৰ্ক স্থাপন প্ৰভৃতি বিষয়ত উভয় জাতিৰেই বংশগত প্ৰাধান্য স্বীকৃত। অৰ্থাৎ যি কোনো ডিমাছা ল'ৰাই তেওঁৰ পিতৃ অথবা মাতৃ বংশৰ কোনো ছোৱালীক বিয়া কৰাব নোৱাৰে। এই অসবৰ্ণ বিবাহৰ সামাজিক ৰীতি, নৃতত্ত্ব ভাষাত যাক বোলে "clan exogamy"। ই মাত্ৰ ডিমাছাসকলৰে নহয়, ই আছিল সকলো মানৱ জাতিৰ। বংশৰ ধাৰাক জীয়াই ৰখাৰ প্ৰৱণতা মানৱ জাতিৰেই এটা ধৰ্ম। কিন্তু ডিমাছা সমাজত ইয়াৰ প্ৰচলন ঠিক বিপৰীত। অন্যান্য পাৰ্বত্য জাতিৰ সমাজত পিতৃ-মাতৃৰ দূৰ সম্পৰ্কীয় নিজৰ বংশৰ মাজত বিবাহ সম্বন্ধ কৰে বংশৰ ধাৰাক জীয়াই ৰাখিবৰ কাৰণে। কিন্তু ডিমাছা সমাজত ই নিষিদ্ধ। বৰ্তমান ডিমাছা সমাজত যি ৪০টা পিতৃ বংশ আৰু ৪২টা মাতৃ বংশ বা clan আছে সেইবিলাক কেতিয়া কি উদ্দেশ্যে গঠিত হৈছিল আৰু বৰ্তমান ইয়াৰ কি ৰূপান্তৰিত হৈছে সেই কথা এতিয়ালৈকে বহুতেই বুজিব পৰা নাই।

আগতেই কৈছো, পিতৃ-কুলৰ দ্বাৰা পুত্ৰৰ পৰিচয় আৰু মাতৃ-কুলৰ দ্বাৰা কন্যাৰ, ই মানৱ জাতিৰ এটা চিৰন্তন ৰীতি। কিন্তু আলোচিত ডিমাছাসকলৰ পিতৃ-মাতৃ বংশৰ উৎপত্তি আৰু বিস্তৃতি সম্বন্ধে এটা ঐতিহাসিক কাৰণ আছে। উল্লেখিত পূৰ্বোক্ত বংশ পৰম্পৰাৰ উত্তৰাধিকাৰ সূত্ৰত প্ৰাপ্ত বংশ পৰিচয়ৰ লগত এই সকলোৰে সম্পৰ্ক অতি সামান্য।

বুৰঞ্জীবিদ্ ছাত্ৰ মাত্ৰেই ক'ব পাৰিব যে অপৰাজেয় ধৰ্মশাস্ত্ৰবিদ্ শঙ্কৰাচাৰ্যই বেদান্ত প্ৰচাৰ কৰিবৰ কাৰণে ভাৰতবৰ্ষৰ চাৰিকোণত চাৰিটা অদ্বৈত মঠ প্ৰতিষ্ঠাৰ পিছত, ধাৰ্মিক পণ্ডিতসকল আৰু সমসাময়িক হিন্দু ৰজাবিলাকে বহুত শতাব্দী ব্যাপি কিভাবে প্ৰবল প্ৰতাপত ভাৰতত আনকি ভাৰতৰ বাহিৰত হিন্দুধৰ্ম প্ৰচাৰ কৰিছিল। এই হিন্দুধৰ্ম প্ৰচাৰকসকলে নানা কাৰণত সম্ভৱতঃ বৌদ্ধ আৰু ইছ্লাম ধৰ্মৰ লগত প্ৰতিযোগিতাৰ কাৰণে পূৰ্ব ভাৰতৰ তান্ত্ৰিক মতাৱলম্বী

শাসকসকলক তেওঁলোকৰ বৰ্ণাশ্ৰম ধৰ্মত দীক্ষিত কৰিবলৈ চেষ্টা কৰিছিল। কোৱা বাহুল্য যে তাৰেই ফলস্বৰূপে ডিমাছা শাসকসকলে নিজকে মহাভাৰতৰ নায়ক ভীমৰ বংশজাত ক্ষত্ৰিয় হিন্দু বুলি চিনাকি দিবলৈ আৰম্ভ কৰে। ব্ৰাহ্মণ পণ্ডিতসকলৰ দ্বাৰা হিড়িম্বা ৰাক্ষসীৰ আবাসভূমি তথা ঘটোৎকচৰ জন্মস্থান নতুন-ভাৱে আবিষ্কৃত হৈছিল অসমৰ কোনো বনাঞ্চলত, যিটো আগতেই স্থিৰ কৰা হৈছিল পঞ্জাবৰ উত্তৰাঞ্চল কুলু উপত্যকাৰ অৰণ্যত। মণিপুৰ ৰাজ্যৰ অৱস্থানও তদ্ৰূপ ঃ প্ৰথমে মদ্ৰ আৰু কলিঙ্গ ৰাজ্যদ্বয়ৰ মধ্যস্থলত, দ্বিতীয় বৰ্তমান মণিপুৰ ৰাজ্যত শেষত ইন্দোনেচিয়াৰ বালী দ্বীপত, য'ত অৰ্জুনৰ অশ্বমেধ যজ্ঞত তেওঁৰেই পুত্ৰ বভ্ৰুবাহনৰ দ্বাৰা বাধা পাইছিল।

ওপৰোক্ত কাল্পনিক আৰু কাব্য উপাখ্যানৰ প্ৰতি আকৃষ্ট হয়েই সম্ভৱতঃ ডিমাছা শাসকসকলে তেওঁলোকৰ বংশধাৰাৰ বৈদিক হিন্দুসকলৰ জীৱিকা নিৰ্বাহ উপাধিৰ নিচিনা উপযোগী কৰিবলৈ প্ৰয়াস পাইছিল। অৰ্থাৎ জন্মসূত্ৰ নধৰি জীৱিকা নিৰ্বাহ কৰা পদবীকেই বংশগত উপাধি দিবলৈ খুজিছিল। ইয়াৰ প্ৰমাণ বংশগত তালিকাত প্ৰথম তিনিটা নাম—ৰিফাসাগাৰ্ড, ৰিফাশাৰাই আৰু ৰাদেৰবাগিয়া ৰাজ্যৰ উচ্চতম তিনিটা পদৰ নাম। এইবিলাক বংশগত উত্তৰাধিকাৰ সূত্ৰত প্ৰাপ্য নাছিল। তথাপিও বংশ উপাধিত ৰূপান্তৰিত হৈছিল। আকৌ একেটা পৰিয়ালৰে আপোন ভাতৃসকলৰ মাজত বিভিন্ন বংশোপাধি দিয়া হৈছিল। যেনে ডিক্ৰু, হাগজেৰ আৰু থাউছেন তিনিজন ভায়েক ; কেম্প্ৰাই আৰু জিহুং দুই ভাই ; হায়ু আৰু হাপ্লাংবাৰ দুই ভাই ইত্যাদি আৰু বহুতো আছে। অনকালে জন্মসূত্ৰত বিভিন্ন বংশৰ সংমিশ্ৰণতো এটা বংশ উপাধি প্ৰদত্ত হৈছিল। কোৱা বাহুল্য স্ত্ৰী জাতিৰ “জুলু” বা মাতৃ বংশও ক্ৰমে ক্ৰমে সেই একেই নিয়মত গঠিত হৈছিল। সেই কাৰণে “clan exogamy tribe” হিচাপে বৰ্তমান ডিমাছাসকলৰ এই পিতৃ-মাতৃ বংশৰ সম্পৰ্ক অতি সামান্য।

ডিমাচাসকলৰ মাজত বহুতেই মাতৃ বংশৰ আলোচনাত বৰ সচেতন আৰু স্পৰ্শ কাতৰ। সেই কাৰণেই এই বিষয়ে বিস্তৃতভাৱে লিখিছিলো। যদিও পিতৃ-মাতৃ বংশৰ অধিকাংশই বংশগত উত্তৰাধিকাৰ সূত্ৰত গঠিত হোৱা নাই তথাপিও সামাজিক জীৱনত ইয়াৰ প্ৰচলন এতিয়াও আছে। কাৰণ উল্লেখিত নতুন নিয়ম প্ৰৱৰ্তনৰ পিছত সমাজত এটা বিশৃঙ্খলাই দেখা দিছিল। নিজৰ বংশতেই ভিন্ ভিন্ বংশৰ সৃষ্টি হ'ল। বিশেষকৈ দুটা অঞ্চলৰ ক্ৰমান্বয়ে থাওছেন আৰু ডাওলাগুপু বংশদ্বয় এতিয়াও নিজৰ বংশৰ মাজতেই বিবাহ সম্বন্ধ স্থাপন কৰে। যি হওক কাছাৰত ডিমাছা ৰাজত্বৰ অন্তিম সময়ত ৰজাই ঘোষণা কৰিছিল যে বৰ্তমান যিবোৰ পিতৃ-মাতৃ বংশ যি ভিত্তিতেই গঠন নহওক, কিন্তু সামাজিক জীৱনত তেওঁলোকৰ প্ৰত্যেককেই একেই বংশজাত বুলি গণ্য কৰা হ'ব। কিন্তু সামাজিক সমস্যা ইমানতেই শেষ হোৱা নাই। জনসাধাৰণৰ এই প্ৰতিবাদ আছিল যে ৰাজদৰবাৰৰ পৰা প্ৰচাৰিত তথাকথিত বংশ তালিকাত বহুতৰেই বংশ নাম বিশেষকৈ মাতৃবংশৰ নাম বাদ পৰিব, আকৌ কিছুমান নাম তালিকাত লিখা হৈছিল “বাবংবাৰ”,—সেই নামৰ কোনো বংশ নাই। এই বৈপ্লৱিক সামাজিক পৰিবৰ্তন হৈছিল অতি অভাবনীয়ভাৱে। তেওঁলোকে ওচৰ-চুবুৰীয়া সমসাময়িক গৌড় আৰু কামৰূপ প্ৰভৃতি ৰাজ্যৰ পৰা বিশেষ শ্ৰেণীৰ ব্ৰাহ্মণ আনি শাস্ত্ৰ চৰ্চা আৰম্ভ কৰিছিল। এওঁলোকৰ ভিতৰত গৌড় ৰাজ্যৰ “ইটাৰ” পৰা অহা ভূবনেশ্বৰ বাচস্পতিৰ নাম উল্লেখযোগ্য। তেওঁ “পদ্মপুৰাণ” “বিষ্ণুপুৰাণ” প্ৰভৃতি সংস্কৃত ধৰ্ম গ্ৰন্থৰ পৰা গৌড়ীয় ভাষালৈ অনুবাদ কৰিছিল আৰু ৰজাক স্বৰ্ণমুদ্ৰাৰ বিনিময়ত এই বহুমূলীয়া ধৰ্ম-গ্ৰন্থবিলাক দান কৰিছিল।




## ধৰ্মৰ নামত বিশৃঙ্খলা

যদিও ৰজা আৰু তেওঁৰ লগৰীয়াবিলাকে হিন্দু ধৰ্মৰ ৰীতি-নীতি মানি চলিছিল, কিন্তু জনসাধাৰণে সেইখিনি মানিব পৰা নাছিল। পূজা-পাতল ইত্যাদিত তেওঁলোকে পূৰ্বপুৰুষৰ প্ৰচলিত তান্ত্ৰিক নীতিকেই মানি চলিছিল। পূজাৰ সুফল আৰু কুফল লৈ ব্ৰাহ্মণ ৰাজপুৰোহিতৰ লগত জাতীয় পুৰোহিতসকলৰ প্ৰতিযোগিতা আৰু তৰ্ক-বিতৰ্ক চলিছিল। সেইসময়ত দেশত সৰু-ডাঙৰ যুদ্ধ-বিগ্ৰহ চলিয়েই আছিল। যুদ্ধযাত্ৰাৰ সময়ত পুৰোহিতসকলে তেওঁলোকৰ উপাস্য দেৱ-দেৱীৰ সন্তুষ্টিৰ কাৰণে পূজা দিছিল আৰু লগতে ছাগলী, ম'হ আনকি মানুহো বলি দিছিল। তাৰ পিছত তেওঁলোকে ৰাজপুৰোহিত ব্ৰাহ্মণসকলৰ পূজাত যুদ্ধজয়ী হ'বলৈ জেদ্ ধৰিছিল। প্ৰবাদ আছে যে ব্ৰাহ্মণসকলৰ পূজাত কোনো দিনেই যুদ্ধত জয়ী হোৱা নাছিল। অগত্যা দেশীয় পুৰোহিতসকলৰ জয় হ'ল আৰু ব্ৰাহ্মণসকলৰ পৰাজয় হ'ল। অকল এয়ে নহয় ৰাজ-বিচাৰত দোষী সাব্যস্ত ব্ৰাহ্মণক ওখ পাহাৰৰ পৰা নিক্ষেপ কৰি নিষ্ঠুৰভাৱে হত্যা কৰা হৈছিল। এই পাহাৰৰ নাম এতিয়া ৰখা হৈছে “ৰামীন মথন হাডি”—অৰ্থাৎ ব্ৰাহ্মণ হত্যা পাহাৰ।

ইয়াৰ পিছত আকৌ গোটেই দেশত ব্ৰাহ্মণ বৰ্জিত তান্ত্ৰিক পদ্ধতিত পূজা পাৰ্বন চলিবলৈ লাগিল। ব্ৰাহ্মণ পুৰোহিতৰ সলনি ৰাজ পুৰোহিত নিযুক্ত হ'ল। “তামাডী জঠাই” (বোধকৰো “তামাডী” অৰ্থাৎ তাম্ৰপাত্ৰৰ পবিত্ৰ পানী) নামে দেশীয় পুৰোহিত।

### শেষৰ সংস্কাৰ আৰু বৰ্তমান অৱস্থা :—

ডিমাছা জাতিৰ বৰ্তমান সমাজ ব্যৱস্থা আৰু ধৰ্ম আচৰণ ১৮শ শতাব্দীৰ শেষ ভাগৰ প্ৰাপ্ত সংস্কাৰৰ ফলশ্ৰুতি। মাইবঙৰ পৰা বৰ্তমান কাছাৰ জিলাৰ খাচপুৰত স্থায়ী ৰাজধানী স্থানান্তৰৰ পিছত প্ৰধানকৈ পাৰিপাৰ্শ্বিক পৰিবেশৰ কাৰণে ৰজাই আকৌ হিন্দু ধৰ্মৰ প্ৰতি আকৃষ্ট হ'ল। কিন্তু ইয়াৰ অন্তৰায় হিচাপে থিয় দিলে তাৰ পূৰ্বপুৰুষ মাইবঙত ৰাজত্বৰ সময়ত যি ব্ৰাহ্মণ হত্যা কৰিছিল, প্ৰথমে তাৰ প্ৰায়শ্চিত্ত বিচাৰিছিল। অতএৱ ইয়াৰ বিধান হ'ল তাম্ৰনিৰ্মিত গো-মূৰ্তিৰ পৰা ৰজাই পুনৰ জন্ম লব লাগিব, তেতিয়াহে ব্ৰাহ্মণ হত্যাৰ পৰা মুক্তি পাব। যেনে কথা তেনে কাম। অগত্যা ৰজা কৃষ্ণচন্দ্ৰ আৰু কনিষ্ঠ ভ্ৰাতা গোবিন্দ চন্দ্ৰ ইংৰাজী ১৭৯০ চনত তাম্ৰ নিৰ্মিত গো-মূৰ্তিৰ দ্বাৰা পুনৰ্জন্ম লাভ কৰি হিন্দু ধৰ্মত দীক্ষিত হ'ল। লগে লগে ৰজাৰ অনুগামী সকলে সেই একেই ধৰ্ম গ্ৰহণ কৰি বৰ্মন উপাধি লয়। কিন্তু ডিমাছাসকলৰ এটি বৃহত্তৰ অংশ অপৰিবৰ্তিত অৱস্থাত থাকি যায়।

যদিও শাস্ত্ৰানুগামী, লোকচক্ষুত সংস্কাৰমুক্ত হিন্দু ধৰ্মৰ দীক্ষা গ্ৰহণত কাৰো কোনো বাধা নাছিল তথাপিও ভৌগোলিক অৱস্থানৰ অসুবিধা আৰু অন্যবিধ কাৰণত ডিমাছাসকলৰ একাংশই ধৰ্ম বিষয় কাৰ্যত ৰজাৰ লগত পৃথক হ'ল। অগত্যা ৰজাই ঘোষণা কৰিব লগাত পৰিল—যিসকল হিন্দু ধৰ্মত দীক্ষিত অৰ্থাৎ দক্ষিণ কাছাৰবাসীসকলে তেওঁলোকৰ ধৰ্ম আচৰণত ব্ৰাহ্মণৰ দ্বাৰা পৰিচালিত হব আৰু ৰাজ্যৰ উত্তৰাংশ বাসীসকলে, যিজন হিন্দু ধৰ্মত আনুষ্ঠানিক ভাৱে দীক্ষিত হোৱা নাই তেওঁলোক দেশীয় পুৰোহিতৰ দ্বাৰা পৰিচালিত হব। ব্ৰাহ্মণসকলে তেওঁলোকৰ যুক্তি দ্বাৰা কলে, পিতৃ ধৰ্ম আৰু মাতৃ ধৰ্ম, অৰ্থাৎ আদি পুৰুষ ভীমসেনৰ ধৰ্ম আৰু আদি মাতৃ হিড়িম্বা ৰাক্ষসীৰ ধৰ্ম।

### ডিমাছাসকলৰ উপাসনা পদ্ধতি

আগতেই কৈছো ডিমাছাসকলে প্ৰধানকৈ তেওঁলোকৰ পূৰ্বপুৰুষসকলক উপাসনা কৰে। সেইবাবে

তেওঁলোকৰ উপাস্য দেৱদেৱী বহুত আৰু তেওঁলোকৰ গোটেইবিলাক সকলোৰে উপাস্য। কিন্তু উপাসক সকলৰ উপাসনাৰ সুবিধাৰ কাৰণে এই দেৱ-দেৱীৰ পৃথক পৃথক অধিষ্ঠান থাকে। ইয়াক "ডাঙ্গৈথো" দেৱস্থান বোলে। প্ৰত্যেকটো ডাঙ্গৈথোৰ নিৰ্দিষ্ট সীমা থাকে যিটো নিৰ্দিষ্ট কোনো মুখ্য দেৱ-দেৱীৰ নামত উছৰ্গা কৰা হয়। আৰু সেই দেৱ-দেৱীৰ পূজাৰীক "জঠাইমা" বা মুখ্য পূজাৰী বোলে। আকৌ প্ৰতিটো ডাঙ্গৈথোৰ ভিতৰত সেই মুখ্য দেৱ-দেৱীৰ বাহিৰেও ইয়াৰ বহু উপ দেৱ-দেৱী আছে আৰু এই সকলো পূজাৰীক "ডাঙ্গৈয়া" বা সহকাৰী বোলে।

পূজাৰ দুটা ভাগ আছে—গাৰ্হস্থ্য আৰু সাৰ্বজনীন। উল্লেখিত প্ৰতিটো ডাঙ্গৈথো চক্ৰৰ অভ্যন্তৰত যিসকল দেৱ-দেৱীৰ অধিষ্ঠান আছে সেই চক্ৰৰ অধিবাসী সকলৰ মাজত বংশগত অথবা গোষ্ঠীগত ভাবে নিজ নিজ ভাগ আছে। যাৰ ভাগত যি দেৱ-দেৱী তেওঁকেই পূজা কৰা হয় গৃহ দেৱ বা দেৱীৰূপে। বছৰৰ নিৰ্দিষ্ট সময়ত যি সাৰ্বজনীন পূজা কৰা হয়, তেতিয়া একেলগে একেই ঠাইতে সকলো দেৱ-দেৱীকে পূজা কৰা হয়। ই প্ৰতিটো ডাঙ্গৈথোৰ সাম্প্ৰদায়িক ভিত্তি নহয়। অৰ্থাৎ এই সকলোৰ গঠন বংশৰ বা গোষ্ঠীগত বিচাৰত নহয়। এইবিলাক সাৰ্বজনীন অকল মাত্ৰ উপাসনাৰ সুবিধাৰ কাৰণেই বহুভাগত বিভক্ত হৈছে। উপৰোক্ত ধৰ্মোপাসনাৰ বিষয়ে দক্ষিণ অংশ কাছাৰৰ লগত পৃথক হোৱাৰ পিছত ৰাজ্যৰ সমগ্ৰ অঞ্চলত ১২টা ডাঙ্গৈথো বা দেৱস্থানৰূপে ভাগ কৰা হৈছিল আৰু এইবিলাক এতিয়াও কাৰ্য্যকৰী।

এই ১২টা ডাঙ্গৈথোৰ ওপৰত আৰু এজন প্ৰধান পূজাৰী আছে তাৰ নাম "গিসিয়া"। তেওঁৰ কাম থিক পূজাৰ্চনা নহয়, তেওঁ উপদেষ্টাৰ কাম কৰে। তেওঁ ধৰ্ম বিষয়ত সৰ্বজ্ঞ। দেৱ-দেৱীৰ ভুল থাকিব পাৰে, কিন্তু তেওঁ ভুলৰ অতীত। দেৱতাতকৈও তেওঁ ৭ দিনৰ ডাঙৰ। অন্য সকলো পূজাৰীৰ বহুতো খাদ্য নিষিদ্ধ। তেওঁলোকে চুলি গোফ আৰু দাড়ি ৰাখে আৰু পবিত্ৰতা পালন কৰে। কিন্তু গিচিয়াৰ এইসকলৰ কোনো কাৰণ নাই তেওঁলোকে সোঁহাতেৰে অশুচি গাহৰি মাংস ভক্ষণ কৰি বাওঁ হাতেৰে পূজাৰ পবিত্ৰ পানী তুলিব পাৰে। তেওঁ সাৰ্বজনীন পূজাত প্ৰয়োজন অনুসাৰে পুৰোহিতসকলৰ পৰিশুদ্ধ কৰে আৰু পূজাৰ ৰীতি-নীতি শিকায়।

ডিমাছাসকলৰ গৃহপূজাত কণী, পাৰচৰাই, কুকুৰা আৰু ছাগলী বলি দিয়ে। সাৰ্বজনীন পূজাত ম'হ ছাগলী বলি দিয়ে, কিন্তু কোনো ক্ষেত্ৰতে গাহৰি বলি নিদিয়ে। এই পূজাৰ্চনাৰ বাহিৰেও ডিমাছাসকলে ৰোগ শোক নিবাৰণৰ কাৰণে অপ-দেৱতা-দেৱীৰ পূজা কৰে। বলি, পশু-পক্ষীৰ ৰক্তস্ৰাৱ আৰু নাড়ি-ভুৰি দেখি পূজাৰ সুফল আৰু কুফল নিৰ্ণয় কৰে।

ডিমাছাসকলৰ "অবেকেল" আছে। তেওঁ ভূত ভৱিষ্যতৰ কথা কব পাৰে। তাক "পথ্ৰি" বোলে।

## বিবাহ আৰু সম্পত্তিৰ উত্তৰাধিকাৰী

ডিমাছাসকলৰ মাজত বাল্য বিবাহ নাই। ছোৱালী বিলাকৰ ১৫।১৬ বছৰ বয়সত আৰু ল'ৰা বিলাকৰ ২২।২৩ বছৰ বয়সৰ কমত বিয়া কেতিয়াও নহয়। বিবাহত বৰ পক্ষই পণ দিয়ে। পণৰ মূল্য ১৫০৲ পৰা ৩০০৲ পৰ্য্যন্ত নিৰ্ধাৰিত হয়। বিয়াৰ পিছত বৰৰ এবছৰ শহুৰৰ ঘৰত থকাৰ ৰীতি আছে। ডিমাছা-সমাজত বিধবা বিবাহৰ প্ৰচলন আছে।

ডিমাছাসকলে তেওঁলোকৰ স্থাবৰ অস্থাবৰ সম্পত্তিক তিনি প্ৰকাৰে বিভক্ত কৰে। পিতৃ সম্পত্তি, মাতৃ সম্পত্তি আৰু উভয় সম্পত্তি। পুৰুষৰ ব্যৱহাৰ কৰা কাপোৰ কানি, হাতিয়াৰ, ঘৰ, পৈত্ৰিক ভিটা, ভূসম্পত্তি এই বিলাক পিতৃ সম্পত্তি ছোৱালী বিলাকৰ পোছাক পৰিচ্ছেদ, গহনা, তাঁত এই বিলাক মাতৃ সম্পত্তি। গৃহ পালিত পশু পক্ষী, নিত্য ব্যৱহাৰ্য্য বাচন বৰ্তন, ধান চাউল, নগদ টকা এই বিলাক উভয় সম্পত্তি





ৰূপে পৰিগণিত হয়। ল'ৰা বিলাকে পায় পিতৃ সম্পত্তি আৰু ছোৱালী বিলাকে পায় মাতৃ সম্পত্তি আৰু উভয় সম্পত্তি উভয়েই পায়। কিন্তু বহুত ক্ষেত্ৰত ল'ৰা বিলাকে নিৰ্বিচাৰে বেছি ভাগ দাবী কৰি নিয়ে।

## মৃত্যু আৰু শ্ৰাদ্ধ

ডিমাছাসকলে পৰলোক আৰু পুনৰ্জন্ম বিশ্বাস কৰে। তেওঁলোকে শৱদাহ কৰে। চিতাত অগ্নি প্ৰদানৰ পূৰ্বত মৃতকৰ পূৰ্বপুৰুষসকলৰ নাম ধৰি মতা হয়। তেওঁলোকে যেন মৃতৰ আত্মাক পৰলোকৰ পথ দেখুৱাই দিয়ে। মৃতৰ সংকাৰৰ পিছত শ্মশানত মৃতাত্মাৰ কাৰণে এটা সৰু ঘৰ সজা হয় আৰু তিৰোতা-সকলে তাত নিয়মিতভাবে পিণ্ডদান কৰে। (দস্তুৰ মতে ভাত তৰকাৰী পানীয় ইত্যাদি)। শ্ৰাদ্ধৰ নিৰ্দিষ্ট কোনো সময় বা তাৰিখ নাই। কিন্তু যিমান সোনকালে হোৱা সম্ভৱ সিমানেই ভাল।

ডিমাছাসকলৰ বিশ্বাস শ্ৰাদ্ধ কাৰ্য সম্পন্ন হোৱা পৰ্যন্ত মৃতাত্মাসকলে শ্মশানত আৰু নিজৰ জীৱিত কালৰ বাসস্থানত থাকিব পাৰে। শ্ৰাদ্ধৰ পিছত তেওঁ মাত্ৰ শ্মশানত থাকিব। যিদিনা আনুষ্ঠানিক পিণ্ড-দান বন্ধ কৰিব সেইদিনা শ্মশানত ঘৰ ভাঙি দিব আৰু তেতিয়াৰ পৰা তেওঁৰ স্থান হব পৰলোকত। সেইদিনৰ পৰা তেওঁ পুনৰ্জন্মৰ অধিকাৰ পাব আৰু মৃতকৰ পৰিত্যক্ত স্ত্ৰী বা স্বামী পুৰ্ণ-বিবাহ কৰিব পাৰিব। শ্ৰাদ্ধত পুৰোহিতসকলতকৈ বয়সীয়াল তিৰোতাসকলৰ কাম বেছি।

★ ★ ★

# মানৱ জীৱন আৰু সনাতন ধৰ্ম

শ্ৰীৰমণী কান্ত শৰ্মা

মানুহৰ জীৱনটোনো কি এই সম্পৰ্কে বহুতৰে স্পষ্ট ধাৰণা নাই। বহুতে আকৌ এই কথা ভাবি মূৰ ঘমোৱাৰ কোনো প্ৰয়োজন নাই বুলি ভাবে। তেওঁলোকে খাই লৈ জীৱনটো স্ফুৰ্ত্তিত কটোৱাৰ পক্ষপাতী। লোকায়ত দৰ্শনৰ 'ঋণং কৃত্বা ঘৃতং পিবেৎ যাবজ্জীৱং সুখং জীৱেৎ' এই নীতিকেই তেওঁলোকে মানি চলে বুলি কব পাৰি। আন কিছুমানে জীৱনৰ সম্পৰ্কে এটা স্পষ্ট ধাৰণা লবলৈ বিচাৰে। কিয়নো তেওঁলোকে ভাবে যে জীৱনটোনো আচলতে কি তাক নাজানিলে সদ্ব্যৱহাৰ কৰাটো সম্ভৱ নহয়। জীৱনৰ স্বৰূপ নাজানিলে মহামূল্য হীৰক খণ্ডৰ দৰে জীৱনক কাচৰ টুকুৰা বুলি ভাবি দলিয়াই পেলোৱাৰ সম্ভাৱনা আছে।

মহাপুৰুষ মাধৱদেৱে গাইছে—

কত তপসাই        নৰতনু পাই
গোৱাইলো বিষয় ভোলে।
যেন চিন্তামণি        অমূল্য ৰতন
বিকাইলো কাচেৰ মোলে॥
আকৌ, দেৱে নাহি পায়        মানবী হইবাৰ
মই পাপী আসিয়া পাইলো।

অৰ্থাৎ বহু তপস্যাৰ ফলতহে অমূল্য ৰতন স্বৰূপ নৰতনু পোৱা যায়, আৰু মানৱ জন্ম দেৱ-দুৰ্লভ বস্তু। মানুহক জীৱশ্ৰেষ্ঠ বুলি বিবেচনা কৰা হয়, গতিকে জীৱৰ ক্ৰমবিকাশৰ জখলাৰ শীৰ্ষস্থানত থকা মনুষ্যজন্ম বহু জন্মৰ সুকৰ্মৰ ফলতহে পোৱা যায়। দ্বিতীয়তে ভগৱদপ্ৰেম সাধনা কি দেৱ কি মানৱ সকলোৰে জীৱনৰ পৰম পুৰুষাৰ্থ, কিন্তু মনুষ্য জন্মতেই এইটো সম্ভৱ। সেই দেখি দেৱতাৰো আকাঙ্ক্ষিত ভগৱদ্ প্ৰেমৰ সাধনাৰ কাৰণে দেৱতায়ো নৰজন্ম লাভ কৰিবলৈ বাঞ্ছা কৰে।

যুগে যুগে চিন্তাশীল মানুহবিলাকে মানৱজীৱনৰ ৰহস্য বুজিবলৈ চেষ্টা কৰি আহিছে। জড়বিজ্ঞানৰ সাধক বহুতে মানৱজীৱনটোক জৈৱবিজ্ঞানৰ এটা ঘটনা বুলিয়েই ভাবে। তেওঁলোকে জড়বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা জীৱনটোক জড়বস্তু বুলি ধৰে আৰু যান্ত্ৰিক ধৰণে চলে। কিন্তু জীৱনৰ এনে উপকল্পা ব্যাখ্যাই জীৱনৰ ৰহস্য উদ্ঘাটন কৰিব নোৱাৰে। তদুপৰি জড়বিজ্ঞানৰ এনে ব্যাখ্যাই তেওঁলোকৰ জীৱনলৈ সুখ শান্তিও আনি দিব নোৱাৰে। তেওঁলোকে ধন সম্পদ লাভ কৰিব পাৰে, অতুল স্বাস্থ্য





আৰু সৌন্দৰ্যৰ অধিকাৰীও হব পাৰে; তথাপি জীৱনত প্ৰকৃত শান্তি পাব নোৱাৰে। এই বিষয়ত জড়বিজ্ঞানে তেওঁলোকক সহায় কৰিব নোৱাৰে। কিন্তু মানুহক জীৱনত সুখ শান্তি লাগেই। মানুহে দুঃখক জয় কৰিব লাগিব।

যুগে যুগে দেশে দেশে মানুহে দুঃখক জয় কৰাৰ উপায় আৰু সুখৰ সন্ধান বিচাৰি আহিছে। ভাৰতবৰ্ষত বৈদিক যুগত ঋষিসকলে গভীৰ ধ্যানত আৱিষ্কাৰ কৰে মানুহৰ স্বৰূপ আৰু আৱিষ্কাৰ কৰে জীৱনৰ দুঃখ নিবৃত্তি মোক্ষৰ পথ।

মানৱ জাতি বিচাৰ শক্তি সম্পন্ন জীৱৰূপে এই পৃথিৱীত কোন সুদূৰ অতীতত দেখা দিলে তাক আজি পৰিমিত কোনেও ঠাৱৰকৈ কব পৰা নাই। বৈদিক যুগত প্ৰায় পাঁচ হাজাৰ বছৰ আগতেও ঋষিসকলে আৱিষ্কাৰ কৰিছিল বিশ্বস্ৰষ্টাক আৰু আৱিষ্কাৰ কৰিছিল যে মানুহ আৰু তাৰ সৃষ্টিকৰ্ত্তা একেই। 'অহংব্ৰহ্মোঽস্মি' 'সোঽহম্' 'তত্ত্বমসি' প্ৰভৃতি শ্ৰুতি মহাবাক্যই এই কথাৰেই সাক্ষ্য দিয়ে।

উপনিষদৰ ঋষিয়েই আকৌ গাইছে—

বেদাহমেতং পুৰুষং মহান্তম্
আদিত্য বৰ্ণং তমসঃ পৰস্তাৎ।
তমেব বিদিত্বাঽতি মৃত্যুমেতি
নান্যঃ পন্থা বিদ্যতেঽয়নায়॥        (শ্বেঃ উঃ)

স্বপ্ৰকাশ আৰু অজ্ঞানৰ সিপাৰে থকা সৰ্বব্যাপি সেই পুৰুষক মই জানিছোঁ। তেওঁক জানিলেহে মৃত্যুক অতিক্ৰম কৰা যায়। ইয়াত বাজে পৰমাৰ্থ লাভৰ অন্য কোনো পন্থা নাই।

আকৌ, আনন্দং ব্ৰহ্মণো বিদ্বান্ ন বিভেতি কদাচন ইতি। তৈ. উ

আনন্দ স্বৰূপ ব্ৰহ্মক জানিলে আৰু কেতিয়াও ভয়ৰ কাৰণ নাথাকে। তাৰ পিছত,

অণোৰণীয়ান্ মহতো মহীয়ান্
আত্মাঽস্য জন্তোৰ্নিহিতো গুহায়াম্।
তমক্ৰতুঃ পশ্যতি বীতশোকো
ধাতুপ্ৰসাদাঃ মহিমানমাত্মনঃ। কঠ

সূক্ষ্মতকৈও সূক্ষ্মতৰ আৰু বৃহত্তকৈও বৃহত্তৰ এই আত্মা প্ৰত্যেক জীৱৰ হৃদয় গুহাত অৱস্থিত। ভগৱৎ কৃপাতেই নিষ্কাম ব্যক্তি তেওঁৰ মহিমা অৱগত হৈ বিগতশোক হয়।

ওপৰৰ শ্ৰুতিবাক্যৰ পৰা দেখা গৈছে ঋষিসকলে মানুহে শোক, দুঃখ আৰু মৃত্যুৰ ভয়ৰ পৰা কেনেকৈ ৰক্ষা পৰিব পাৰে সেই বিষয়ে গভীৰ ভাৱে চিন্তা কৰিছিল, আৰু এই সত্যত উপনীত হৈছিল যে ব্ৰহ্মক জানিব পাৰিলে এই তিনিটাৰ হাত সাৰিব পাৰি। কিন্তু ব্ৰহ্মক জনা যায় কেনেকৈ?

মুণ্ডক উপনিষদত আছে:

সত্যেন লভ্যস্তপসা হ্যেষ আত্মা
সম্যগ্ জ্ঞানেন ব্ৰহ্মচৰ্য্যেন নিত্যম্।

সত্য, তপস্যা, সম্যক জ্ঞান আৰু ব্ৰহ্মচৰ্য্যব্ৰত পালনত দ্বাৰা আত্মা তথা ব্ৰহ্মক পোৱা যায়।

গভীৰ ধ্যানত বা সমাধি অৱস্থাত ঋষিসকলে আত্মা বা ব্ৰহ্মৰ দৰ্শন পালেও, আৰু ব্ৰহ্ম আৰু জীৱৰ একাত্মতা বোধ কৰিলেও, জীৱনত সকলো অৱস্থাতে সকলো সময়তে ব্ৰহ্মভাৱত থাকিব পাৰিলেহে উল্লিখিত দুখঃ, শোক, আৰু মৃত্যুভয়ৰ হাত সাৰিব পাৰি। অৰ্থাৎ জীৱন্মুক্তি অথবা বিদেহ মুক্তিৰ কাৰণেও জীৱ ব্ৰাহ্মীস্থিতিত থাকিব লাগিব। শ্ৰীমদ্ভগৱদ্গীতাত এই সম্পৰ্কে বিশদভাবে উপদেশ দিয়া আছে।

মানুহ আৰু তাৰ সৃষ্টিকৰ্ত্তাৰ একাত্মতা অৰ্থাৎ জীৱ আৰু পৰমাত্মা যে একেই তাকে উপলব্ধি কৰিব পাৰিলে জীৱে সকলো দুঃখ ভয়ৰ পৰা মুক্তি-লাভ কৰিব পাৰে। অন্য কথাত কব লাগিলে জীৱে তাৰ প্ৰকৃত স্বৰূপ তথা আত্মজ্ঞান লাভ কৰিলে সকলো দুঃখ, শোক আৰু ভয়ৰ হাত সাৰিব পাৰে। মানুহৰ নিজৰ স্বৰূপ তলৰ প্ৰাতঃস্মৰণীয় মন্ত্ৰটিত সম্যকৰূপে বৰ্ণনা কৰা হৈছে।

অহং দেৱো ন চান্যোঽস্মি ব্ৰহ্মৈবাহং ন শোকভাক্।
সচ্চিদানন্দৰূপোঽহং নিত্যমুক্ত স্বভাববান॥

ইয়াৰ পৰাই মানুহৰ আচল ধৰ্ম কি তাক ঠাৱৰ কৰিব পাৰি। এই ধৰ্ম মনুষ্যত্বৰ ধৰ্ম, সৰ্বকালৰ সকলো দেশৰ মানুহৰে সাৰ্বজনীন ধৰ্ম, আৰু সেইদেখি সনাতন ধৰ্ম। সনাতন ধৰ্ম শাশ্বত সত্যৰ ওপৰত প্ৰতিষ্ঠিত। আচলতে ই নিৰতিশয় উদাৰ আৰু অসাম্প্ৰদায়িক।

বিচাৰ শক্তিসম্পন্ন জীৱ মানুহে গভীৰ চিন্তাৰ সহায়ত তাৰ স্বৰূপ উপলব্ধি কৰি দুঃখৰ হাত সৰাৰ নিয়মসমূহ আৱিষ্কাৰ কৰিছে। এই নিয়ম সমূহেই সনাতন ধৰ্ম। গভীৰ চিন্তাৰ ফলত সি আৱিষ্কাৰ কৰিছে যে দেহাত্মবোধৰ কাৰণে অৰ্থাৎ দেহটোকেই তাৰ আচল সত্তা বুলি ভবাৰ ফলত সি জীৱনত জীয়াতু ভোগে। দেহৰ ধৰ্মকেই নিজৰ ধৰ্ম বুলি ধৰি সি অশেষ বিকাৰ ভুঞ্জে।

আত্মজ্ঞান লাভ কৰি সংসাৰ দুঃখৰ পৰা মুক্তি লাভৰ উদ্দেশ্যে ঋষিসকলে যিবিলাক নিয়ম আৱিষ্কাৰ কৰিছে সেই সকলো সনাতন ধৰ্মৰ মৌলিক উপাদান তাৰ সেইবিলাকক ভিত্তি কৰিয়ে ধৰ্মীয় আচৰণসমূহ গঢ়ি উঠিছে।

মানুহে আৱিষ্কাৰ কৰিছে যে তাৰ প্ৰকৃত সত্তা হৈছে জ্ঞানময় চৈতন্যস্বৰূপ। আধুনিক পদাৰ্থবিজ্ঞান জগতত অলোক সামান্য প্ৰতিভাৰ অধিকাৰী আইনষ্টাইনকে আদি কৰি প্ৰতিভাশালী বিদগ্ধ বৈজ্ঞানিক পণ্ডিতসকলেও পৰীক্ষা-নিৰীক্ষা কৰি চাই পাইছে যে বিশ্বত জড়পদাৰ্থ বুলিবলৈ একোৱেই নাই, সকলো চৈতন্যশক্তিৰ লীলা। এই চৈতন্যশক্তিৰ পৰাই নিশ্চয় তথাকথিত জড়পদাৰ্থৰ উৎপত্তি হৈছে পানীৰ পৰা বৰফৰ উদ্ভৱ হোৱাৰ দৰেই!

এই চৈতন্যশক্তিক আধ্যাত্মিক বোলাই যুক্তিসঙ্গত হব। কিয়নো এই শক্তি মানুহৰ আত্মিক শক্তিৰেই প্ৰকাশ। মানুহে তাৰ স্বৰূপ উপলব্ধি কৰিলেই দেহাত্মবোধৰ উৎপীড়নৰ পৰা ৰক্ষা পৰে। সত্ত্ব ৰজ তম ত্ৰিগুণময়ী প্ৰকৃতিৰ প্ৰতি আসক্ত হোৱাৰ ফলতেই তাৰ যত দুঃখ দুৰ্গতি। প্ৰকৃতিৰ কবলৰ পৰা নিজকে মুক্ত কৰাটোৱেই তাৰ সৰ্বপ্ৰধান কৰ্তব্য। যিবিলাক শাশ্বত নিয়মে এই কৰ্তব্য পালনত তাক সহায় কৰে সেই সমুদয় সনাতন ধৰ্মৰ ভিতৰত পৰে। প্ৰথমতে সত্যৰ পথত চলিহে সি তাৰ নিজৰ স্বৰূপ উপলব্ধি কৰিব পাৰে। গতিকে সত্য নিষ্ঠা মানুহৰ সনাতন ধৰ্ম।

ওপৰত উল্লেখ কৰা হৈছে যে মানুহে আত্মজ্ঞান লাভ কৰিব নোৱাৰা হেতুকে অথবা তাৰ আধ্যাত্মিক সত্তাক উপলব্ধি কৰিব নোৱাৰি সংসাৰত অশেষ দুঃখ-দুৰ্গতি ভুঞ্জে। মানুহৰ আত্মোপলব্ধিৰ পথত প্ৰধান অন্তৰায় হৈছে অবিদ্যা বা মায়া। মায়াৰ প্ৰভাৱৰ পৰা মুক্তি লাভ কৰিবলৈ আমি কৰ্মযোগৰ মাজেদি অৰ্থাৎ ফলাকাঙ্ক্ষা ত্যাগপূৰ্বক নিষ্কামভাৱে কৰ্ম কৰি আত্মোপলব্ধি কৰিব লাগিব। তেনেকৈয়ে আমি প্ৰকৃতিৰ সঙ্গ ত্যাগ কৰিবলৈ সক্ষম হম। বাসনাৰ ক্ষয় নহলে আমি কৰ্মবন্ধনৰ পৰা মুক্তি লাভ কৰিব নোৱাৰোঁ। এই বাসনাৰ ক্ষয়ৰ উদ্দেশ্যে মানুহে প্ৰবৃত্তিমাৰ্গত নিষ্কাম কৰ্মযোগ অৱলম্বন কৰিব পাৰে, নাইবা নিবৃত্তিমাৰ্গত কৰ্মসন্ন্যাস অৱলম্বন কৰিব পাৰে কিন্তু গীতাত ভগৱানে কৰ্মসন্ন্যাসতকৈ কৰ্মযোগ শ্ৰেষ্ঠতৰ বুলি কৈছে। আনহাতে কৰ্মযোগী হব লাগিলেও চিত্তশুদ্ধিৰ সহায়ক হিচাপে গীতোক্ত অভ্যাসযোগ অৱলম্বন কৰিব লাগিব আৰু প্ৰয়োজন অনুসাৰে পতঞ্জলিৰ অষ্টাঙ্গযোগৰ সহায় লোৱাটো আৱশ্যক হব। অৰ্থাৎ যম আৰু নিয়মৰ অন্তৰ্গত অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য্য, অপৰিগ্ৰহ, শৌচ, সন্তোষ, তপঃ, স্বাধ্যায় আৰু ঈশ্বৰ প্ৰনিধান অভ্যাস কৰিব লাগিব। কিন্তু এইবোৰ অভ্যাস পতঞ্জলিৰ নেতিবাচক (negative) কৈবল্যসিদ্ধি (প্ৰকৃতিৰ সঙ্গৰ পৰা মুক্তি লাভ)ৰ অৰ্থাৎ প্ৰকৃতিৰ পৰা নিজকে



[illegible]কাই অনাৰ উদ্দেশ্যে নহয়, সদৰ্থক (positive) ভগৱৎপ্ৰেম লাভ অৰ্থাৎ ভগৱানৰ লগত নিজকে যুক্ত কৰাৰ উদ্দেশ্যেহে।

এই প্ৰসঙ্গত গীতাৰ জ্ঞান, কৰ্ম আৰু ভক্তিৰ [illegible] মন কৰিবলগীয়া। গীতাত ভগৱানে ভক্তিযোগকেই শ্ৰেষ্ঠ আসন দিছে আৰু যদিও আদিতে কৰ্ম আৰু জ্ঞান (প্ৰবৃত্তিমাৰ্গ আৰু নিবৃত্তিমাৰ্গ) দুটা [illegible] বা পথ আছিল, আৰু ভক্তি সাধন (সহায়ক উপায়)হে আছিল, পিছতহে ভক্তিয়েই মুখ্য সাধ্য হৈ উঠিল। বস্তুতঃ প্ৰবৃত্তিমাৰ্গতেই হওক বা নিবৃত্তিমাৰ্গতেই হওক ভক্তিৰ আশ্ৰয় অপৰিহাৰ্য। আত্মজ্ঞানৰ সহায়ত অবিদ্যাৰ নাশ কষ্টসাধ্য; কিন্তু ভক্তিৰ সহায়ত অনায়াসে অবিদ্যাক দূৰীভূত কৰিব পাৰি। শ্ৰীচৈতন্য চৰিতামৃতত শ্ৰীকৃষ্ণক সূৰ্যৰ লগত আৰু মায়াক অন্ধকাৰৰ লগত তুলনা কৰা হৈছে। যিসকলে শ্ৰীকৃষ্ণৰ ফালে মুখ কৰি থাকে অন্ধকাৰৰূপিণী মায়া তেওঁৰ আগত তিষ্ঠিব নোৱাৰে।

এইদৰে দেখা যায় যে মানৱজীৱনত নিশ্ৰেয়স্ বা পৰম কল্যাণ লাভৰ উদ্দেশ্যেই শাশ্বত সত্যসমূহ আৱিষ্কৃত হৈছে। অত্যন্ত উদাৰ অৰ্থত এই সমুদয় সনাতন ধৰ্ম।

সনাতন ধৰ্ম কথাটোত ধৰ্ম শব্দটো গভীৰতৰ আৰু ব্যাপকতৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে। হিন্দুধৰ্ম, ইছলাম ধৰ্ম, খ্ৰীষ্টান ধৰ্ম বোলোঁতে ধৰ্ম শব্দটোক আপেক্ষিকভাৱে সংকীৰ্ণ অৰ্থত ব্যৱহাৰ কৰা হয়। কিন্তু সনাতন ধৰ্ম বুলিলে সদৌ মানৱ জাতিৰেই অপৰিবৰ্তনীয় ধৰ্মকেই বুজা যায়। তথাপি 'সনাতন ধৰ্ম' কথাটোৱে আজি যাইকৈ হিন্দুধৰ্মকেই বুজায়। প্ৰথমতে সিন্ধুনদৰ পাৰত থকা বাবে আৰ্যসকলক আৰু তাৰ পিছত অন্যান্য গোষ্ঠীৰ মানুহকেও ধৰ্মাচৰণৰ বৈশিষ্ট্যৰ কাৰণে অৰ্থাৎ এই আৰ্যসকলৰ অনুষ্ঠিত ধৰ্ম আচৰণ কৰা বাবে হিন্দু নাম পালে আৰু সনাতন ধৰ্ম বুলিলে এওঁলোকৰ ধৰ্ম অৰ্থাৎ হিন্দুধৰ্ম বুলি পৃথিৱীৰ অন্যান্য অংশৰ মানুহে জানিলে।

ইয়াত হিন্দু ধৰ্ম শব্দটিৰ অৰ্থ হৈছে যিয়ে মানুহক ধৰি ৰাখে, অৰ্থাৎ ধৰ্ম হৈছে মানৱ জীৱনৰ ধৰণীৰ স্বৰূপ।

মহাভাৰতত কোৱা হৈছে,

ধৰ্ম এব হতো হন্তি
ধৰ্মো ৰক্ষতি ৰক্ষিতঃ।

ধৰ্মক যদি আমি ৰক্ষা নকৰোঁ অৰ্থাৎ মানি নচলোঁ আমি নিজে ৰক্ষা নপৰিম, আৰু ধৰ্মক পালন কৰি চলিলে ধৰ্মই আমাক ৰক্ষা কৰিব। চমুকৈ কব লাগিলে ধৰ্ম হৈছে মানৱ জীৱনৰ সংৰক্ষণ আৰু বিকাশৰ নিয়মসমূহ। গছ, লতা, পশু-পক্ষী সকলো প্ৰাণী স্বভাৱজ নিয়ম অনুসাৰে বিকাশ প্ৰাপ্ত হয় আৰু সেই নিয়ম অনুসৰিয়েই সংৰক্ষিত হয়। মানুহৰো স্বভাৱজ নিয়ম অনুসাৰে সংৰক্ষণ আৰু বিকাশ হয়। এই নিয়মবিলাকৰ ভৌগোলিক আৰু ঐতিহাসিক কাৰণত বাহ্যিক ৰূপৰ পৰিবৰ্তন দেখা যাব পাৰে, কিন্তু অন্তৰ্নিহিত সত্য একেই থাকে। সেইদেখি সনাতন ধৰ্ম সকলো মানুহৰে আৰু সকলো যুগৰেই।

এক শ্ৰেণীৰ মানুহে ভাবে যে জগতত সকলো বস্তুৱেই পৰিবৰ্তনশীল। গতিকে ধৰ্মৰেই বা পৰিবৰ্তন নহব কিয়? কিন্তু ইয়াতে এটি প্ৰশ্ন উঠে, বিশ্বত যদি একো নিত্য বস্তুৱেই নাথাকে, তেনেহলে কিহৰ পৰিবৰ্তন হয়? জগতৰ সকলোখিনিয়েই যদি পৰিবৰ্তন, তেনেহলেও সকলো পৰিবৰ্তন জগতৰ স্থায়ী সত্তাক কেন্দ্ৰ কৰিয়েই হৈছে।

বিজ্ঞানেও Conservation of energy অৰ্থাৎ শক্তিৰ অবিনাশিত্যত বিশ্বাস কৰে। নিশ্চয় পৰিবৰ্তন কথাটোৱেই এটা শাশ্বত সত্তাৰ অস্তিত্বক নিৰ্দেশ কৰিছে। তেওঁলোকে আৰু কয় যে আমি স্থিতিশীল হৈ একে ঠাইতে থাকিব নালাগে, আমি গতিশীল হৈ প্ৰগতিৰ পথত আগুৱাই যাব লাগে। ইয়াতো সেই একে প্ৰশ্নই উঠে। ধৰ্ম গতিশীল হব লাগিলেও

ইয়াৰ অন্তৰ্নিহিত এটা শাশ্বত বা সনাতন সত্তা থাকিবই লাগিব। নহলে কি গতিশীল হব? গতিশীলতাত যি পৰিৱৰ্তন দেখা যায়, সি মৌলিক সত্তাৰ পৰিৱৰ্তন নহয়, বিকাশ হে।

জাগতিক সকলো বস্তুৰেই পৰিৱৰ্তন হলেও বহু সহস্ৰ বছৰৰ ক্ৰমবিকাশৰ পিছতো মানুহ পৰিবৰ্তিত হৈ অন্য কোনো জীৱত পৰিণত হোৱা নাই। অৰ্থাৎ মনুষ্যত্বৰ প্ৰকৃতি একেই আছে, ইয়াৰ বিকাশ হব পাৰে, কিন্তু পৰিৱৰ্তন নহয়। মানৱ জাতিৰ বিভিন্ন পৰিৱৰ্তনৰ মাজতো তাৰ গুণগত মূল্যৰ পৰিৱৰ্তন হোৱা নাই। সেইদেখি মানুহ গতিশীল বুলিও যদি কোৱা হয়, সি তাৰ মৌলিক সত্তাৰ পৰা আঁতৰি যোৱা নাই। আনহাতে বাহ্যিক পৰিৱৰ্তনো সকলো সময়তে ক্ৰমবিকাশৰ প্ৰগতি নহবও পাৰে। ভুল সাময়িক পৰিৱৰ্তনে মনুষ্যত্বৰ বিকাশৰ স্বাভাৱিক গতিক সাময়িকভাৱে ব্যাহত কৰিব পাৰে মাথোন। মানুহৰ সত্তা গতিশীল বুলিলে বিকাশৰ পথত গতিশীল হোৱাটোকে বুজায়, সত্তাৰ পৰিৱৰ্তনক নুবুজায়।

আমাৰ অতীতে বা আমাৰ ককাদেউতাইতৰ কাৰ্য-কলাপে সেইবোৰৰ সীমাৰ ভিতৰত আমাক বান্ধি ৰাখিব নোৱাৰে সঁচা, কিন্তু আমাৰ মনুষ্যত্বক আমি অতিক্ৰম কৰিবও নোৱাৰোঁ। এই মনুষ্যত্ব শব্দটো'ৰ ভিতৰত বহু কথা সোমাই আছে। আমি দেখিবলৈ পাইছোঁ যে মানুহৰ আচল সত্তা আধ্যাত্মিক। এই আধ্যাত্মিক সত্তাৰ উপলব্ধিৰ প্ৰচেষ্টাই মনুষ্যত্ব আৰু মানুহৰ ধৰ্ম, আৰু এই ধৰ্ম সনাতন।

আপাত দৃষ্টিত যি পৰিৱৰ্তন বুলি বোধ হয় সেই পৰিৱৰ্তনৰ মাজেদি মৌলিক সত্তা অপৰিৱৰ্তিত হৈ থকাৰ আন এটা উদাহৰণ দিয়া হওক। বটগছৰ অকণমানি গুটিটোৰ পৰা বিৰাট বটগছৰ উদ্ভৱ হয়। বীজস্বৰূপ গুটিটো তাৰ বিকাশ বিৰাট গছদালত হেৰাই যোৱা নাই। বটগছদালৰ ভিতৰত অন্তঃপ্ৰৱিষ্ট হৈ আছে। নহলে, গছৰ পৰা গুটিটো আকৌ কেনেকৈ ওভোতাই পালোঁহেঁতেন?

ওপৰৰ আলোচনাৰ পৰা এই কথা গুলাই পৰিছে, যে জগতৰ সকলো বস্তুৱেই অবিৰাম গতিত পৰিৱৰ্তিত হৈ থকা নাই। তথাকথিত পৰিৱৰ্তনৰ মাজেদি কিবা এটা স্থায়ী সত্তাকেই বিৱৰ্তনৰ পথত আগ বাঢ়ি গৈ থকা দেখা পাওঁ। এই বিৱৰ্তন স্থায়ী সত্তাৰ ক্ৰমবিকাশহে। মানৱ ধৰ্মও এই অৰ্থত সনাতন কিয়নো এই ধৰ্মৰ অন্তৰ্নিহিত সত্যৰ পৰিৱৰ্তন নাই। যেনে, মানুহে চিৰকাল তাৰ আত্মোপলব্ধিৰ পথত আগবাঢ়ি যাবই। আগতেই কোৱা হৈছে যে এই প্ৰচেষ্টা তাৰ মনুষ্যত্ব, তাৰ ধৰ্ম আৰু ই সনাতন।

মহাভাৰতত সনাতন ধৰ্ম কথাটো অত্যন্ত বহল অৰ্থত লোৱা হৈছে।

সত্যং বদত মাসত্যং সত্যং ধৰ্মঃ সনাতনঃ।

(অনুশাসন পৰ্ব)

আচলতে সত্যৰ স্বৰূপ অপৰিৱৰ্তনীয়—শাশ্বত। সত্যই ভগবান। সত্যৰ অপলাপ পৰম অধৰ্ম।

সনাতন ধৰ্মৰ লক্ষণ সম্পৰ্কে আকৌ মহাভাৰতত কোৱা হৈছে,

অহিংসা লক্ষণো ধৰ্মঃ ইতি ধৰ্মবিদো বিদুঃ

ধৰ্মজ্ঞ পুৰুষসকলে ইয়াক জানে যে অহিংসাই ধৰ্মৰ লক্ষণ সত্যস্বৰূপ ভগৱান নিজে অহিংসাময়।

ধৰ্মৰ প্ৰসঙ্গত হিন্দুৰ পঞ্চম বেদস্বৰূপ মহাভাৰতত নিৰ্দেশ হৈছে—

নাস্তি সত্যাৎ পৰো ধৰ্মঃ নানৃতাৎ পাতকো মহৎ।

ধৰ্মস্য হি স্থিতি সত্যং তস্মাৎ সত্যং ন লোপয়েৎ।

সত্যতকৈ শ্ৰেষ্ঠতৰ ধৰ্ম নাই, মিথ্যাভাষণতকৈ ডাঙৰ পাপ নাই, সত্যই ধৰ্মৰ আধাৰ, এতেকে সত্যৰ লোপ নকৰিব। গতিকে দেখা গৈছে মহাভাৰতৰ মতে ধৰ্মৰ ভিত্তি হৈছে সত্য আৰু লক্ষণ হৈছে অহিংসা।



মহাভাৰতত আন এঠাইত আছে,

বেদোক্তঃ পৰমো ধৰ্মঃ স্মৃতিশাস্ত্ৰগতোঽপৰঃ।

শিষ্টাচীৰ্ণোঽপৰঃ প্ৰোক্তস্ত্ৰয়ো ধৰ্মাঃ সনাতনাঃ॥

(অনুশাসন পৰ্ব)

অৰ্থাৎ বেদত উল্লিখিত শ্ৰেষ্ঠধৰ্ম, দ্বিতীয়তে বেদানুকূল স্মৃতি শাস্ত্ৰসমূহত বৰ্ণিত স্মাৰ্ত ধৰ্ম আৰু তৃতীয়তে শিষ্টপুৰুষ সকলে আচৰণ কৰা ধৰ্ম এই তিনিবিধেই সনাতন ধৰ্ম।

শিষ্টপুৰুষৰ প্ৰদৰ্শিতপন্থক সনাতন ধৰ্মৰ ভিতৰত ধৰা হৈছে এই কাৰণতে যে "ধৰ্মস্যতত্ত্বঃ নিহিতঃ গুহায়াম্ মহাজনঃ যেন গতঃ স পন্থাঃ।" নিজে ধৰ্মৰ তত্ত্ব বিচাৰি পোৱা অত্যন্ত কঠিন, সেই দেখি মহাজনৰ অৰ্থাৎ শিষ্টজনৰ পদাঙ্ক অনুসৰণ কৰিব লাগিব।

স্মৃতিৰ সম্পৰ্কে বহুতৰে ভুল ধাৰণা থাকিব পাৰে। মহৰ্ষি মনুৰ তলৰ বাক্যৰ পৰা এই ভুল ধাৰণা আঁতৰিব—

"বেদাৰ্থ স্মৰণাৎ স্মৃতি"

বেদাৰ্থ স্মৰণ কৰা হেতুকেই স্মৃতি নাম দিছে। মহাকবি কালিদাসেও ৰঘুবংশত লিখিছে,

শ্ৰুতেৰিবাৰ্থং স্মৃতিৰন্বগচ্ছৎ

অৰ্থাৎ শ্ৰুতিৰ অৰ্থক যেনেকৈ স্মৃতিয়ে অনুগমন কৰে ইয়াৰ পৰা এই কথা স্পষ্ট হৈছে যে স্মৃতিয়ে বেদ অনুসৰণ কৰিবই লাগিব। আনহাতে বেদ হৈছে ঋষিসকলে অন্তঃপ্ৰজ্ঞাৰ সহায়ত বা গভীৰ ধ্যানত পোৱা সত্যসমূহ।

মহৰ্ষি মনুৱে ধৰ্মৰ সূত্ৰ সংক্ষেপতে এইদৰে দিছে:—

অহিংসা সত্যমস্তেয়ং শৌচমিন্দ্ৰিয়নিগ্ৰহঃ।

এতং সামাসিকং ধৰ্মং চাতুৰ্বৰ্ণ্যেঽব্ৰবীন্মনুঃ॥

অহিংসা, সত্য, অস্তেয়, শৌচ (শুচিতা অন্তৰ আৰু বাহ্য) আৰু ইন্দ্ৰিয় সংযম এই পাঁচবিধ ধৰ্ম সকলোৰে।

ওপৰত প্ৰথমতে সনাতন ধৰ্মৰ লক্ষণ দিয়া হৈছে; সেইবোৰ সকলো ধৰ্মতেই প্ৰযোজ্য। তাৰ পিছত বেদধৰ্ম, স্মৃতিধৰ্ম আৰু শিষ্টজনৰ আচৰণ এই তিনিও বিধক সনাতন ধৰ্ম বুলি মহাভাৰতে কৈছে। মহৰ্ষি মনুৱেও অহিংসা, সত্য, অস্তেয়, শৌচ আৰু ইন্দ্ৰিয় সংযম সকলোৰে আচৰণীয় ধৰ্ম বুলি কলে। এই বিলাক কথাৰ তাৎপৰ্য এই যে সনাতন ধৰ্মৰ সত্য আৰু অহিংসাত (প্ৰেম) সিদ্ধি লাভ কৰিব লাগিলে শ্ৰীমদ্ভগৱদ্গীতোক্ত যোগৰ যম, নিয়ম, আদি পালন ভক্তিমাৰ্গৰ অনুসৰণ আৰু তদুপৰি শিষ্টজনৰ পদাঙ্ক অনুসৰণ অপৰিহাৰ্য হৈ পৰে।

এতেকে হিন্দুৰ সনাতন ধৰ্মত বহুতো বৈশিষ্ট্য দেখা যায় যিবিলাক অন্য ধৰ্মত নাই। সেইদেখি আজি সনাতন ধৰ্ম বুলিলে হিন্দুধৰ্মকেই বুজায়।

হিন্দুৰ সনাতন ধৰ্মত উপনিষদ, গীতা আৰু বেদান্ত দৰ্শনৰ প্ৰভাৱ বৰ বেছি। এই প্ৰস্থান ত্ৰয়ৰ শিক্ষাই সনাতন হিন্দুধৰ্মৰ কেন্দ্ৰস্থল অধিকাৰ কৰি আছে।

এই প্ৰবন্ধৰ আদিছোৱাত মানৱ জীৱনৰ সদ্ব্যৱহাৰ আৰু লক্ষ্য প্ৰসঙ্গত এই বিষয়ে ভালেখিনি আলোচনা কৰা হৈছে। বস্তুতঃ মানৱ জীৱনৰ প্ৰয়োজনতে সনাতন ধৰ্মৰ আৱিষ্কাৰ হৈছে। সনাতন ধৰ্মৰ আৱিষ্কৃত তথ্যসমূহ বৈজ্ঞানিক বিচাৰ অনুমোদিত শাশ্বত সত্যৰ ভিত্তিত প্ৰতিষ্ঠিত আৰু এই কাৰণতে এই ধৰ্মই সনাতন ধৰ্ম নাম পাইছে।

সনাতন ধৰ্মই কৰ্মবাদত বিশ্বাস কৰে। ভগৱানৰ নৈতিক বিধান অনুসাৰে বিশ্বজগত চলিছে। ভাগৱত নিয়মৰ অনুকূল কৰ্ম ভাল কৰ্ম, আৰু ইয়াৰ প্ৰতি-কূল কৰ্ম বেয়া কৰ্ম। ভাল কৰ্মৰ ফল ভাল, আৰু বেয়া কৰ্মৰ ফল বেয়া। কৰ্মফলৰ হাত কোনেও সাৰিব নোৱাৰে। কৰ্মচক্ৰৰ ফলত পুনৰ্জন্ম নহৈ নোৱাৰে আৰু সেইদেখি পৰলোকৰ অস্তিত্ব অন-স্বীকাৰ্য আৰু এই হেতুকেই সনাতন হিন্দুধৰ্মই পৰলোক আৰু পুনৰ্জন্মত বিশ্বাস কৰে। থূলমূলকৈ কৰ্মবাদৰ তাৎপৰ্য ইমানখিনিয়েই।

বেদান্ত হৈছে সনাতন ধৰ্মৰ শ্ৰেষ্ঠ আশ্ৰয়। আৰু বেদান্তৰ সত্যসমূহ হৈছে সনাতন ধৰ্মৰ মুকুট মণি। ইয়াত পোৱা যায় জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ সেতু, আৰু জ্ঞানমাৰ্গৰ মোক্ষ আৰু আনন্দ, আৰু ভক্তি মাৰ্গৰ ভগবদ্ প্ৰেম। বেদান্ত দৰ্শনে মানুহক দিয়ে সংসাৰ দুঃখৰ হাত সাৰিবৰ প্ৰকৃষ্ট পথ আৰু মানৱ জীৱনক আনন্দময় আৰু সাৰ্থক কৰি তোলাৰ সৰ্বোৎকৃষ্ট উপায়।

ভগবদ্‌প্ৰেম সাধনাৰ বিভিন্ন পন্থাৰ ভিতৰত মধুৰ ভাৱৰ সাধনা হৈছে মহাপ্ৰভু শ্ৰীশ্ৰীচৈতন্যদেৱৰ কৃপাৰ অমূল্য দান। শ্ৰীমদ্ভগবদ্‌গীতাৰ ভক্তিযোগৰ প্ৰেম ধৰ্মই মধুৰ ভাৱ সাধনাত পৰাকাষ্ঠা লাভ কৰিলে। ভাগৱতৰ প্ৰেম ধৰ্ম গোপী প্ৰেমত আকৌ মূৰ্তি পৰিগ্ৰহ কৰিলে। গৌড়ীয় বৈষ্ণৱসকলৰ প্ৰেম সাধনাই নশ্বৰ মানৱ জীৱনক প্ৰেমৰ অমৰত্ব দান কৰিলে, মানৱ জীৱন মাধুৰ্যময় আৰু ধন্য হ'ল।

সনাতন হিন্দুধৰ্মৰ আন এটা বৈশিষ্ট্য হৈছে, ইয়াৰ মৌলিক, গভীৰ আৰু অকৃত্ৰিম সাম্যবাদ। সনাতন ধৰ্মী হিন্দুৱে সকলো জীৱৰ ভিতৰত নিজক দেখে আৰু নিজৰ ভিতৰত সকলো জীৱক দেখে। এই কথাৰ সৰল অৰ্থ এই যে সনাতন ধৰ্ম অনুসাৰে এক আত্মাই সকলো জীৱতে বিৰাজ কৰিছে। বিভিন্ন জীৱ এক আত্মাৰেই বিভিন্ন প্ৰকাশ মাথোন। পাৰমাৰ্থিক স্তৰত এক আত্মাহে আছে, অনন্ত বিশ্ব এক আত্মাৰেই প্ৰকাশ। সনাতন ধৰ্মী হিন্দুৰ মানত বিশ্বৰ সকলো মানুহেই তথা সকলো জীৱেই আপোন, কোনো পৰ নহয়।

এই সাম্যবাদে বিশ্বৰ সকলো ধৰ্মৰ মানুহৰ ভাগৱত জীৱনৰ পথত ঐক্যবদ্ধ কৰোক ইয়াকেই বিভুৰ চৰণত প্ৰাৰ্থনা কৰোঁ।

★ ★ ★

# কাৰ্বিসকলৰ বিহুগীত

শ্ৰীপ্ৰিয়ৰাম দাস

অসম এখন বিচিত্ৰ দেশ। ইয়াৰ বিচিত্ৰতাৰ তুলনা নাই। ইয়াত অনেক জাতি, অনেক ভাষা, অনেক ধৰ্মবিশ্বাস আছে আৰু আছে কৃষ্টি সংস্কৃতিৰ এখন বহল পথাৰ।

অসমৰ উল্লেখযোগ্য জনগোষ্ঠী কাৰ্বিসকল। এওঁলোকে বিশেষকৈ ভৈয়ামৰ কাৰ্বিসকলে বৰ উলহমালহেৰে বিহু পালন কৰে। তেওঁলোকৰ প্ৰেম-প্ৰীতিবোৰ গীতৰ যোগেৰে প্ৰকাশ কৰে।

প্ৰথম দৃষ্টিত কাৰ্বি ডেকাই কাৰ্বি গাভৰুৰ প্ৰেমত পৰি গীতেৰে প্ৰকাশ কৰি গায়:

"হাম বিৰিক জংক্ৰং হাম বিৰিক জংক্ৰং।
ৰিচ পেন মেনচ পেন চিলাঙ ক্ৰঙ ক্ৰঙ॥"

সূৰ্যমুখী জলকীয়াৰ সতে কাৰ্বি ডেকা-গাভৰুৰ প্ৰেমৰ দৃষ্টি বিনিময় হোৱাৰ কথা বৰ্ণনা কৰিছে।

কাৰ্বিসকলৰ ডেকা-গাভৰুৱে গোপন মিলন হলে ডেকাই গাভৰুক পলুৱাই অনাৰ নিয়ম আছে। এনে মিলাপ্ৰীতিৰ কথা লগৰ ছোৱালীয়ে গম পালে কেতিয়াকৈ পলাই যাব সোধে আৰু তেতিয়া তাই এনেদৰে উত্তৰ দিব:

"তুনতিয়াত্ তুনতিয়াত্ত,
হানে কিতুন আনিকে,
নাং ঠান ঠেল"॥

অৰ্থাৎ মই পলাই যোৱা দিনটোৰ কথা তোমালোকক নকওঁ। কাৰণ দিনটোৰ কথা জানিলে গাভৰুৰ পৰিয়ালে বাধা দিয়াৰ ভয়।

কাৰ্বি ডেকাই কাৰ্বি গাভৰুৰ মৰম পাবৰ বাবে অকলে লগ পোৱাৰ চেষ্টা কৰে। তেতিয়া গাভৰুৱে ফল ফুল আদিৰ মতে ৰিজাই গাব:

"হালি বাৰি আলাঙ তুঙ,
হালি বাৰি আলাঙ তুঙ,
নেফেল ফেলচি নেকি তুন"॥

ডেকাই গাভৰুৰ সৌন্দৰ্যত মুগ্ধ হৈ তাইৰ ৰূপৰ প্ৰশংসা কৰি গায়:

"আং চং কাং জাৰ আগু গুন আগু গুন
আমুকি চচি আগুন॥"

ডেকাই গাভৰুৰ খোজৰ তুলনা কৰি গাইছে:

"হান চৰং হেম
আতিং জৰ আতিং জৰ।
অমুকিচ আকেং কাচিছ জৰ॥"

অতীতত ডেকা গাভৰুৰ মন মিলিলে পলাই গৈছিল। বৰ্তমানে গাভৰুবোৰৰ বিয়া হোৱাৰহে ইচ্ছা। সেয়েহে গাভৰুৱে গায়:

"বাবু মুহৰি আলঙ পেন
নেকে তুনে হৰহাক পেন,
নেকে তুনে হৰহাক পেন।

তেতিয়া ডেকাই বুজিব গাভৰুৰ পলাই যোৱাৰ ইচ্ছা নাই।

ডেকাই যেতিয়া গাভৰুৰ প্ৰেমত পৰিব তেতিয়া মৰমৰ উপহাৰ হিচাপে নানা বস্তু দিয়ে। যেনে— তেল, পাউদাৰ, চোলা আদি। তেতিয়া গাভৰুৱে গাব:

"আকেঙ বিথি আকেঙ বিথি
গনতেল পাউদাৰ হানে কিপি॥"

কেতিয়াবা সম্পৰ্কৰ ভিতৰতে যদি ডেকা গাভৰুৰ মিল হয়—সমাজে জৰিমনা কৰে নাইবা সমাজৰ দায়ৰ ভয়ত আঁতৰি যায় তেতিয়া গাভৰুৱে এবি যোৱা বুলি ভাবি আক্ষেপ কৰি গায় :

টাৰ মেনে আকিমে চাঙ ক্ৰিল মিচাঙচেঙ
চাঙক্ৰিলপে আকাঙশ বামেলঙ কোৱাইবে।

যদি তাই ধুনীয়া হল হয় তেতিয়াহলে তাইক কেতিয়াও অৱহেলা নকৰিলে হয়। কিন্তু গাভৰুৱে আচল কথা বুজিবৰ ইচ্ছা নকৰে।

গাভৰুৱে মনৰ ডেকাজনৰ মতে বিয়া সোমাব নোৱাৰাত দুখ কৰে আৰু এনেদৰে গাই বেজাৰ কৰে।

"হেনক ছুঙকেক হেনক ছুঙকেক,
নাঙকি ছুন ব্লঙ ব্লে চি নে নেঙ কি কেক্।"

এইটো পৰিৱৰ্তনৰ যুগ। গাভৰুৰ মনো গাৱঁৰ সীমাৰ ভিতৰতে আৱদ্ধ হৈ থাকিব নোখোজে। সিহঁতেও গুৱাহাটীৰ দৰে আধুনিক চহৰত থকা শিক্ষিত আৰু মাৰ্জিত ৰুচিৰ লৰাৰ সতে বিয়া হবৰ ইচ্ছা কৰে। কাৰণ কৰ্মহীন আৰু ভৱিষ্যত-হীন লৰাৰ মতে বিয়া হলে সংসাৰ যাত্ৰাত বিসঙ্গতি হয়।

"ৰ-ইক আপে ৰ-ইক আপে
ছুনে তিনি ছুনত দা বৰ বেমাৰ পে।"

ডেকা গাভৰুৰ অবাধ মিলামিছা হয় সেই মিলামিছাৰ কথা যাতে কোনেও নাজানে তাৰ বাবে ডেকা গাভৰু উভয়ে সাৱধান হয়। এই ক্ষেত্ৰত ডেকাতকৈ গাভৰু বেছি সাৱধান। সেই কাৰণে গাভৰুৱে ডেকাই শুনাকৈ গায় :

"ওথ পৰ্বত হিমালয় ওথ পৰ্বত
নকৰি নকৰি মোৰে শপত।"

কাৰ্বিসকলে আলহীক পিঠাগুৰি, ঔ টেঙা মাছেৰে আঞ্জা ৰান্ধি খুৱাবলৈ ভাল পায়। তাকে কাৰ্বি-সকলে তেওঁলোকৰ প্ৰিয় খাদ্যৰ কথা বিহুগীতেৰে প্ৰকাশ কৰিছে।

"আলহী আহিছে আমাৰ ঘৰহ
ঔ টেঙা পিঠাগুৰি চৰাইৰ মঙহ।"

গাভৰুৱে নিজৰ ভালপোৱা ডেকাজনৰ সতে বিয়া হোৱাৰ কল্পনা কৰি থাকোতেই কেতিয়াবা সপোনত বিয়া হোৱা দেখে তেতিয়া ডেকাই শুনাকৈ গাভৰুৱে গাব :

"থেংপে আৰব অ ঠেংচ আৰব
নেকি পন কি ঠেক দাম হানে ফাল।"

ডেকা গাভৰুৰ মিলামিছা দেখি আৰু ছোৱালী জনীৰ ডেকালৈ বিয়া সোমোৱাৰ দৃঢ়তা দেখি গাভৰুৰ মাকে ল'ৰাক সোনকালে নিবলৈ কয় :

"ৰ-কুলি নিছৱালী ৰ-কুলি,
পনে তিনে পনত দা অচ পুলি,
মিনাপ মিনি মিনাপ মিনি
পনে তিনে পন চাৰাক অচ পুলি॥"

কাৰ্বি ডেকাই গাভৰুক পলুৱাই নিয়াৰ নিয়ম আছে। এনেদৰে নিব খুজিলে গাভৰুৱে ভয় কৰে। কাৰণ সমাজে ডেকাৰ ওপৰত বিচাৰ কৰি জৰিমনা কৰিব। সেয়েহে তাই বাধা দিয়ে—

'ইটাৰাঙ চৈৰাচ বিচাৰকে বিচাৰে,
হৰ ধাকাকে ৰাঙ জাপ মে দেই॥"

ডেকাই গাভৰুক নিয়াৰ পাছত সমাজৰ হেচাত জৰিমনা আদি ভৰিবৰ বাবে ভয় নকৰে। সেয়ে ডেকাই গায়—

"বিচাৰতা ফেৰেৰে নেহৰ জাকতা ফেৰে
হৰ লাঙ লাঙ ফেৰেৰে নে ৱলতা
ফেৰেৰে ফাকলতা ফেৰে বেনে।"

গাভৰুৰ মাত শুৱলা হলে ডেকাই প্ৰশংসা কৰি গাব :

"ঠেঙপে আৰব আঙলক চ আৰ্ল
লাকু পাকু আৰচ বাদি
নাঙ চি চ কাম চাম জিনজিন"

আকৌ ডেকাই গাভৰুৰ মাতকে কুমলীয়া গছৰ পাত আৰু কেতেকীৰ মাতৰ লগত তুলনা কৰে :

"আলঙ নেচানি পে পাৰা,
আৰ জাপ জাপ নাঙ লাঙ পুমানতা,
নাং ঠেকঠে চিজত জত নাং
লাঙ নাঙ ঠেকঠে॥" ●

# যজ্ঞেশ্বৰ শৰ্মা নেওগ আৰু তেওঁৰ এটা প্ৰবন্ধ

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ (স্থাপিত ১৮৮৮) সদস্যসকলৰ ভিতৰত যজ্ঞেশ্বৰ শৰ্মা নেওগ এজন অত্যুৎসাহী সাহিত্যানুৰাগী ব্যক্তি আছিল। তেওঁ ১৮৮৯-৯০ চনত জনদিয়েক ছাত্ৰৰ সৈতে কলিকতাৰ ৬২ নং সীতাৰাম ঘোষ ষ্ট্ৰীটৰ 'মেছ' এটাত আছিল। এই মেছনিবাসী ছাত্ৰসকলৰ স্বভাৱ-চৰিত্ৰ, ৰুচি আৰু সাহিত্য-অনুৰাগৰ আভাস বিৱিত্তি উঠা তেওঁ এটা ৰেমেলীয়া পদ্য ৰচনা কৰিছিল। তাত তেওঁ নিজৰ বিষয়ে লিখিছে :—

"কুঠৰী ষষ্ঠত দেখ, যজ্ঞেশ্বৰ
শৰ্ম্মাই বহি ভাবিছে কিবা
কেঁৰা চকু দুটা বেগেৰে ঘুৰাইছে
কাৰোবাৰ কিবা কৰিব চাবা।"

(অৰ্ঘ্যাৱলী)

এইজনেই হ'ল যোৰহাটৰ পইতা নেওগৰ ঘৰৰ কলিকতাত উচ্চ শিক্ষা লাভ কৰা যজ্ঞেশ্বৰ শৰ্মা নেওগ। তেওঁ পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ভগ্নীপতি আছিল, আৰু অকালতে মৃত্যু বৰণ কৰে। তেওঁ দুই এটা প্ৰবন্ধ ৰচনা কৰিছিল। জোনাকীত ওলোৱা প্ৰবন্ধকেইটা হ'ল—উপদেশ (দ্বিতীয় ভাগ দ্বাদশ সংখ্যা ১৮১২ শক পুহ, পৃষ্ঠা :৫৩), অন্ধৰ দোষ গুণ বিচাৰ (তৃতীয় ভাগ তৃতীয় সংখ্যা ১৮১২ শক পৃঃ ৭৮), ৺ৰাজা ৰাজেন্দ্ৰলাল মিত্ৰ (তৃতীয় ভাগ ৭ম সংখ্যা শাওণ ১৮১৩ পৃঃ ১২৭) ইত্যাদি। তলত 'উপদেশ' প্ৰবন্ধটিৰ হুবহু পাঠ দিয়া হ'ল।

নবিয়া-নপৰিয়া হলে আমি যেনেকৈ দৰৱ-জাতি খাবলৈ ভাল নেপাও সেইদৰে আমাৰ দোষ দেখি অন্যে সেই দোষ সংশোধন কৰিবৰ মনেৰে উপযাচি উপদেশ দিলেও ভাল নেপাওঁ। কোনোৱে আমাক তেনে সময়ত উপদেশ দিলে তেওঁ আমাক তেওঁতকৈ হীন বা নজনা জ্ঞান কৰি উপদেশ দিছে যেনহে ভাবোঁ। তেওঁ সেই বিষয়ত যিমান আগ্ৰহ দেখুৱায় আমাৰ তেওঁলৈ সিমান অশ্ৰদ্ধা হয়। প্ৰকৃততে অনেক উপদেষ্টাই আমাক তেওঁবিলাকতকৈ সকলো কথাতে হীন যেন দেখে। হৈ যোৱা কথাত কোনোৱে নানা প্ৰকাৰে মতামত প্ৰকাশ কৰি, 'তুমি গুণেহে এনে কৰিলা মই হোৱা হলে এনেহে কৰিলোহেঁতেন' এনে কথাৰে নিজৰ বাক্‌চাতুৰ্য্য দেখুৱায়; কিন্তু তেওঁৰ সেই উপদেশত সাৰৰ ভাগ নিচেই কম। মানুহক উপদেশ-ঔষধ বলেৰে খুৱাব নোৱাৰি, তাত মাথোন কৌশলেহেহে বল।

আমি অনেক বিধৰ উপদেশ শুনিবলৈ পাওঁ। তাৰ ভিতৰত তলত লিখা চাৰিবিধৰ উপদেশেই হে আমাৰ মনত ঠাই পায়। (১) আমি কোনো

এটা কাম কৰিবলৈ ঠিক কৰি এজনৰ পৰামৰ্শ ললে তেৰেঁ। যদি তাকে ভাল বোলে তেতিয়া আমাৰ উৎসাহ বাঢ়ি কামটি কৰিবলৈ আগ্ৰহ হয়। (২) এজন মানুহে এটি কাম কৰি কষ্ট পাই তেওঁৰ দুঃখৰ বৰ্ণনাৰ লগে লগে আমাক যিটি উপদেশ দিয়ে আমি সেই উপদেশটি এক মনেৰে কাণ পাতি শুনো আৰু তেনে কাম নকৰিবলৈ চেষ্টা কৰোঁ। (৩) অন্যে এটা কাম কৰি সু-ফল লাভ নে কু-ফল লাভ তাক চাই আমি তেনে কাম কৰিবলৈ আগবাঢ়োঁ বা পিছ হোঁহকো—এয়ো একৰকমৰ উপদেশ। (৪) ভাল ভাল উপকথা সাধু-কথাৰ পৰাও আমি এক প্ৰকাৰ উপদেশ পাওঁ।

কোনো বিষয়ে ভালকৈ জানিবৰ মন হলে আমি অকল আমাৰ মতে মত দিয়া মানুহৰে পৰামৰ্শ লব নেলাগে। বিপৰীত মতাবলম্বীৰ মত শুধিব লাগে, তেতিয়া দুইটি মতৰ তুলনা কৰি আমি ভালটি বাছি লব পাৰোঁ। লৰ্ড বেকনে তেওঁৰ জগৎ বিখ্যাত ৰচনাৱলীৰ 'মন্ত্ৰণা' শীৰ্ষক ৰচনাত লেখিছে—ৰজাইও মন্ত্ৰণা নকৰাকৈ কোনো কাৰ্য্যত হাত নিদিব। প্ৰথমতে মন্ত্ৰীসকলৰ মতামত গ্ৰহণ কৰিব, তাৰ পাছত সেই মত আপোন মতেৰে মিলাই কাৰ্য্যত প্ৰবৃত্ত হব।

অনেক মানুহে নিজে এটা কাম কৰিবলৈ ঠিক কৰি ওপৰঞ্চি বিলাকক সুধুধি কাম কৰিলে বেয়া পায় বুলি শোধে কিন্তু কামত নকৰে, সেইদৰে কৰিলে আমাৰ অপকাৰৰ বাহিৰে উপকাৰ হোৱাৰ আশা নাই। কাৰণ আগেয়ে বেয়া কাম কৰা বাবেহে দোষী হলোহেতেন এতিয়াও বেয়া কাম কৰা আৰু তেওঁবিলাকৰ অবাধ্য হোৱা এই দুইটা কামত দোষী হম।

মানুহ চাই উপদেশ শুধিব লাগে, কিয়নো অনেক মানুহ আছে যি কেৱল তেওঁবিলাকৰ নিজৰ উপকাৰ হোৱা কামকেহে আমাক কৰিবলৈ উপদেশ দিয়ে, কিন্তু জ্ঞানী মানুহক উপদেশ শুধিলে তেওঁ নিজে তেনে অৱস্থাতে কেনে কৰিলেহেতেন, তাক সৰল চিত্তেৰে আমাক বুজাই দিয়ে আৰু আমাকো তেনে কৰিবলৈ পৰামৰ্শ দিয়ে, সেয়ে আমাৰো প্ৰকৃত উপকাৰ কৰে। সেইদৰে আমি দিওঁতেও কেনেকৈ কাণত ভাল শুনা যাব, তাৰ্লৈ চেষ্টা নকৰি যিহতে আমাৰ পৰামৰ্শ সকলো প্ৰকাৰে অৱস্থা অনুযায়ী, কালোচিত আৰু স্থানোচিত হয়, আৰু উপদেশ লওঁতাৰো তাৰ পৰা প্ৰকৃত উপকাৰ হয়—তালৈহে চেষ্টা কৰি উপদেশ দিব লাগে।

যদি কোনো মানুহে এনে এটা বিষয়ত আমাৰ পৰামৰ্শ শোধে যত অকল তেওঁৰে নহয় আমাৰো লাভ আছে, তেতিয়া পৰামৰ্শ দিওঁতে আমাৰ লাভৰ কথাৰ মুঠেই উল্লেখ নকৰি কেৱল তেওঁৰ লাভ দেখুৱাইয়ে সেই কাম কৰিবলৈ বুদ্ধি দিয়া উচিত নহয়। কিয়নো সেই কাম কৰিবলৈ বুদ্ধি দিয়াৰ পিছত তেওঁ যদি তাত আমাৰো লাভ থকা দেখি-বলৈ পায়, তেতিয়া আমালৈ তেওঁৰ অশ্ৰদ্ধা হয়, আৰু আমি কেৱল স্বাৰ্থ-সাধনৰ নিমিত্তেহে তেওঁক সেই কাম কৰিবলৈ বুদ্ধি দিছিলোঁ যেন ভাব কৰি আমাৰ উপদেশ অৱজ্ঞা কৰে। খোড়া কথাৰ সাধুটি অনুমান কৰোঁ সকলোৱে জানে, খোড়াই দুইটাৰ উপকাৰ হব বুলি নকৈ অকল কণাৰেহে উপকাৰ হব বুলি কোৱা হলে এটাও ঘৰলৈ যাব নোৱাৰিলে হেতেন।

অনেক মানুহে আমাৰ পৰা কোনো সহায়ৰ আশা কৰি আমাৰ পৰামৰ্শ শুধিবলৈ আহে—তেওঁ জানিবা কোনো বৈষয়িক সঙ্কটত পৰিছে, কিন্তু তেওঁ আমাক প্ৰথমতে তাৰ কথা নকৈ অন্য কথাৰ উত্থাপন কৰে—পৰামৰ্শ লয়, পাছে কথাৰ প্ৰসঙ্গক্ৰমে কথাত কথা উলিয়াই প্ৰকৃত কথালৈ আহে। এইটো বৰ বেয়া দোষ, তেনে নকৰি মনৰ কথা খুলি কৈ দিলেহে তাতকৈ অধিক উপকাৰ হব পাৰে।

---

# আধুনিক গীতত অলঙ্কাৰ

শ্ৰীসুৰেন গোস্বামী

প্ৰকৃতিদত্ত ৰূপৰ ওপৰত অলঙ্কাৰ প্ৰয়োগ কৰি সৌন্দৰ্য্য বৰ্দ্ধন কৰাটো মানৱৰ এটা প্ৰবৃত্তি! ই মানুহৰ সৌন্দৰ্য্যবোধাবেগকে আঙুলিয়ায়। সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশত স্ৰষ্টাসকলে বিবিধ অলঙ্কাৰ প্ৰয়োগ কৰে। সঙ্গীতজ্ঞসকলেও সঙ্গীতত বিবিধ অলঙ্কাৰ প্ৰয়োগ কৰে। সঙ্গীতজ্ঞ ৺লক্ষ্মীৰাম বৰুৱাই সঙ্গীতৰ অলঙ্কাৰক মোটামুটিকৈ তিনি শ্ৰেণীত ভাগ কৰি গৈছে। যেনে :—(১) সুৰৰ অলঙ্কাৰ, (২) মাত্ৰাৰ অলঙ্কাৰ আৰু (৩) ভাৱৰ অলঙ্কাৰ। শাস্ত্ৰীয় সঙ্গীতৰ সুৰৰ ভিত্তিত যদিও বৰুৱাই এই শ্ৰেণীবিভাগ কৰিছে, তথাপি আধুনিক গীতৰ ক্ষেত্ৰতো এই বিভাজন বহুখিনি কাৰ্য্যকৰী হয়। বৰুৱাই এই বিভাজনৰ ওপৰতে নিৰ্ভৰ কৰি আধুনিক গীতৰ প্ৰকৃতি অনুসৰি কিছুমান ক্ষেত্ৰত পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন কৰাৰো দৰ্কাৰ বোধ কৰি সেইমতে ব্যাখ্যা দিয়া হৈছে।

(ক) **সুৰৰ অলঙ্কাৰ:** সপ্তস্বৰৰ ভিতৰত মিল থকা বা নথকা সুৰবিলাকে বাদী, সম্বাদী আদি অনুপাতেৰে দুটা বা তিনিটা মিলৰ সুৰ একেলগে বজালে বা গালে যি সুমধুৰ সুৰ হয় তাক সুৰৰ অলঙ্কাৰ বোলে। ইউৰোপীয় সঙ্গীতত মিলসুৰ আৰু অমিলসুৰ দুয়োটা মিহলি কৰি বজোৱা নিয়ম আছে। যি সুৰৰ লগত যি সুৰৰ মিল আছে তেনেকুৱা সুৰে সুৰে মিল কৰি বজালে অনুকূল (Concord) আৰু অমিল সুৰৰ মিলনক প্ৰতিকূল (Discord) বোলে।

এই নীতি আধুনিক গীতত মিলাবলৈ হলে কিছু কথা ভালদৰে লক্ষ্য কৰিবলগীয়া হয়। কিয়নো বৰুৱাদেৱে উক্ত কথা শাস্ত্ৰীয় সঙ্গীতৰ নীতি অনু-সৰি "স্বৰ"ৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱাৰ প্ৰতি লক্ষ্য কৰিহে উল্লেখ কৰিছে। আধুনিক গীতে সুৰ প্ৰকাশ কৰোঁতে স্বৰগ্ৰামৰ বাদী সম্বাদী নামানে। এই কথা সত্য যে মিলসুৰ আৰু অমিলসুৰ আদিক নাটকীয়ভাৱে আধুনিক গীতত মিলন ঘটাই সুশ্ৰাব্য গীত সৃষ্টি কৰা হয়। কিন্তু স্বৰৰ ভিত্তিত নহয়, হয় প্ৰচলিত জনপ্ৰিয় সুৰীয়া গীতৰ ভিত্তিত। যেনে :—কোনো গীতত বৰগীতৰ জনপ্ৰিয় সুৰৰ একাংশ আৰু নিচুকনি বা আন তেনে গীতৰ সুৰৰ একাংশ বা আন যি কোনো গীতৰ সুৰ আনি কৌশলেৰে মিলন ঘটাই এটা পূৰ্ণাঙ্গ সুৰ সৃষ্টি কৰা হয়। গতিকে আধুনিক গীতৰ ক্ষেত্ৰত সুৰৰ বাদী সম্বাদী স্থিৰ কৰা অসাধ্য। কিন্তু অনুকূল আৰু প্ৰতিকূল নীতি উল্লেখ কৰাৰ দৰে সুৰৰ আংশিকতাৰ দৃষ্টিত হব পাৰে।

তথাপি আমি আধুনিক গীতৰ ক্ষেত্ৰত বাদী-সম্বাদী ৰচনাৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ণয় কৰিব

পাৰো আৰু ইয়াত ৰচনাৰ অলঙ্কাৰ বুলি আন এবিধ অলঙ্কাৰো বিচাৰি লব পাৰো।

(খ) **ৰচনাৰ অলঙ্কাৰ :** আধুনিক গীত কথা আৰু ভাব-প্ৰধান। এই হিচাপে ইয়াৰ ভাব আৰু ৰচনা ৰীতিয়েই বাদী, সম্বাদী, বিবাদী আৰু ইয়াতেই গীতৰ সৌন্দৰ্য্যবোধক অলঙ্কাৰ নিহিত। শাস্ত্ৰীয় সঙ্গীতে স্বৰৰ ভিত্তিত দিয়া সূত্ৰৰ লগত সামঞ্জস্য ৰাখি আমি আধুনিক গীতৰ ভাব আৰু ৰচনাৰ বাদী, সম্বাদী আদিৰ ব্যাখ্যা দিব পাৰোঁ এনেদৰে :

১। **বাদী :**

শাস্ত্ৰীয় সঙ্গীতৰ মতে :— যি ৰাগত যি স্বৰ বেছি ব্যৱহাৰ হয়, সেই ৰাগত সেই স্বৰ বাদীস্বৰ।

**আধুনিক গীতত :** যি মুখ্য অনুভূতি বা ভাবে যি গীতত প্ৰধানকৈ ঠাই পায়, সেই ভাবানুভূতি সেই গীতৰ বাদী অনুভূতি। অৰ্থাৎ, শাস্ত্ৰীয় সঙ্গীতত যদি 'স্বৰ' বাদী হয়, আধুনিক গীতত বাদী হয় 'অনুভূতি'।

২। **সম্বাদী :**

শাস্ত্ৰীয় সঙ্গীত মতে :— বাদী স্বৰতকৈ কম, কিন্তু আন স্বৰতকৈ বেছি। যি স্বৰ ৰাগত ব্যৱহাৰ হয়, তাক সম্বাদী স্বৰ বোলে।

**আধুনিক গীতত :**— যি মূল অনুভূতি বা আবেগ গীতত ব্যক্ত হওঁতে তাৰ সহগামী যি অনুভূতি বা আৱেগে পৰোক্ষে গীতৰ ভাব প্ৰকাশত সহায় কৰে তাক সম্বাদী অনুভূতি বোলে। উদাহৰণ স্বৰূপে— পৰদেশীয় আক্ৰমণক তিৰস্কাৰ কৰি ৰচনা কৰা এটা গীতৰ বাদী অনুভূতি হ'ব পাৰে স্বদেশ-প্ৰেম আৰু সম্বাদী অনুভূতি হব পাৰে পৰদেশৰ আক্ৰমণমূলক কাৰ্য্যৰ প্ৰতি হোৱা বিৰক্তি বা তিক্ততা।

৩। **বিবাদী :**

শাস্ত্ৰীয় সঙ্গীতৰ মতে যি ৰাগত যি স্বৰ বৰ্জ্জিত বা যি স্বৰ ব্যৱহাৰ কৰিলে ৰাগৰ সৌন্দৰ্য্য হানি হয়, তাক বিবাদী স্বৰ বোলে।

**আধুনিক গীতত :** কোনো অনৰ্থক শব্দ সংযোজনা বা বিক্ষিপ্ত ভাবানুভূতি যি গীতত নাস্ত হৈ কাব্যৰস হানি কৰে, শ্ৰোতাৰ আৱেগাত্মক নহয় বা গীতৰ সমাজ কেন্দ্ৰিকতা হেৰায়, তাক বিবাদী অনুভূতি বুলিব পাৰি। নিম্নোক্ত গীতটো বিবাদী গীতৰ উদাহৰণ :—

"এপাহি গোলাপ তোমাৰ বাবে
এপাহি গোলাপ মোৰ
যৌৱন উতলা হিয়া সখি
পেলাব জানো ভুৰ ?
এটি তোমোৰা যেন মোৰ
এই ভাল পোৱা
মৰম বিচাৰি ফুৰে
কিনো আকলুৱা,
এপাহি গোলাপে দিব জানো
হেৰোৱা জীৱনৰ সুৰ ?
উঠা নাই এতিয়াও
আকাশৰ পূৱেৰুণ
সুদূৰত চোন আছে জলি
পূঁৱতীৰ শেঁতা জোন
হৰনে গোলাপে জীৱন প্ৰতীক
হৰনে আন্ধাৰ দূৰ ?"

এজন ন গীতিকাৰৰ এই গীতটোৰ অনুভূতি, প্ৰেম, আক্ষেপ নে কামনা সেই কথা স্পষ্ট নহয়। দ্বিতীয়তে, গীতটিত থকা তিনিটা স্তৱকত অনুভূতি তিনিটা বিভিন্ন পৰিস্থিতি বা পৰিবেশ সাপেক্ষে উদ্ভৱ হৈছে আৰু সেয়ে কাব্যিক বা আনুভূতিৰ শৃঙ্খলাত বাধা পৰিছে। আনহাতে যি অনুভূতিয়েই নহওক লাগিলে অনুভূতি গীতিকাৰৰ আত্মকেন্দ্ৰিক হৈ পৰিছে। আৰু সেয়ে ইয়াত শ্ৰোতা বা পাঠকৰ সেই অনুভূতিত আৰোহণ কৰাৰ পৰা শক্তি নাই। এনেবোৰ কাৰণত গীতটো বিবাদী অনুভূতিসম্পন্ন গীত।



(গ) **মাত্ৰাৰ অলঙ্কাৰ :** মাত্ৰাৰ অলঙ্কাৰ সুৰৰে আন এবিধ অলঙ্কাৰ। ইয়াক প্ৰধানকৈ গায়কৰ কণ্ঠ বৈশিষ্ট্যইহে নিৰ্ণয় কৰে। গীতৰ কথাৰ কোনো এটা মাত্ৰাত দেখুওৱা নানান কাৰু-কাৰ্য্যকে মাত্ৰাৰ অলঙ্কাৰ বোলে। এই অলঙ্কাৰ কেবাপ্ৰকাৰেও বিভাজন কৰিব পাৰি :—

১। **আঁচ :** গীতৰ কথাৰ কোনো এটা আখৰত দুটা বা ততোধিক সুৰ প্ৰকাশ কৰাক আঁচ অলঙ্কাৰ বোলে। কিন্তু সেইবিলাক সুৰৰ বিচ্ছেদ বা দম ছটিব নোৱাৰে আৰু মাত্ৰা পাৰ হৈ যাব নোৱাৰে। "আমি অসমীয়া নহওঁ দুখীয়া" নামৰ জনপ্ৰিয় গীতটিৰ উদাহৰণেৰেই আধুনিক গীতৰ বহুততে এই অলঙ্কাৰ ব্যৱহাৰ হোৱাটো আঙুলিয়াব পাৰি। এই গীতত "নহুৰে দিলে বিশুদ্ধ ধৰম, লাচিতে বাহুত বল" বুলি গাওঁতে এটা বৰ্ণত কেনেদৰে দুটা বা ততোধিক স্বৰ প্ৰকাশ হৈছে তাক স্বৰলিপিৰে দেখুৱা হল—

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| সা | ৰে | গা | গাপা | পা | পা | পা | — | — | — | — | — |
| ন | হু | ৰে | দি | লে | — | বি | শুদ | ধ | ধ | ৰ | ম |
| সা | ধা | ধা | ধা | পাধাপা | গা | গাপা | — | — | — | — | — |
| লা | চি | তে | বা | হু | ত | ব | — | ল | — | — | — |

ইত্যাদি

(স্বৰলিপি—বীৰেন দত্ত)

২। **মিড্ :** এটা মাত্ৰাৰ ভিতৰতে এটা সুৰৰ পৰা আন এটা সুৰলৈ অতি ধৰকৈ আৰু অবিচ্ছেদ্য ভাৱে গতি কৰাকে মিড্ অলঙ্কাৰ বোলে। কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতত এনে মিড্ বহুকৈ প্ৰচলন হোৱা দেখা যায়। আধুনিক অসমীয়া গায়কৰ ভিতৰত ডঃ ভূপেন হাজৰিকাই মিড্ অলঙ্কাৰ বেছি ব্যৱহাৰ কৰে। কোনো কোনো গীতৰ কথাৰ তিনিটা অক্ষৰ যুক্ত কোনো এটা শব্দত হাজৰিকাই হঠাতে মাজৰ আখৰটো পোৱাৰ আগে আগে 'হ' বৰ্ণ এটি উদাৰা গ্ৰামত উচ্চাৰণ কৰি আকৌ আগৰ ঠাইলৈ ঘূৰি যায়। যেনে :—বাহৰ ( মা মা পা )>বাহহ্‌ৰ ( মা ধা পা )। শ্ৰীমতী দিপালী বৰঠাকুৰে গোৱা "হাতো নেমেলিবি, ফুলো নিচিভিবি" গীতটিৰ 'ফুলো' আৰু 'মাহী' শব্দত আৰু নলিনী চৌধুৰীয়ে গোৱা 'সোণগুটি গাঁৱৰে ৰূপহী গাভৰু' নামৰ গীতটিৰ 'অতীত' শব্দত মিড্ অলঙ্কাৰৰ আভাস পোৱা যায়।

বৰঠাকুৰে গোৱা গীতটিৰ মতে 'লো' আৰু 'হী' অক্ষৰ তাৰা গ্ৰামৰ গা স্বৰত ব্যৱহাৰ হয় যদিও 'পা' স্বৰৰ পৰা ঘূৰি আহিহে 'গা'ত থিতাপি লৈছে। সেইদৰে নলিনী চৌধুৰীৰ গীতটিত থকা 'অতীত' শব্দৰ 'তী' স্বৰটি তাৰা গ্ৰামৰ 'গা' স্বৰৰ পৰা 'পা' স্বৰত উচ্চাৰিত হৈ ঘূৰি আহিছে।

এনেদৰে কেবাগৰাকী গায়কেও এই অলঙ্কাৰ ব্যৱহাৰ কৰি কোনো কোনো গীত গোৱা শুনা যায়। কিন্তু বেছি সংখ্যক গায়কৰ কণ্ঠত এই মিড্ অলঙ্কাৰ স্পষ্ট নহয়। কণ্ঠ সাধনাৰ অভাৱেই যে ইয়াৰ মূল, সেইকথা সহজেই অনুমেয়।

৩। **কম্পন :** সুৰৰ কঁপনিৰ নাম 'কম্পন'। কম্পন যদিও অলঙ্কাৰ হিচাপে ব্যৱহাৰ হয়, তথাপি লক্ষ্য কৰা যায় যে কিছুমান গায়কৰ কণ্ঠ স্বাভাৱিক ভাৱে কঁপে। এনেবোৰ কণ্ঠত অলঙ্কাৰ বিচাৰি পোৱা কঠিন। আকৌ কিছুমান গায়কৰ কণ্ঠত কোনো এটি বিশেষ স্বাসাঘাতত স্বাভাৱিকতেই কঁপনি উঠে। কিন্তু আন ঠাইত নকঁপে। এনেবোৰ ক্ষেত্ৰত ন্যায্য ঠাইত কম্পন নপৰি য'তে ত'তে পৰি গীতৰ আলঙ্কাৰিক সৌন্দৰ্য হানি হোৱাৰ ভয়ো নথকা নহয়। কিছুমান কম্পনবিহীন কণ্ঠই আকৌ ইচ্ছাকৃতভাৱে কম্পন যুক্ত কৰি সুৰক জটিল কৰি তোলে।


ওপৰত উল্লেখ কৰা ধৰণে তিনি প্ৰকাৰৰ কাম্পনিক বিশেষত্ব থকা কেইজনমান আধুনিক গীতৰ গায়কৰ কণ্ঠ-বৈশিষ্ট্য তলত দাঙি ধৰা হল।

ভূপেন হাজৰিকা: হাজৰিকাৰ কণ্ঠই সদায় সাৱলীল বা পোনপটীয়া সুৰকে প্ৰকাশ কৰে। কিন্তু কোনো গীতৰ শাৰী একেলেথাৰীয়ে গাই উঠি শেষৰ শব্দ প্ৰকাশ কৰাৰ পিছত বিৰাম লোৱাৰ আগত তালখিনিত তেখেতৰ কণ্ঠধ্বনি পাতল হয় আৰু কঁপি কঁপি বিৰাম লয়। যেনে:—




ইয়াত শেষৰ শব্দ 'লাগিয়া' গাই উঠি বিৰামৰ বাবে যিখিনি তালৰ দৰ্কাৰ সেইখিনি তালত মৃদু কম্পন পৰিছে।

বীৰেন দত্ত: দত্তৰ কণ্ঠত স্বাভাৱিকতেই আৱৰ্ত্তণিৰ পৰা শেষলৈ কম্পন জড়িত সুৰ প্ৰকাশ হোৱা শুনা যায়। আনকি কোনো তান উচ্চ গ্ৰামলৈ নিব লগা হলে প্ৰৱাহিত স্বৰ তললৈ নামি আহি প্ৰচণ্ড কম্পনৰ সহায়তহে তেখেতে ওপৰলৈ তানিব পাৰে। যেনে:—



ইয়াত 'কিয়নো' গাই উঠি যাব লগা হওঁতে "কিয়"ৰ পৰা স্বৰ নামি আহি 'নো'ৰ পৰা প্ৰচণ্ড কম্পন দি স্বৰ উঠি গৈছে।

খগেন মহন্ত: মহন্তৰ কণ্ঠইও পোনপটীয়া সুৰ প্ৰকাশ কৰে। কিন্তু হাজৰিকাৰ দৰে গীতৰ শাৰীৰ শেষৰ শব্দ প্ৰকাশ কৰি বিৰাম লোৱাৰ আগতে যি স্বৰত থিতাপি লৈ মাত্ৰা পূৰণ কৰিবলৈ তান লয়, সেই স্বৰৰ লগত নিম্নস্বৰ প্ৰয়োগ হৈ তিনিটা বা চাৰিটা মাত্ৰ কঁপনি প্ৰকাশ কৰে আৰু হঠাতেই যায়। কেতিয়াবা আকৌ এটা সুৰৰ পৰা আন এটা সুৰলৈ গতি কৰিবৰ সময়তো একেদৰে কণ্ঠ কঁপি উঠে। মহন্তৰ কণ্ঠৰ কঁপনিৰ গতি এনেকুৱা:—





ইয়াত 'ৰে' আখৰ শেষ হৈ পৰৱৰ্তী শব্দ আৰম্ভ কৰাৰ সময়লৈ থকা মাজৰ তানখিনিয়ে উভতি নিম্ন গ্ৰামলৈ আহি কম্পন প্ৰকাশ কৰিছে। সহজভাৱে বুজিবলৈ, ভৰা কলহৰ পানী পোনে পোনেই ঢালি দিলে যি কম্পনধ্বনি ওলায়, খগেন মহন্তৰ কম্পন ধ্বনিও প্ৰায় তেনেকুৱাই বুলিব পাৰি। এনেদৰে বিভিন্ন গায়কৰ কণ্ঠত কম্পন-অলঙ্কাৰ বিভিন্নৰূপে প্ৰকাশ পাই আধুনিক গীতৰ সৌন্দৰ্য ৰক্ষা কৰিছে।

৪। **গীটকাৰী:** কিছুমান সুৰ খৰকৈ আঁচ দি উচ্চাৰণ কৰাকে গীটকাৰী বোলা হয়। ই দেখাত আঁচ অলঙ্কাৰৰ লগত মিলে যদিও কিছু পাৰ্থক্য আছে। আঁচত ব্যৱহৃত সুৰবোৰ খৰ নহয়। আৰু সুৰৰ ভিন্নতা ধৰিব পাৰি; কিন্তু গীটকাৰীত ব্যৱহৃত সুৰবোৰৰ গতি খুব খৰ আৰু সেয়ে সুৰৰ পাৰ্থক্য ধৰা টান। গীটকাৰীয়ে সুৰক অধিক হৃদয়স্পৰ্শী কৰি তোলে যদিও আধুনিক গীতত ইয়াৰ অভাৱ দেখা যায়।

(ঘ) **ভাৱৰ অলঙ্কাৰ:** শাস্ত্ৰীয় সঙ্গীতত ভাৱৰ অলঙ্কাৰক সুৰৰ ক্ষেত্ৰতহে বুজা হয়। ইয়াত শ্ৰোতাৰ মনোগ্ৰাহী কৰিবলৈ ঠাই বিশেষে সুৰত কম বেছি যি জোৰ বা বল প্ৰয়োগ কৰা হয় তাক 'ভাৱৰ অলঙ্কাৰ' বোলে। ইয়াত গীতৰ কথাৰ ভাৱৰ বিষয়ে মন দিয়া নাই। আধুনিক গীততো সুৰত কম বেছি জোৰ বা বল কৰি গোৱা গীত আছে। সেয়ে হলেও ইয়াত ভাৱৰ অলঙ্কাৰ বিচাৰিবলৈ গীতৰ কথাৰ ৰূপলৈ মন দিয়া বিশেষ প্ৰয়োজন।

আধুনিক গীতত ভাৱৰ অলঙ্কাৰ দুই প্ৰকাৰে ব্যৱহাৰ হয়। একপ্ৰকাৰ সুৰ-প্ৰধান গীতত আৰু আন প্ৰকাৰ ভাৱ-প্ৰধান গীতত। সুৰ-প্ৰধান গীত-সমূহ মুখ্যতঃ পূৰ্বনিৰ্দ্ধাৰিত সুৰৰ ভিত্তিত ৰচনা কৰা হয়। গতিকে এনেবোৰ গীতত ভাৱালঙ্কাৰ সুৰ সৃষ্টি কৰাৰ উদ্দেশ্যবোৰেহে নিৰ্ণয় কৰে।

ভাৱ প্ৰধান গীতত কিন্তু সুৰতকৈ গীতৰ মূল ভাৱৰ সৌন্দৰ্য প্ৰকাশ ভঙ্গিমাৰ বিশেষত্ব আদিবোৰেই মুখ্যভাৱে দায়ী। এনেবোৰ গীতত সুৰ নামমাত্ৰ। কিন্তু সেই সুৰে গীতিকাৰৰ মূলভাৱৰ গতি আদি প্ৰকাশ কৰাৰ চেষ্টা কৰে। আধুনিক গীতৰ মাজত এনে ভাৱালঙ্কাৰ থকা গীতৰ অভাৱ নাই।

এনেকৈ বিচাৰ কৰিলে দেখা যায় যে, শাস্ত্ৰীয় সঙ্গীতৰ দৰেই আধুনিক গীতে বিভিন্ন ধৰণে অলঙ্কাৰ প্ৰয়োগ কৰি শ্ৰুতি মধুৰতা ৰক্ষা কৰাৰ চেষ্টা কৰে। এই সংক্ৰান্তত বৰং শাস্ত্ৰীয় সঙ্গীততকৈ ইয়াৰ লক্ষ্য কেৱাদিশৰ পৰাও আছে আৰু সেয়ে শ্ৰোতাৰ মনোপযোগী কৰিবলৈ অধিক চেষ্টা কৰে বা কৰিব লগীয়া হয়।

★ ★ ★

[ পুৰণি আলোচনীৰ পৰা ]

# তুলাৰাম সেনাপতি

শ্ৰীৰ-মহন্ত *

যত্ন আৰু অধ্যৱসায়ে মানুহক ডাঙৰ কৰে। অদৃষ্টক খিয়াই ঘৰৰ চুকত সোমাই থাকি কোনেও কতো ডাঙৰ হব পৰা নাই। এই তুলাৰাম সেনাপতি জন্ম মতে নিচেই সামান্য মানুহ আছিল। এওঁৰ বাপেকৰ নাম কহিডান। এই উনৈশ শতিকাৰ প্ৰথমাৱস্থাত কাছাৰৰ অৱস্থা বৰ ভাল আছিল; কাছাৰৰ ৰজাবিলাক স্বাধীন আছিল বুলিবই পাৰি। ইংৰাজে তেতিয়ালৈকে আসাম দখল কৰা নাই, কিন্তু আসামৰ আশে-পাশে ইংৰাজৰ বিজয়লক্ষ্মীয়ে ছল চাই ফুৰিছিল। এই সময়ত কাহদাডে কাছাৰৰ ৰজা কৃষ্ণচন্দ্ৰৰ চাংমাইশালত কাম কৰিছিল। কৃষ্ণচন্দ্ৰ ৰজাৰ লগত কহিডানে বহুত দিন অনুচৰ কাৰ্য কৰিবলৈ নহল—১৮১৩ সনত কৃষ্ণচন্দ্ৰ ৰজাৰ পৰলোক হলত তেওঁৰ ভায়েক ৰাজা গোবিন্দ চন্দ্ৰে কাছাৰৰ সিংহাসনত আৰোহন কৰে। ককায়েকৰ মৰমৰ পাত্ৰ আছিল দেখি গোবিন্দচন্দ্ৰয়ো কহিডানক মৰম কৰিছিল। কহিডানে নিজৰ সাহসিকতা আৰু বিশ্বস্ততাৰ পৰিচয় দিবলৈ ধৰাত গোবিন্দচন্দ্ৰে লাহে লাহে কহিডানৰ অৱস্থা অলপ অলপকৈ উন্নত কৰি আনে। কহিডানক গোবিন্দচন্দ্ৰ ৰজাই এইদৰে সময় বিশেষে তেওঁৰ অধীনস্থ ঠাইবিলাকৰ অৱস্থা চাবলৈ পঠাবলৈ ধৰে। কহিডানে এইদৰে ৰাজ্যৰ আদি-গুৰি সকলো জানি উঠে; আৰু ৰজাৰ মৰমৰ পাত্ৰ দেখি ৰাজ্যস্থ সকলোৱে তেওঁক খাতিৰ কৰিবলৈ ধৰিলে। লাহে লাহে কহিডানে নিজৰ লগৰীয়া গোটাবলৈ আৰম্ভ কৰিলে। ৰজা গোবিন্দচন্দ্ৰে কহিডানকে সৌহাতৰ নিচিনা ভাবি সকলো তেওঁৰ ওপৰত নিৰ্ভৰ কৰি নিজে 'বহি ৰজা' হৈ কহিডানক 'উঠিৰজা' পাতিলে। লাহে লাহে কহিডানৰ গুৰি শকত হল; ৰজাৰ বিদ্ৰোহাচৰণ কৰিবলৈ ধৰিলে। কাছাৰৰ বহুত অংশত কহিডানে গোবিন্দচন্দ্ৰ ৰজাতকৈও বেছি ক্ষমতা চলাবলৈ ধৰিলে—লাহে লাহে কহিডানে, ৰজাই কাণমূৰ নলৰা দেখি, নিজকে 'স্বাধীন' বুলি ঘোষণা কৰিবলৈকো ধৰিলে। কথা আৰু কাণে তাৰ কাণে গৈ গোবিন্দচন্দ্ৰৰ কাণত পৰিল—তেওঁৰ সিংহাসন টলিল, অন্তৰ চঁকি উঠিল। কহিডানে ৰাজ সিংহাসন অধিকাৰ কৰিবলৈ মন মেলে বুলি ভয় পাই ছল কৰি তেওঁক ধৰ্মপুৰলৈ মতাই আনি, অনুচৰ এজনৰ হতুৱাই হত্যা কৰাই আগন্তুক বিপদৰ পৰা নিস্কৃতি লাভ কৰে।

তুলাৰাম এই সময়ত ৰজা গোবিন্দচন্দ্ৰৰ টেকেলা আছিল। বাপেকক ৰজাই যে ছল কৰি আনি হত্যা কৰালে, তুলাৰামে তাৰ বুজ পালে। পিতৃবৈৰীক সমুচিত দণ্ড দিবৰ নিমিত্তে তুলাৰামৰ মনত প্ৰতিহিংসাৰ জুই জ্বলি উঠিল। তুলাৰাম লাহেকৈ গোবিন্দচন্দ্ৰ ৰজাৰ লগৰ পৰা পলাল। ১৮২৪ সনত





মানে যেতিয়া কাছাৰ দখল কৰে, তেতিয়া তুলাৰামে মানৰ শৰণ পশি নিজৰ অৱস্থা ভাঙ্গি কৈ মানৰ সহায় খুজিলে। মানে সহায় দিলে। তুলাৰমে বাপেকে যি দোপৰ ঠাইত নিজৰ প্ৰভুত্ব চলাইছিল, সেই ঠাইদোখৰ পুনঃ দখল কৰি ললেগৈ। তুলাৰামক তাৰপৰা খেদিবলৈ গোবিন্দচন্দ্ৰ ৰজাই বহুত চেষ্টা কৰিলে, কিন্তু মানৰ সহায় থকা গতিকে ৰজাই তেওঁৰ নোম এডালকে লৰাব নোৱাৰিলে।

১৮২৮ সনত তুলাৰামে নিজৰ ভতিজাক গোবিন্দৰামক নিজৰ সেনানায়ক পাতি লয়। গোবিন্দৰাম বৰ বগুৰা আৰু সাহীয়াল আছিল—গোবিন্দচন্দ্ৰ ৰজাৰ সেনাই এওঁৰ আগত ঠুটিয়াবকে নোৱাৰিলে। কেৱাৰাৰো এওঁ ৰজাৰ সৈন্যবিলাকক যুদ্ধত ঘটুৱায়; পাছে দৈৱক্ৰমে গোবিন্দৰামৰ কুবুদ্ধি হল—তুলাৰামৰ সৈন্য আৰু ৰাজ্যাংশত নিজৰ অলপ পৰাক্ৰম বেছি হোৱাত ছলচক্ৰান্তে তুলাৰামক গোবিন্দৰামে ৰাজ্যৰ পৰা খেদি নিজে অকণ্টকা ৰাজ্য ভোগ কৰিবলৈ ধৰিলে। তুলাৰামে গৈ জয়ন্তাৰ ৰজাৰ আশ্ৰয় ললেগৈ। জয়ন্তাৰ পৰা তেওঁ ১৮২৯ সনত মণিপুৰলৈ যায়। মণিপুৰত সেইসময়ত গম্ভীৰসিংহ ৰজা আছিল। ১৮২০ চনত মানে যেতিয়া মণিপুৰ আক্ৰমণ কৰে তেতিয়া গম্ভীৰসিংহ, নিজৰ জ্যেষ্ঠ চৰজিতসিংহ আৰু মৰজিতসিংহ দুয়োকো লৈ কাছাৰতে আছিলহি; সেইসূত্ৰে তুলাৰামৰ লগত গম্ভীৰসিংহৰ মিত্ৰতা আছিল। তুলাৰামে পাছে গম্ভীসিংহক নিজৰ বিলাইৰ কথা কোৱাত তেওঁ তুলাৰামক সেনা কিছুমান দিয়ে। তুলাৰামে সেই সেনা লৈ ভতিজাক গোবিন্দৰামক আকৌ নিজৰ ৰাজ্যৰ পৰা খেদি দিয়েগৈ। সেই সময়ত কাছাৰৰ ৰাজধানী আছিল ধৰ্মপুৰ। গোবিন্দৰামে খুড়াকৰ খেদা পাই ধৰ্মপুৰত গোবিন্দচন্দ্ৰ ৰজাৰ আশ্ৰয় ভজেগৈ। কাছাৰৰ ৰজাই গোবিন্দৰামক যদিও তুলাৰামৰ খিয়ালত আশ্ৰয় দিলে, তেওঁ পেটে পেটে তুলাৰামলৈ ভয় কৰিবলৈ ধৰিলে। ভাৰতবৰ্ষৰ গভৰ্ণৰ জেনেৰেলৰ পূৰ্বদেশীয় প্ৰতিনিধি ডেভিড্ স্কট চাহাব তেতিয়া গুৱাহাটীত আছিল। আগেয়ে তুলাৰামে মানৰ সহায় লৈ বাপেকৰ ৰাজ্য দখল কৰাৰ দৰে আকৌ কিবা কৰে বুলি ভয়ত গোবিন্দ চন্দ্ৰে এই স্কট চাহাবলৈ মানৰ আশঙ্কা কৰি আবেদন কৰিলে। স্কট চাহাব মধ্যস্থ হৈ তুলাৰামৰ লগত গোবিন্দচন্দ্ৰ মিত্ৰভাবে থাকিবৰ নিমিত্তে তুলাৰামক ৰাজ্য কিছুমান এৰি দিবলৈ কলে।

স্কট চাহাবৰ মধ্যস্থতাত আকৌ তুলাৰাম আৰু গোবিন্দচন্দ্ৰৰ ভিতৰত মিত্ৰভাব হল। তুলাৰামে এই ছল পাই ১৮৩০ সনত ষড়যন্ত্ৰ কৰি গোবিন্দ চন্দ্ৰক হত্যা কৰাই বাপেকৰ প্ৰতিহিংসা তোলে। গোবিন্দচন্দ্ৰক হত্যা কৰি তুলাৰামে কাছাৰৰ সিংহাসনলৈ লোভ কৰি কাছাৰলৈ যায়। গোবিন্দৰামে এই ছলতে পৰ্বতৰ ফালে আহি পুনঃ তুলাৰামৰ নিজ ৰাজ্যখিনি দখল কৰি লয়হি। কিন্তু কাছাৰৰ সুপাৰিণ্টেণ্ডেণ্ট্ মধ্যস্থ হৈ আকৌ তুলাৰামক নিজৰ ৰাজ্যখিনি দিয়ায়। গোবিন্দৰামে সুপাৰিণ্টেণ্ডেণ্ট্ৰ এই কাৰ্যত ভাল নেপালে। ১৮৩১ সনত আকৌ তেওঁ মৃত গোবিন্দচন্দ্ৰ ৰজাৰ বিধৱা ৰাণীইঁতৰ লগত যোগ হৈ তুলাৰামক আক্ৰমণ কৰে। তুলাৰামে এইবাৰ বৰ টান পালে কথমপি তেওঁৰ প্ৰাণ ৰক্ষা হল। ১৮৩৪ সনত ইংৰাজৰ বিজয়লক্ষ্মীয়ে কাছাৰ অধিকাৰ কৰে। জেন্‌কিন্স চাহাবে এই বছৰত তুলাৰামৰ লগত সন্ধি কৰি তুলাৰামৰ দখলৰ ৰাজ্যৰ অংশ এটি চৰকাৰৰ ফলীয়া কৰে।

কাছাৰত তুলাৰামক বহুতে ভাল নেপাইছিল। ৰজাৰ হত্যাকাৰক বুলি তেওঁক বহুতে ঘিণাইছিল। তেওঁৰ পুতেক দুজন আছিল—নকুলৰাম জ্যেষ্ঠ, ব্ৰজনাথ বৰ্মণ কনিষ্ঠ। উভয়ৰ ভিতৰত বৰ বিবাদ। ব্ৰজনাথৰ স্বভাৱ বৰ বেয়া আছিল। নকুলৰাম কাৰ্য বিশেষে কৰবালৈ যোৱাত ব্ৰজনাথে তেওঁৰ ঘৈণীয়েকক লৈ পলাই যায়। এই তিকতাজনীৰ গিৰিয়েক আৰু

সেওঁৰেক দুয়ৰো ফালৰ লৰা-ছোৱালী হয়। নকুলে ব্ৰজনাথৰ অত্যাচাৰ সহিব নোৱাৰি, তাক হত্যা কৰিব খোজে, কিন্তু বাপেকৰ নিমিত্তে ব্ৰজনাথৰ প্ৰাণৰক্ষা পৰে।

১৮৩৩ সনত তুলাৰামে, তেওঁৰ জীৱন নাশ কৰিবৰ নিমিত্তে ষড়যন্ত্ৰ কৰা মানুহ দুটাক হত্যা কৰে। বিশেষ সম্ভৱ, গোবিন্দৰামে ৰাণীহঁতৰ লগত লগ হৈ এই মানুহ দুটাক তুলাৰামক হত্যা কৰিবলৈ পাচে। তুলাৰামে এই হত্যা কৰা বাবে বৰ বিপদত পৰে। এই সময়ত ইংৰাজে কাছাৰ প্ৰায়শঃ অধিকাৰ কৰিছিল; ইংৰাজ ৰাজ্যত ইংৰাজৰ প্ৰজা হত্যা কৰিলে বুলি গুৱাহাটীত তুলাৰাম সেনাপতিৰ বিচাৰ হয়। বিচাৰত মানুহ দুটাৰ ষড়যন্ত্ৰ প্ৰকাশ হয়, আৰু সেই মানুহ দুটা ইংৰাজৰ প্ৰজা নহয় বুলি প্ৰমাণিত হয়। বিশেষতঃ তুলাৰাম তেতিয়া এজন স্বাধীন সেনাপতি আছিল দেখি হত্যাপৰাধত তেওঁ জগৰীয়া নহৈ মুক্তি পালে। ইয়াৰ পাছতে চৰকাৰে সম্পূৰ্ণৰূপে তুলাৰামক কৰতলীয়া কৰি লয়। চৰকাৰৰ অধীনত তেওঁ ৫০৲ টকা পেন্সন পাইছিল। তেওঁৰ দখলত থকা মাটিৰ বাবে তেওঁ চৰকাৰক ৮টা হাতী দাঁত বা ৪৯০ টকা ৰাজহ শোধাইছিল। ১৮৪৪ সনত তুলাৰাম সেনাপতি আলৰ আথৰ হৈ পুতেকহঁতক ৰাজ্যভাৰ সঁপি দিয়ে।

১০৫০ সনৰ ১২ অক্টোবৰ তাৰিখে তেওঁৰ পৰলোক হয়। মৌডোঙা নামেৰে ঠাই এদোখৰত জগন্নাথ বৰ্মণ নামেৰ তুলাৰাম সেনাপতিৰ সন্ততি এজন আছে। তেওঁ সম্প্ৰতি ১১ টকামান মাহিলী পেন্সান পায়। আজিকালি তেওঁলোকৰ বৰ দুৰৱস্থা।

তুলাৰাম সেনাপতিৰ জীৱন বৰ ঘটনাপূৰ্ণ। তেওঁৰ মনৰ শক্তি বৰ প্ৰচণ্ড আছিল; আৰু সেই শক্তিৰ বলেৰে যি ৰাজ্যৰ ৰজাৰ লগুৱাৰ নিচিনা কাম কৰিছিল, সময়মতে সেই ৰাজ্যৰ ৰজা হৈছিলহি বুলিব লাগে। তেওঁৰ অধ্যৱসায়, কাৰ্য্য-কুশলতা, ৰাজনৈতিকতা, পিতৃ বৈৰীৰ প্ৰতিহিংসা-চেষ্টা, সাহ, বীৰত্ব ইত্যাদিৰ পৰা বহুত শিক্ষা লভিব পাৰি।

* ৰত্নেশ্বৰ মহন্তৰ 'তুলাৰাম সেনাপতি' শীৰ্ষক প্ৰবন্ধটো জোনাকী (১৮১২-১৩ শক) তৃতীয় ভাগ দ্বিতীয় সংখ্যাত (পৃষ্ঠা ৬১-৬৫) প্ৰকাশ হৈছিল। আখৰ-জোটনি মূলৰ দৰে ৰখা হৈছে। সংগ্ৰাহক—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

# পুথি পৰিচয়

[ এই শিতানত পৰিচয় কৰিদিবলৈ দুকপিকৈ কিতাপ পঠাব লাগে

—সম্পাদক ]

**চক্ৰচয়ন**—চাৰিজনীয়া সম্পাদনা সমিতিৰ দ্বাৰা সম্পাদিত, গুৱাহাটী আলোচনা চক্ৰৰ হৈ সম্পাদক ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যৰ দ্বাৰা প্ৰকাশিত, ১ম প্ৰকাশ আগষ্ট, ১৯৭৬; পৃষ্ঠ সংখ্যা ১৬+১৭৮, মূল্য—উন্নত সংস্কৰণ ১২.৫০, সাধাৰণ সংস্কৰণ ৮.০০ টকা।

১৯৫৫ চনতে স্থাপিত গুৱাহাটী আলোচনা চক্ৰৰ একুৰি এক বছৰীয়া বয়সৰ চিন স্বৰূপে ৪০০ সংখ্যক বৈঠকৰ অনুষ্ঠানত একুৰি প্ৰবন্ধৰ সংকলন 'চক্ৰচয়ন' হাতত লৈ ভাল পাইছোঁ। বিভিন্ন বিষয়ৰ প্ৰবন্ধবোৰৰ ভিতৰত গধুৰ-পাতল উভয়বিধকে সামৰা এই সংকলনটোৰ কেইটামান প্ৰবন্ধ যে উচ্চমানবিশিষ্ট হোৱা নাই এই কথা ক'বই লাগিব। তাৰে কেইটামান প্ৰবন্ধক কোনোমতেই সম্পূৰ্ণবুলি ক'ব নোৱাৰি। আনহাতে, গধুৰ প্ৰবন্ধবোৰে পাঠকক যথেষ্ট সমল দিয়াৰ উপৰিও সুখপাঠ্য হৈছে। গুৱাহাটী আলোচনা চক্ৰৰ দৰে অনানুষ্ঠানিক অনুষ্ঠান এটাই এনেহেন সংকলন এটি প্ৰকাশ কৰিব পৰাটোও কম কথা হোৱা নাই। কিতাপখনিৰ ছপা-বন্ধাও সুন্দৰ হৈছে।

**মাধৱ বৈকুণ্ঠে গৈলা, গোপাল উদয় ভৈলা**—লিখক শ্ৰীমোহনচন্দ্ৰ মহন্ত, যোৰহাট; প্ৰকাশক—শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতি, যোৰহাট; প্ৰথম সংস্কৰণ—১৯৭৬, পৃষ্ঠা সংখ্যা ১২+১১৭, বেচ খনে ৬.২৫ টকা।

অসমৰ বৈষ্ণৱ মহাপুৰুষ মাধৱদেৱৰ পিছত মহাপুৰুষীয়া মতৰ অন্যতম কালসংহতিৰ প্ৰতিষ্ঠাতা গোপালদেৱ আৰু সেই সংহতিৰ মতৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা এতিয়ালৈকে এক ডাঙৰ অভাৱ হৈ আছিল। 'মাধৱ বৈকুণ্ঠে গৈলা, গোপাল উদয় ভৈলা'ৰ ৰচক শ্ৰীমোহনচন্দ্ৰ মহন্তই বহু কষ্ট কৰি এটা ডাঙৰ অভাৱ পূৰাবৰ যত্ন কৰিছে। ধৰ্মমতৰ বিষয়ে খৰচি মৰাৰ উপৰিও লিখকে যুগৰ সাংস্কৃতিক আৰু ঐতিহাসিক পটভূমিৰ প্ৰতিও আলোকপাত কৰিবলৈ চেষ্টা কৰা সঁচাকৈয়ে প্ৰশংসনীয়। কেৱল চৰিত পুথি আৰু অন্যান্য প্ৰবন্ধপাতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই লিখকে ক্ষান্ত থকা নাই; ঠায়ে ঠায়ে তেখেতে নিজাকৈ কথাবোৰ ফাঁহিয়াই চাইছে। গোপালদেৱৰ সম্পৰ্কে বিশদভাৱে জানিবলগীয়া কথাও পাঠকে এই পুথিৰ পৰা পাব। অসমৰ বহুকেইখন সত্ৰৰ বিষয়ে আমি নজনা কথাও ইয়াত সন্নিৱিষ্ট হোৱাত এটা ডাঙৰ কাম হৈছে।

**সাংস্কৃতিকা**—সম্পাদক আৰু সংকলক শ্ৰীকনক শৰ্মা, তেজপুৰ; প্ৰকাশক—ব্ৰজেন বৰুৱা সোঁৱৰণী নাট্য সমাজ; প্ৰথম প্ৰকাশ ১৯৭৬, বেচ ৫.০০টকা।

ব্ৰজেন বৰুৱা সোঁৱৰণী নাট্য সমাজৰ দ্বাৰা প্ৰকাশিত 'সাংস্কৃতিকা' নাট্য সমাজখনৰ এক বিশিষ্ট অৱদান বুলি আৰম্ভণিতে উল্লেখ কৰিবলৈ পাই ভাল পাইছোঁ। প্ৰবন্ধাৱলীক দুটা বিশিষ্ট ভাগত ভগাই প্ৰকাশ কৰা এই সংকলনটিত অসমৰ কেৰাগৰাকীও

যশস্বী লিখক, আলোচক আৰু চিন্তাবিদে সমল আগবঢ়াইছে। প্ৰথম ভাগটোৰ মুঠ তেৰটা প্ৰবন্ধত নাট আৰু নাটসম্পৰ্কীয় সুন্দৰ আলোচনা কৰা হৈছে; দ্বিতীয় ভাগত 'ব্ৰজেন স্মৃতি' মালাত মুঠ ন-টা প্ৰবন্ধত ৺ব্ৰজেন বৰুৱা মানুহজন আৰু তেখেতৰ প্ৰতিভা সম্পৰ্কীয় আলোচনাৰ উপৰিও নটৰাজ ফণী শৰ্মা আৰু কলাগুৰু বিষ্ণু ৰাভাৰ ওপৰত লিখা প্ৰবন্ধ আৰু 'প্ৰকৃতি সন্তৰান' নামৰ গীতি আলেখ্য এখনো সংযোগ কৰা হৈছে। 'সাংস্কৃতিক' সকলো শ্ৰেণীৰ পাঠকে ভাল পাব।

**স্মৃতিলেখা**—( সদৌ অসম বিষ্ণুজ্যোতি একাঙ্ক নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ নট সংকলন ) সংকলক—শ্ৰীপ্ৰবীণ পাটোৱাৰী, প্ৰকাশক ব্ৰজেন বৰুৱা সৌৰৱণী নাট্য সমাজ, তেজপুৰ, প্ৰথম প্ৰকাশ—১০ চেপ্তেম্বৰ, ১৯৭৬, পৃষ্ঠা সংখ্যা—১২২, বেচ খনে ৩.৫০ টকা।

ব্ৰজেন বৰুৱা সোঁৱৰণী নাট্য সমাজৰ আন এখনি অৱদান 'স্মৃতিলেখা'। জন্ম ক্ৰন্দন, প্ৰৱাহন সূত্ৰ, মা দুৰ্গাৰ হৰতাল, এটি গল্প আৰু সুঁতি—এই পাঁচখন নাটকৰ সংকলন। সংকলকে এই সংকলনটিৰ বিষয়ে কৈছে, "....সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত এই জনপ্ৰিয়তাই কি ৰৰঙণি যোগাইছে তাৰ মূল্যায়ণ কৰিবলৈ হ'লে প্ৰয়োজন এনে নাটৰ এটা বিশিষ্ট সংকলন। তদুপৰি উদীয়মান নাট্যকাৰসকলক উৎসাহ প্ৰদান, অসমৰ শিল্পী, প্ৰযোজক গোষ্ঠীয়ে অনুভৱ কৰি অহা নাটকৰ অভাৱ পূৰণলৈ লক্ষ্য কৰি এই সংকলনটি আগবঢ়োৱা হ'ল।" অনুষ্ঠানটিৰ উদ্দেশ্য মহৎ; প্ৰথম সংকলনটিৰ আটাইকেইখন নাট শ্ৰেষ্ঠ নাট হোৱা নাই। সংকলকেও তেনে কথা কোৱা নাই; কিন্তু এই নতুন নাট্যকাৰসকলে যে এক উজ্জ্বল ভৱিষ্যতৰ ইঙ্গিত দিছে সেই কথা ইয়াত ক'বই লাগিব। এনেহেন সংকলনে আমাৰ ভাল নাটৰ অভাৱ দূৰ কৰাটো সহায়ক হ'ব।

**মতিভ্ৰষ্ট চিৰাজ নে বিকাৰগ্ৰস্ত ইংৰাজ**—লিখক শ্ৰীএম. ইলিমউদ্দিন দেৱান, প্ৰকাশক মহঃ নাজিমউদ্দিন দেৱান, দেৱান বুক ষ্টল, প্ৰথম তাঙৰণ—জানুৱাৰী, ১৯৭৬, পৃষ্ঠা সংখ্যা ১১৮, বেচ—৬.০০টকা

শ্ৰীএম ইলিমউদ্দিন দেৱানে চিন্তামূলক কেবাখনো কিতাপ লিখি ইতিমধ্যে অসমীয়া সাহিত্য জগতত চিনাকি হৈছে। 'মতিভ্ৰষ্ট চিৰাজ নে বিকাৰগ্ৰস্ত ইংৰাজ' নামৰ আলোচনা কৰিবলৈ লোৱা পুথিখনি এইজন লিখকৰে অন্য এক অৱদান। 'লিখকৰ নিবেদন'ত দেৱানচাহাবে লিখিছে, "আমাৰ গুণৰ চকুৱা কিছুমান গাল্পিক, প্ৰবন্ধকাৰ আৰু ঐতিহাসিকে ....তিলক তাল কৰি চিৰাজৰ আচল ৰূপ আৰু চৰিত্ৰক বেছি অস্পষ্ট কৰিব ধৰিছে। তেওঁলোকে সত্যৰ পোহৰ আৰু সহিষ্ণুতাৰ বাণী লৈ ঐতিহাসিক সত্য উদ্ঘাটনৰ বাবে পৰিশ্ৰম কৰা নাই।" আমি ভাব পাইছোঁ যে শ্ৰীদেৱানে কিতাপখনি লিখোঁতে বহুত শ্ৰম কৰিছে। অৱশ্যে লিখকে কিতাপৰ বিষয় বস্তুৰ লগত সঙ্গতি নথকা দুই এটি কথাৰ অৱতাৰণা আদিৰ নিচিনা দুই চাৰিটা ত্ৰুটীও থাকি গৈছে। তথাপি লিখকৰ প্ৰচেষ্টাৰ আমি শলাগ লৈছে। কিতাপখনৰ ছপা উন্নত নহ'ল, ছপাভুলো ঠায়ে ঠায়ে থাকি গ'ল। পৰবৰ্তী সংস্কৰণত এই দিশটোলৈও নিশ্চয় প্ৰকাশক আৰু লিখকে চকু দিব।

## প্ৰাপ্তি স্বীকাৰ :

**অসমৰ জাতীয় সংস্কৃতি সন্ধান**—লিখক শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম, প্ৰকাশক—চক্ৰৱৰ্তী ব্ৰাদাৰ্চ, মঙ্গলদৈ; প্ৰথম প্ৰকাশ—এপ্ৰিল, ১৯৭৬; বেচ—২.৫০ টকা

**দিলদৰিয়াৰ ঢৌ** ( কবিতা )—লিখক মোহাম্মদ নাবীৰ হুছেন, প্ৰকাশক—হাজী অয়নুদ্দিন আহমেদ, ইছলামীয়া লাইব্ৰেৰী, বৰপেটা, ( কামৰূপ ); প্ৰথম প্ৰকাশ—১৯৭৫ চন, বেচ—৩.৫০ টকা

**বড়াই** ( ৰম্য-ৰচনা )—লিখক শ্ৰীএম, ইলিমউদ্দিন দেৱান, প্ৰকাশক—দেৱান বুক ষ্টল, বৰপেটা; প্ৰথম তাঙৰণ—মাৰ্চ, ১৯৭৬; বেচ দুটকা

**ছেৰছাহ** ( নাটক )—লিখক অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, গুৱাহাটী; প্ৰকাশক—শ্ৰীনেপোলিয়ন হাজৰিকা, তপোবন, গুৱাহাটী; প্ৰথম প্ৰকাশ—অক্টোবৰ, ১৯৭৫, বেচ ২.৫০ টকা

**কবিতাঞ্জলি**—লিখক স্বভাৱ কবি ডাঃ সত্যনাথ কাকতি; প্ৰকাশিকা—শ্ৰীমতী সৰস্বতী কাকতি; ১ম তাঙৰণ—নৱেম্বৰ, ১৯৭৬; পৃষ্ঠা সংখ্যা—১৬+৭৮; বেচ—১.৫০ টকা

**গুৰুবন্দন লোকগীত আৰু মাজৰ দিহা**—লিখক আৰু সংগ্ৰাহক শ্ৰীশশীমোহন দাস; প্ৰকাশক—নবীন প্ৰকাশন, মৰা নদীৰ পাৰ, বৰপেটা; ১ম প্ৰকাশ ১৯৭৫-৭৬; পৃষ্ঠা সংখ্যা—৫৬+১০; বেচ—২.৫০ টকা

# অসম সাহিত্য সভাৰ প্ৰকাশন

বৰ্তমান মজুত থকা

| ক্ৰম নং | কিতাপৰ নাম | মূল্য | ক্ৰম নং | কিতাপৰ নাম | মূল্য |
|---|---|---|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ ৰচনামালা | ১২.০০ | ২৭ | লক্ষ্মীনাথ বেজবৰুৱা ( ইংৰাজী ) | .৫০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০.০০ | ২৮ | লক্ষ্মীনাথ বেজবৰুৱা ( ,, ) | .৫০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০.০০ | ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩.০০ |
| ৪ | অকণোদইৰ ঢলফাট | ৮.০০ | ৩০ | ,, ,, ,, —নলবাৰী | ৩.০০ |
| ৫ | বেজবৰুৱা প্ৰতিভা | ৮.০০ | ৩১ | ,, ,, ,, —উঃ লক্ষীমপুৰ | ৩.০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭.০০ | ৩২ | ,, ,, ,, —ডিব্ৰুগড় | ৩.০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬.০০ | ৩৩ | ,, ,, ,, —নাজিৰা | ৩.০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪.০০ | ৩৪ | ,, ,, ,, —তেজপুৰ | ৩.০০ |
| ৯ | আউটলুক অন নেফা | ৪.০০ | ৩৫ | ,, ,, ,, —বৰপেটা | ৩.০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪.০০ | ৩৬ | ,, ,, ,, —শিং | ৩.০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪.০০ | ৩৭ | ,, ,, ,, —মাকুম | ৩.০০ |
| ১২ | ৰিলিজিয়ন অৱ লৰ্ড এণ্ড ডিভচন | ৩.০০ | ৩৮ | ,, ,, ,, —ধুবুৰী | ৩.০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩.০০ | ৩৯ | ,, ,, ,, —ৰঙিয়া | ৪.০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩.০০ | ৪০ | মঙলদৈ মঙলদৈ | ১৫.০০ |
| ১৫ | আচামিজ ফৰ অল | ১.০০ | ৪১ | তিতাবৰ সোঁৱৰণ | ৬.০০ |
| ১৬ | আপ্ কি অসমীয়া | ২.০০ | ৪২ | বেজবৰুৱাৰ বাণী | .৫০ |
| ১৭ | আনটাৰপাৰি অসমীয়াক শিকানি | ১.০০ | ৪৩ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫.০০ |
| ১৮ | আচামীয়া লা-বাবো-লেন আচামীয়া | | ৪৪ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰি অৱ আচাম | ৩০.০০ |
| | টিকাই-তি | ১.০০ | ৪৫ | কনকলাল বৰুৱা ৰচনাৱলী | ১০.০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ১.০০ | ৪৬ | ভাষণাৱলী—৪ৰ্থ খণ্ড | ১০.০০ |
| ২০ | নীলাচল পাঠ | ১.০০ | ৪৭ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০.০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১.৫০ | ৪৮ | চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০.০০ |
| ২২ | অসমীয়া ভাষা | ১.০০ | ৪৯ | গোৱালপৰীয়া লোকগীত | ১৫.০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১.০০ | ৫০ | গোহাঞি বৰুৱা প্ৰতিভা | ১০.০০ |
| ২৪ | প্ৰমথনাথ চক্ৰৱৰ্তী | ১.০০ | ৫১ | অসমীয়া জাতিৰ ইতিবৃত্ত | ১০.০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১.০০ | ৫২ | লংকাকাণ্ড ৰামায়ণ | ১০.০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা ( হিন্দী ) | .৫০ | ৫৩ | ৰাভা জনজাতি | ৭.০০ |

Regd. No. A/199 ॥ অসম সাহিত্য সভা পত্ৰিকা ॥ ৩৩শ বছৰ, তৃতীয় সংখ্যা, ডিচেম্বৰ, ১৯৭৬

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| ক্ৰম নং | কিতাপৰ নাম | মূল্য | ক্ৰম নং | কিতাপৰ নাম | মূল্য |
|---|---|---|---|---|---|
| ৫৪ | অসমীয়া গ্ৰন্থপঞ্জী | ৬'০০ | ৭৫ | দিগ্বিজয়ী | ২'০০ |
| ৫৫ | পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬'০০ | ৭৬ | বিষ্ণুপ্ৰিয়া মনিপুৰী | [illegible] |
| ৫৬ | হেমুৱেল জনচনৰ জীৱনী | ৫'০০ | ৭৭ | চন্দ্ৰধৰ বৰুৱা মানুহজন | [illegible] |
| ৫৭ | একাদশী | ৫'০০ | ৭৮ | অসমৰ জনজাতি | ২'০০ |
| ৫৮ | চুটি গল্প | ৫'০০ | ৭৯ | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫'৫০ |
| ৫৯ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫'০০ | ৮০ | জগন্নাথ বৰুৱা | ৫'০০ |
| ৬০ | দেউৰী চুতীয়া | ৪'৪০ | ৮১ | তৰুণৰাম ফুকন | ৩'০০ |
| ৬১ | কাৰ্বি জনগোষ্ঠী | ৪'৪০ | ৮২ | তিৱা সম্প্ৰদায় | ৫'০০ |
| ৬২ | ডিমাছা | ৪'০০ | ৮৩ | চিদ্বেশ্বৰ বৰবৰুৱা স্মৃতিমালা | ৬'০০ |
| ৬৩ | লিপি সমস্যা | ৩'০০ | ৮৪ | স্নেহৰ অৰুণাচল ( মাইহিল চ'ক্ৰং ) | ৫'০০ |
| ৬৪ | টাই ভাষা | ৩'০০ | ৮৫ | Annals of Assam Sahitya Sabha | ৫'০০ |
| ৬৫ | প্লেট' | ৩'০০ | ৮৬ | চুক্তি আৰু চুক্তিবাদ | ৪'০০ |
| ৬৬ | চক্ৰেটিচ | ৩'০০ | ৮৭ | সাগৰৰ কথা | ২'৫০ |
| ৬৭ | নাটক | ৩'০০ | ৮৮ | Development of Script in Ancient Kamrupa | ১০'০০ |
| ৬৮ | স্বপ্ন বাসৱদত্তা | ৩'০০ | ৮৯ | বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড ) | ১০'০০ |
| ৬৯ | জীৱনী | ৩'০০ | ৯০ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪'০০ |
| ৭০ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩'০০ | ৯১ | অধ্যয়ন চক্ৰ | ৫'০০ |
| ৭১ | বড়োৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩'০০ | ৯২ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | |
| ৭২ | কৰম পূজা আৰু ঝুমুৰ গীত | ২'০০ | ৯৩ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | |
| ৭৩ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২'০০ | | | |
| ৭৪ | মপিন উচৰ | ২'০০ | | | |

প্ৰাপ্তি স্থান :

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন—৩৭৬

(২) গুৱাহাটী কাৰ্যালয়, অসম সাহিত্য সভা
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন—৪৭৭৬

পূৰ্বদেশ মুদ্ৰণ, ৰিহাবাৰী, গুৱাহাটী-৮ত মুদ্ৰিত আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° হেমন্তকুমাৰ শৰ্মাৰ দ্বাৰা প্ৰকাশিত।

বেছ—খনে তিনি টকা মাথোন

সম্পাদক—যতীন গোস্বামী